# Assam
# Legislative Assembly
# Debates

*OFFICIAL REPORT*

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**WINTER SESSION**

**VOL-I**

No.8

**The 11th March, 1987**

**Price : 18·60**

# CONTENTS

Budget Session

Volume : 1 No. 8

Dated, the 11th March, 1987


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Statement made by Home Minister | 40 |
| 3. | Calling Attention Notice | 43 |
| 4. | Discussion under Rule 301 | 47 |
| 5. | General Discussion on the Budget | 49 |
| 6. | Adjournment | 98 |

(b)—Yes, both the projects appeared to be successful.

(c)—There is no Public allegation for these projects but there is public demand to raise the height of the head wall of the crests to retain more volume of water up-stream.

বিষয়—ডিমৌ নদীৰ ওপৰত দলং।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে:

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

*১২১। (ক) ডিব্ৰুগড় জিলা চেপন মৌজাৰ অন্তৰ্গত লাউখোৱা গড়কাপ্তানী আলিৰ ডিমৌনদীৰ ওপৰত হব লগীয়া দলঙখনৰ আঁচনি আৰু প্ৰাক্কলন কেইবা বছৰবো আগতে প্ৰস্তুত কৰাটো সত্যনে?

(খ) যদি সত্য, আঁচনি অনুযায়ী দলঙখনত কিমান টকা খৰচ হব?

(গ) মৰাণ আৰু থাওৰা সমষ্টিক পোন পটীয়াকৈ সংযোগ কৰালৈ লক্ষ্য ৰাখি উক্ত দলঙখনৰ নিৰ্মাণ কাৰ্য্য চলিত বিত্তীয় বছৰতে আশা কৰিব পাৰিবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে—উত্তৰ দিছে:

(ক)—লাওখোৱা গড়কাপ্তানী আলিৰ ডিমৌ নদীৰ ওপৰত কোনো আঁচনি আৰু প্ৰাক্কলন প্ৰস্তুত কৰা হোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ কুমাৰ গগৈ—ডিমৌ নদীৰ ওপৰত যি খন দলঙৰ কথা কোৱা হৈছে, সেই খন আমাৰ জিলা ভিত্তিত গড়কাপ্তানী বিভাগৰ পৰা কৰা হোৱা নাই। গতিকে কৰিব পৰা যাব নেকি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—যি খন দলঙৰ কথা কৈছে তাৰ অনুমানিক হিচাব পাইছো প্ৰায় চাৰি লাখ পঞ্চাচ হাজাৰ টকা, দীৰ্ঘ প্ৰায় ৪৭ মিটাৰ হব। অহাবছৰ পুঁজি হলে দলঙখন আৰম্ভ কৰিব পৰা যাব।

Starred Question No. 123 was not called for

**Re: Water Retention Scheme at Nandigram**

Shri Altaf Hussain Mazumdar asked :

Will the Minister of soid conservation be pleased to state :—

*124 (a) When the Salchapara Block provided funds for taking up Soil Conservation-cum-Water Retention Scheme at Nandigram (Near Katakhal in Silchar Sub-division) ?

(b) Has the plan estimate been prepared ?

(c) If so, why the work has not yet started and when is it likely to be started ?

Shri Bharat Chandra Narah (Minister of soil conservation) replied :

(a) 25% of the fund amounting to Rs. 14,792·00 only was released and the fund was received in the 1st: week of April '86.

(b) Yes.

(c) The work had already been started w. e. f. 7.2.87

Shri Altaf Hussain Mazumdar—Mr. Speaker Sir, this work may not be possible in rainy season. Anyway, will the Hon'ble Minister be in a position to give us an idea as to when it is likely to be finished ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—আমি ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ কৰিছো আৰু সোনকালে কাম আৰম্ভ কৰাৰ সম্ভাৱনা আছে।

বিষয়—চৰ অঞ্চলত বনানীকৰণ আঁচনি।

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*১২৫ (ক) এইটো সঁচানে চৰ অঞ্চলৰ সাধাৰণ চৰকাৰী ( খাচ ) মাটিত সামাজিক বনানীকৰণৰ বাবে চৰকাৰে নিৰ্দেশ দিছে ?

(খ) এইটোও জানেনে যে, বৰপেটা জিলাৰ হেপচা চৰক আদি কৰি কেইবাটাও সামাজিক বনানীকৰণ আঁচনি গড়াখহনীয়াৰ কবলত পৰিছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক)—হয়। অসম চৰকাৰে বনানীকৰণৰ বাবে সুচল চৰ এলেকাতহে সামাজিক বনানীকৰণৰ আঁচনি লয়।

(খ)—হেপচা চৰত সামাজিক বনানীকৰণৰ আঁচনি লোৱা হোৱা নাই। কিন্তু সামাজিক বনানীকৰণৰ বাবে লোৱা ৮ টা চৰ এলেকাৰ ভিতৰত য়াচিনাৰ চৰত প্ৰায় ৬০ হেক্টৰ মান ঠাইত গড়াখহনীয়া হোৱা দেখা গৈছে।

শ্ৰীমুক্তাৰ হুছেইন—ব্ৰহ্মপুত্ৰ নদীৰ মাজত যিবিলাক নদী দ্বীপ আছে সেই বিলাক ১০ বছৰকৈ বেছি দিন নিটিকে। সামাজিক বনানীকৰণৰ নামত এই উপদ্বীপত উচ্ছেদ কাৰ্য্য কৰি সামাজিক বনানীকৰণ কৰিছে। ইয়াৰ দ্বাৰা বিশেষ লাভবান হব নোৱাৰে। যদি চৰত থকা মানুহ উচ্ছেদ কৰিব লাগে তেন্তে সেইটো কৰিব পাৰে। এই হেপচা চৰত বা আন আন চৰত যিবিলাক সামাজিক বনানীকৰণৰ আঁচনি লৈছে সেই বিলাকৰ স্থায়ীত্ব সম্পৰ্কে তথ্য আছে নে নাই ? এনেকৈ চৰকাৰৰ লাখ লাখ টকা সামাজিক বনানীকৰণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰত পেলাই দিয়াৰ কি যুক্তি আছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—সামাজিক বনানীকৰণৰ নামত উচ্ছেদ কৰাতো উদ্দেশ্য নহয়। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশক্ৰমে জলবায়ু, পৰিবেশ বেয়া হৈ যোৱা পৰিপ্ৰেক্ষিতত য'ত খালি মাটি পোৱা যায় তাত গছ-গছনি কৰ লাগে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশক্ৰমে আমি সামাজিক বনানীকৰণৰ আঁচনি লৈছো যাতে জলবায়ু আৰু পৰিবেশ বিশুদ্ধ হৈ থাকে।

বননি থাকিব লাগে। এতিয়া অসমত ২২ শতাংশ আছে। এতিয়া ৰাষ্ট্ৰীয়

শ্ৰীজয়নাথ শৰ্মা—ৰাষ্ট্ৰীয় বন নীতি অনুসৰি মুঠ স্থল ভাগত ভাৰতত ৩৩ শতাংশ

নীতিৰ লগত মিলাবৰ বাবে ৩৩ শতাংশ কৰিবৰ কাৰণে চৰ অঞ্চলত ৫ বছৰৰ ভিতৰত সামাজিক বনানীকৰণৰ ব্যৱস্থা লব নে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ—কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশক্ৰমে আমি ইতিমধ্যে অসমৰ বিভিন্ন খালি মাটি সমূহত সামাজিক বনানীকৰণৰ আঁচনি লৈছো আৰু চৰ এলেকাত ১৯৮৫-৮৬ চনৰ পৰা সামাজিক বনানীকৰণৰ আঁচনি লৈছো। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব বিচাৰিছো যে, ৰাজহ বিভাগৰ অনুমতি সাপেক্ষে বৰপেটা সংমণ্ডলৰ অধীনত ৮ টা সামাজিক বনানীকৰণৰ আঁচনি লৈছো। ঠিক তেনেকৈ অন্যান্য সংমণ্ডলৰ অধীনত ১৯৮৬-৮৭ চনত সামাজিক বনানীকৰণৰ আঁচনি লৈছো।

শ্ৰীকুল বাহাদুৰ চেত্ৰী—মন্ত্ৰী মহোদয়ে কৈছে যে অযথাযে উচ্ছেদ কৰা নহয়। চৰ অঞ্চলত বনানীকৰণ কৰিছে কিন্তু এই বছৰ কিছু গড়াখহনীয়াত গ'ল। সেই কাৰণে মন্ত্ৰী মহোদয়ে নিজে তদন্ত কৰি চাব নে সামাজিক বনানীকৰণ কৰিলে লাভ হয় নে নহয়?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—এই সামাজিক বনানীকৰণত ইয়াচিনা চৰত মাত্ৰ ৬০ হাজাৰ হেক্টৰ মাটি গড়াখহনীয়াত ক্ষতি হৈছে আৰু খৰছ হৈছে ৪৮ হাজাৰ ১০০ টকা। বাকী বিলাক ঠিকে আছে।

Shri Altaf Hussain Mazumdar—Mr. Speaker, Sir, Hon. Member Shri Muktar Hussain raised a very justified question. With regard to the question of aforestation, will the Government examaine the stability of the Chars before plantation is made? Most of the Chars, as we know, after some years destabilise. Therefore will the Government examine for how long the chars have stayed stable? Will the Government see the stability of the chars first and then go for aforestation in these areas?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় সদস্য গৰাকীয়ে গছ নেদেখাৰ কথা কৈছে।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ—এই চৰ বিলাক গছ বোৱাৰ সম্পৰ্কত স্থায়ী হৈ থাকিব নে নাই মন্ত্ৰী মহোদয়ে পৰীক্ষা কৰিব নে? কাৰণ চৰ বিলাক বেচি দিন নিটিকে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মই তেখেতৰ প্ৰশ্নটো ভালকৈ বুজিছো। গড়াখহনীয়াত সামাজিক বনানীকৰণত ক্ষতি হৈছে। গছ-গছনি নথকাৰ কাৰণে। সেই কাৰণে গছ-গছনি যেতিয়া ডাঙৰ হব গড়াখহনীয়া বন্ধ হব। গড়াখহনীয়া বন্ধ কৰাৰ কাৰণেই এই বৃহৎ আঁচনি লৈছো।

শ্ৰীআলতাফ হুছেইন মজুমদার—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় বোধহয় আমার প্রশ্নটি বোঝেন নাই। আমার প্রশ্ন ছিল—চর এলাকায় বনানীকরনের আগে সেই চরগুলির স্থায়ীত্ব সম্বন্ধে অনুসন্ধান করে দেখবেন কি সে গুলির স্থায়ীত্ব কতদিন ? তা না হলে যেখানে যায়গা পাওয়া যাবে সেখানে বনানী-করণ করলে বনানীকরনের নামে সরকারী টাকা ব্রহ্মপুত্রে জলে ভেসে যাবে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাটিৰ ষ্টেবিলিটি বঢ়াবৰ কাৰণে গছ ৰোৱা হৈছে। গছ-গছনি নোহোৱাৰ কাৰণে বানপানী হৈছে, গড়াখহনীয়া হৈছে।

Shri Animul Islam asked :

Will the Minister, Agriculture be pleased to state—

*125 Whether the Government will be pleased to make a request to the Jute Corporation of India to construct at-least one Jute Corporation of India Ware-house at any of the following places in Mankachar Constituency to facilitate storing of jute which is produced in large quantity in these areas :—

(i) Hatsingimari.
(ii) Tengaon.
(iii) Monjuri.
(iv) Chumrasali.

Shri Nilamani Das (Minister of Agriculture) replied—

State Government will request both Government of India as well as Jute Corporation of India to construct Warehouse in places where large quantities of Jute is

produced:

Shri Aminul Islam—Sir, my question was—whether the Government will be pleased to make a request to the Jute Corporation of India to construct at least one Jute Corporation of India Warehouse at any of the following places in Mankachar Constituency to facilitate storing of jute which is produced in large quantities in these areas? 1) Hatsingimari, 2) Tengaon, 3) Monjuri and 4) Chumrasali.

Shri Nilamani Das (Minister)—Sir, I have already stated that the State Government will request both Govt. of India as well as the Jute Corporation of India to construct Warehouse in places where large quantities of Jute is produced. The Hon'ble Member has mentioned 1) Hatsingimari, 2) Tengaon, 3) Monjuri 4) Chumrasali. These are the jute producing centres and from that point of view the State Government is agreeble to construct Warehouses in those places.

Shri Dewan Jaynal Abedin—Sir, will the Hon'ble Minister for Agriculture let us know whether he knows that South Salmara Mankachar Subdivision in the Southern Bank of Dhubri produces huge quantity of jute and whether he knows there is no J. C. I. departmental purchase centre at South Salmara where maximum quantity of Jute is produced and my third supplementary is whether he knows there is a proposal to construct a Warehouse at South Salmara?

Shri Nilamani Das (Minister)—Mr. Speaker, Sir, as

far as I know the districts of Dhubri, Goalpara, Barpeta, Kamrup and Nowgong are the Jute producing areas and these areas have been covered by J. C. I activities. I also know that in these districts the facilities are not adequate and perhaps South Salmara is one of such places in those districts. In the present type of godowns there is always inadequacies of warehouse facilities and even where go-downs are constructed these also leak. Regarding South Salmara godowns I have already answered one question earlier and in that question I have said that the Govt. is going to request the JCI for constructing one Ware-house in South Salmara and in this regard letters have already been written.

বিষয়—ছমৰীয়া সোনতলী ৰাষ্টাৰ মেৰামতি

শ্ৰীগোপী নাথ দাসে সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*১২৭। (ক) কামৰূপ জিলাৰ অন্তৰ্গত "ছমৰীয়া সোনতলী" ৰাষ্টাটোৰ মেৰামতিৰ প্ৰয়োজনীয়তাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে তেনেহলে উক্ত ৰাষ্টাটোত মটৰ গাড়ী চলাচল কৰিব পৰাকৈ পথ ও দলং সমূহ মেৰামতি সোনকালে কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে :

(ক)—হয়, জানে।

(খ)—এই সংক্ৰান্তত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

বিষয় : মঙ্গলদৈ পথ সংমণ্ডল

শ্ৰীজয় নাথ শৰ্মাই সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*১২৮। মঙ্গলদৈ পথ সংমণ্ডলত বান বিধ্বস্ত শিতানত ১৯৮২ চনৰ পৰা ১৯৮৫ চনলৈ কিমান টকা খৰচ কৰা হ'ল বিশদভাবে উপ-সংমণ্ডল আৰু

বছৰ ভিত্তিত জনাবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

১৯৮২ চনৰ পৰা ১৯৮৫ চনলৈ বান বিধ্বস্ত শিতানত মঙ্গলদৈ সংমণ্ডলত মুঠ খৰচ হয় ৯৩,৬৩,২১৪.৪৭ টকা। উপ-সংমণ্ডল আৰু বছৰ ভিত্তিত খৰচ কৰা ধনৰ পৰিমাণ এনেধৰণৰ :—

| বছৰ | উপ-সংমণ্ডল | খৰচ | মুঠ |
|---|---|---|---|
| ১৯৮২-৮৩ | টংলা (পথ) | ১,৪৩,৭৪৬.০০ | ৫,৭৬,১৪৮.০০ |
| | মঙ্গলদৈ (পথ) | ৪,৩২,৪০২.০০ | |
| ১৯৮৩-৮৪ | টংলা (পথ) | ১১,০২,৪৭৩.৪৭ | ১৫,০৬,০২৭.৪৭ |
| | মঙ্গলদৈ (পথ) | ৪,০৩,৫৫৪.০০ | |
| ১৯৮৪-৮৫ | মঙ্গলদৈ (পথ) | ১০,৮১,৭৪৮.০০ | ৩৫,৬৫,৩০৭.০০ |
| | টংলা (পথ) | ১২,১০,৬৮৫.০০ | |
| | দলগাওঁ (পথ) | ১২,৭২,৮৯৪.০০ | |
| ১৯৮৫-৮৬ | মঙ্গলদৈ (পথ) | ১১,৩৯,৬৯৪.০০ | ৩৭,১৫,৭৩২.০০ |
| | টংলা (পথ) | ৭,২২,৫৭৬.০০ | |
| | দলগাওঁ (পথ) | ১৮,৫৩,৪৬২.০০ | |

মুঠ ৯৩,৬৩,২১৪.৪৭ টকা

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ব্যক্তিগত ভাবে দৃষ্টিগোচৰ কৰিছিলো যে, ১৯৮২ চনৰ পৰা ১৯৮৫ চনলৈ আইনগত ভাবে প্ৰায় ৬০ লাখতকৈও অধিক টকা এই সংমণ্ডলত খৰচ কৰাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ? এই ৫৬ লাখ টকাৰ ভিতৰত বানপানী হোৱা ঠাইত খৰচ নকৰি আন ঠাইত খৰচ কৰাৰ অভিযোগ মন্ত্ৰী মহোদয়ে পাইছে নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্যই কৰা প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো যে, কথাটো জানো আৰু মন্ত্ৰী হোৱাৰ পিচত কথাটো গম পালো যে, ৬০ লাখ টকাৰো বেচি টকা খৰচ কৰা হৈছে। তাৰ পিচতেই কাৰ্য্যবাহী অভিযন্তাক বদলি কৰি তদন্ত কৰাৰ ব্যৱস্থা কৰিছো।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, ৬০ লাখ টকা খৰচ কৰাৰ কথাটো সহজ কথা নহয় আচলতে আজি এবছৰ হ'ল তদন্ত চলি থকা বুলি কৈছে।

এই তদন্ত সোনকালে শেষ কৰাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰত কৈছো যে, তেখেতে অতিৰিক্ত খৰচ কৰিছিল । মঙ্গলদৈৰ উক্ত অঞ্চলৰ বাবে ১৯৮৫-৮৬ চনত ২০ লাখ টকা বেচিকৈ খৰচ কৰিছে । এই টকা অন্যান্য বছেৰেকীয়া মেৰামতিৰ কাৰণে খৰচ কৰাৰ বাবে ৬০ লাখ হৈছে । এতিয়া ইয়াৰ তদন্ত চলাই থকা হৈছে আৰু পৰীক্ষা নকৰাকৈ নিশ্চিতভাবে একো কব পৰা নহয় ।

Shri B. K. Basumatari—Is the Government aware that out of this arrear money has been spent on flood damage repairs of roads and bridges which have destroyed in Udalguri constituency ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মই গম পাইছো যে, সেই অঞ্চলৰ ৰাষ্টাৰ অৱস্থা বেয়া । টকাও সেইমতে খৰচ হোৱা নাই আচলতে অসম গণ-পৰিষদ চৰকাৰে বিত্তীয় বছৰটো এই বছৰহে পাইছে, আগতে পোৱা নাই । পিচৰ অধিবেশনত সুধিলে ভাল হব ।

বিষয় ঃ মৈৰাবাৰীৰ পৰা মৰিগাওঁলৈ গড়কাপ্তানী পথ ।

শ্ৰীৰহীতুল্ল ইছলামে সুধিছে ঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*১২৯ (ক) মৈৰাবাৰীৰ পৰা মৰিগাওঁ মহকুমালৈ পথটো ক'লা পৃষ্ঠ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছেনে ?

(খ) উক্ত গড়কাপ্তানী পথটোত দলং বিলাক বৰ্ত্তমানে বৰ বেয়া অৱস্থাত আছে । সেই কথাটো চৰকাৰে জানে নে ?

(গ) যদি জানে উক্ত গড়কাপ্তানী ৰাষ্টাৰ দলংবোৰ ভাল কৰিবলৈ চৰকাৰে কি আঁচনি লৈছে জনাব নে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক)—লোৱা হৈছে ।

(খ)—দলং বিলাক বৰ্ত্তমান সময়ৰ আৱশ্যক অনুযায়ী সবল নোহোৱা কথা চৰকাৰে জানে ।

(গ)—আৱশ্যকীয় হ্ৰস্বকালীন ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীস্বহীতুল ইছলাম—মাননীয় অধ্যক্ষ মহোদয়, এজন মানুহে বোলে কামান বিচাৰি লাইচেন্সৰ বাবে দৰ্খাস্ত কৰিছিল। ডি, চিয়ে দিব নোৱাৰে বুলি কোৱাত বন্দুকৰ লাইচেন্স বিচাৰিছিল। মইও এটা ৰাষ্টা মেৰামতি কৰা বিচাৰিছিলো। তাৰ দলঙো বেয়া হৈ গৈছে, আজি এক সপ্তাহে গাড়ী-মটৰ নচলা হৈ আছে। এতিয়া ২ টকা ভাড়া দিয়া মানুহে ১০ টকা খৰচ কৰি অহা-যোৱা কৰিব লাগে। গতিকে মন্ত্ৰী মহোদয়ে গড়কাপ্তানী বিভাগৰ অভিযন্তাক ডব্লিউ টি মেচেজ দি এক সপ্তাহৰ ভিতৰত দলং মেৰামতিৰ ব্যৱস্থা কৰিব নে? কাৰণ গড়কাপ্তানী মন্ত্ৰী হোৱাৰ আগতেই আমি ভাবিছিলো যে ৰাষ্টা-ঘাট বিলাক সোনকালে ভাল হব বুলি। গতিকে তেখেতৰ পাৱাৰ কামত খটুৱাবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মৈৰাবাৰী আৰু মৰিগাঁৱত ৪ টা ৰাষ্টা আছে। এটা হলে বেলেগ কথা। এইটো ধেমালীৰ কথা নহয়। কিছুমান ৰাষ্টাৰ কাম মৈৰাবাৰীৰ পৰা হয় আৰু কিছুমানৰ কাম মৰিগাওঁৰ পৰা হয়। উক্ত ৪ টা ৰাষ্টাৰ কাম ঠায়ে ঠায়ে কৰা হৈছে। ইতিমধ্যে যি দলঙৰ কথা উঠিছে সেই দলং মেৰামতি কৰাৰ বাবে হ্ৰস্বকালীন ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে বুলি কব পাৰি। হ্ৰস্বকালীন ব্যৱস্থা লোৱা হব কিন্তু টকাৰ অভাৱৰ বাবে ব্লেক টপিং কৰা নহব। অসুবিধা আছে।

**Re : Eviction at Laokriguri Forest Village**

*130 Shri Binoy Kumar Basumatary asked—Will the Minister Forest be pleased to state—

(a) Whether eviction on 282 families was started at Laokriguri Forest village under Kuklung Manas range on 31st January, 1987 under N. K. Division, Rangiya?

(b) Whether it is true that majority of them are Scheduled Tribes, belonging to Bodo Tribe?

(c) Whether the Government is aware that the old widow named Mushrima Rongding Mochahary, whose husband

was killed by Nagas in January, 1979 (Late Laider) was also made absolute-destitute during this eviction operation ?

(d) Is it also true that among others Shri Satish Barman and his wife Putuli Barman was severely beaten and their two month old baby was dashed to the ground by the Forest Staff during the eviction operation ?

(e) If so, who was the responsible officer under whose Supervision this eviction was carried out ?

(f) Whether the evictions continued on 2nd, 3rd and 4th February, 1987 as proposed ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) মানাহ বনাঞ্চলিক কাৰ্য্যালয় কুকলুভৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চল এলেকাত লক্ৰীগুৰি বনগাওঁ বুলি কোনো বনগাওঁ নাই। সেয়েহে তাত ৩১-১-৮৭ তাৰিখে উচ্ছেদ কাৰ্য্য সম্পন্ন হোৱাৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

Shri B. K. Basumatari—Is the Hon'ble Minister aware that this Loakriguri is also known as Kharaisahari under Batabari Bear No. 1 which falls under Manas Forest Reserve ? Will the Minister deny this ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বাতাবাৰী বিতত কোনো বনগাওঁ নাই।

Shri Charan Narzary—Here are the evidences. Here are some photographs which bear the evidences of ruthless eviction of some 30 families at Khoratisali under Batabari Beat of N. K. Division. Hon'ble Forest Minister has denied all the questions, I have my pointed question as to whether

the Government is aware of the fact that the said plot of land was a part of revenue area prior to 1962, which remained unoccupied. In course of time jungles grew up there and the predecessor of the present Range Officer one Mr. Afdar Ali, harboured about 50 Muslim families and allowed them to settle there and the local people were surprised as to how the plot of land was occupied by those peoples. The local people, landless tribals could have occupied the land much earlier, but they did not. When these 50 Muslim families unknown to the local people have been harboured there and allowed to settle down, some local tribal people from the nearby villages occupied the remaining vacant portion of the land. On 31st January the present Range Officer Mr. Afdar Ali, I do not know whether it was under the direction of the higher officer, carried out eviction by burning houses, destroying crops like wheat, mustard etc. and the people were rendered homeles, shelterless. Now whether the Government is aware of this fact.

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩১/১/৮৭ তাৰিখে মানাহ বনাঞ্চল আৰু বাতাবাৰী উপখণ্ড বনাঞ্চলৰ বন কৰ্মীয়ে পহৰাৰ বাবে তহল দিবলৈ যাওঁতে ১৯৮৫-৮৬ পুলি বাগানৰ ভিতৰত নতুনকৈ সজা ১৫ টা জুপুৰি দেখিবলৈ পায়। এই পুলি বাগান ফুকুলুং সংৰক্ষিত বনৰ ১ নং কম্পাৰ্টমেণ্টৰ অন্তৰ্গত। এই জুপুৰীবোৰত কোনো মানুহে বাস কৰি থকা নাছিল। বনকৰ্মী সকলে জুপুৰীবোৰ ভাঙি পেলায় যাতে পুলি বাগানৰ অধিক অনিষ্ট হব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১/২/৮৭ তাৰিখে শ্ৰীযুত বিনয় খুংগুৰ বসুমতাৰী এম, এল, এ মহোদয় তাত গৈ চৰজমিন তদন্ত কৰে লগতে বেদখলকাৰী সকলক পুনৰ ঘৰ সাজিবলৈ উচতনি দিয়ে। তাৰ পিচদিনা খন

অৰ্থাৎ ২/২/৮৭ তাৰিখে অতিৰিক্ত আয়ুক্ত কোকোৰাঝাৰৰ লগত শ্ৰীচৰণ নাৰ্জাৰী শ্ৰীবসুমতাৰী আৰু শ্ৰীগণেশ বড়ো উক্ত স্থানত উপস্থিত হয়। তেওঁলোক বাতাবাৰীৰ উপখণ্ডৰ বন বিষয়া শ্ৰীউদ্ধৱৰ বন্দ্য বন পালকক প্ৰশ্ন কৰি ব্যাক্তিব্যস্ত কৰে আৰু বেদখল মুক্ত অঞ্চল ভ্ৰমন কৰে। বিধায়ক মহোদয়, সকলে লগত যোৱা বেদখলকাৰী সকলক পুনৰ জুপুৰী সাজিবলৈ আৱন্টন দিয়ে। গতিকে ২ ফেব্ৰুৱাৰীত কোনো উচ্ছেদ কাৰ্য্য চলা নাছিল। আন এটি উল্লখনীয় দিশ হ'ল এই যে যিহেতুকে জুপুৰীত কোনো মানুহ নাছিল। এই জুপুৰীবোৰৰ মানুহখিনি জনজাতীয় নে আন মানুহ জনা নগ'ল। সেয়েহে প্ৰশ্নত উল্লেখ কৰা বামদিং মুচাহাৰী আৰু শ্ৰীসতীশ বৰ্মন আৰু তেওঁৰ পৰিবাৰক অত্যাচাৰ কৰা প্ৰশ্ন নুঠে।

আগতে তাত কোনো মানুহ নাছিল। কিন্তু জানুৱাৰী মাহত কিছুমান মানুহ তাত ১৫ টা জুপুৰী গৈ বান্ধিছে। আমাৰ বন কৰ্মীয়ে গৈ ভাঙি পেলায়। আমাৰ তিনিজন কৰ্মীয়ে উচতনি দিয়ে।

Shri Surendra Nath Medhi ( Minister, Law )--Sir, there should be a clarification whether he is making a statement or raising a debate. He cannot argue like this. During question, there cannot be so much of debate. It is very clear in Rule 37.

Mr. Speaker—He is narrating the facts. Now put your question.

Shri Charan Narzary--It was not a fresh encroachment. I want to know from the Hon'ble Minister whether the Government is aware of the fact that in course of eviction those 50 families earlier harboured and allowed to settle down there by Mr. Kuddus Ali, the then Range officer were not affected and only the tribals had been evicted. Whether the Govt is aware of the fact that the said land was occupied by the 50 Muslim families under instruc-

tion of Mr. Kuddus Ali and they were deliberately left out. Will this Government give a clear answer to this supplementary?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই ১৫টা জুপুৰী ঘৰ যি সকলে বান্ধিছিল তেওঁলোকে এই মাটি পাব লগীয়া হয়নে নহয় সেইটো চৰকাৰে বিচাৰ কৰিব। সেইটো পি, টি, চি হলেই যে মাটি পাব লগীয়া অধিকাৰ আছে, তেওঁলোকে চৰকাৰৰ ওচৰত আহি ওজৰ আপত্তি দিব লাগিছিল আমি চৰকাৰে তাৰ সিদ্ধান্ত দিম। চৰকাৰৰ আইন কানুন আছে, সংবিধান আছে, পাবলগীয়া হয়নে নহয় চৰকাৰে সিদ্ধান্ত দিব।

বিষয়ঃ বাঘমাৰী কৃষি বীজ পাম।

শ্ৰীপদ্মনাথ কৈবৰ্ত্তীয়ে সুধিছেঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

*১৩১। (ক) বিশ্বনাথ মহকুমাৰ বাঘমাৰী কৃষি বীজ পামখন কেতিয়া স্থাপন কৰা হৈছিল?

(খ) তাত ১৯৮৬ চনলৈ স্থাপন কৰা দিনৰ পৰা কিমানজন শ্ৰমিকে কাম কৰিছিল?

(গ) উক্ত শ্ৰমিক সকলে কেতিয়াৰ পৰা মজুৰী পোৱা নাই?

শ্ৰীনীলমণি দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক)—বাঘমাৰী পামখন ১৯৪৮-৪৯ চনত স্থাপন কৰা হৈছিল।

(খ)—শেহতীয়া তথ্য অনুযায়ী বাঘমাৰী কৃষি পামখনত ৩১৪ জন শ্ৰমিকে কাম কৰিছিল। এই পামখন ১৯৬৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ১৯৮৬ চনৰ এপ্ৰিল মাহৰ ২৬।৪।৮৬ ইং তাৰিখলৈকে বীজ নিগমৰ তত্বাৱধানত আছিল।

(গ)—১৯৮৬ চনৰ এপ্ৰিল মাহলৈকে এই ৩১৪ জন শ্ৰমিকৰ মজুৰী আদায় দিয়া হৈছিল। গতিকে মজুৰী নোপোৱাৰ প্ৰশ্ন নুঠে।

শ্ৰীপদ্মনাথ কৈবৰ্ত্ত—মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক শ্ৰমিকে তাত কাম কৰিছিল তেওঁলোকে মজুৰী পোৱা নাই বুলি বাৰে বাৰে দৰখাস্ত কৰি আছে। কিছুমান পৰিসংখ্যা পোৱা নাই বুলি বাৰে বাৰে দৰখাস্ত কৰি

আছে। তাৰ পিছত বিশ্বনাথ চাৰিআলি মহকুমাধিপতিয়ে পৰিসংখ্যা পোৱা নাই বুলি কোৱাত আমি কৃষি বিশ্ববিদ্যালয়ত তেওঁলোকক মাষ্টাৰ বোলত দিবৰ কাৰণে অনুৰোধ কৰিছিলো। আৰু মন্ত্ৰী মহোদয়ে দিম বুলি কৈছিল। কিন্তু আজিকোপতি কোনো ধৰণৰ সংস্থাপন তেওঁলোকক দিয়া হোৱা নাই। সেই গতিকে মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰে।

শ্ৰীনীলমণি দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিক সকলৰ বিষয়ে আগতে মোক দৃষ্টিগোচৰ কৰা নাছিল। আচলতে আজিহে দৃষ্টিগোচৰ কৰিছে। এই ক্ষেত্ৰত ব্যক্তিগত ভাৱে চকু দিম বুলি প্ৰতিশ্ৰুতি দিছো।

বিষয়—বীজ ক্ৰয়

শ্ৰীগোলোক ৰাজবংশী য়ে সুধিছে—

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

*১৩২। (ক) ১৯৮৬-৮৭ চনৰ ভিতৰত কিমান পৰিমাণৰ বিভিন্ন ধৰণৰ বীজ এই বিভাগটোৱে ক্ৰয় কৰিছে ?

(খ) এই বীজ বিলাক কোন ঠাইৰ পৰা আৰু কাৰ জৰিয়তে ক্ৰয় কৰা হৈছে ?

শ্ৰীনীলমণি দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৬-৮৭ চনৰ ভিতৰত কৃষি বিভাগে বীজ নিগমৰ পৰা নিম্নোক্ত বীজ সমূহ ক্ৰয় কৰিছিল।

| | | |
|---|---|---|
| আলু— | ৩১,৬৪১·৭৫ | কুইণ্টল। |
| সৰিয়হ— | ১২,৭৯৪·৭৫ | " |
| মটৰমাহ— | ৪০,২২৬·৮০ | " |
| ঘেহু— | ১৯,০৩২·২০ | " |
| মছুৰমাহ— | ৮৩১·১০ | " |
| মগুমাহ— | ৪৩০·৮৭ | " |
| মাটিমাহ— | ৬৯·৯০ | " |
| টিচি— | ৫০১·৫০ | " |
| মচুৰীধান— | ৪,০৯৮·০০ | " |
| অধিক উৎপাদনশীল প্ৰমানিত বীজ ধান— | ৫১,০৩৩·৩০ | " |

| | | |
|---|---|---|
| মৰাপাট— | ১৬৬.৬০ | কুইন্টল। |
| মেষ্টাপাত— | ১.৮০ | ” |

গ্ৰীষ্ম বতৰৰ শাকৰ গুটি

| | | |
|---|---|---|
| ভেন্দি— | ১৭.০৫ | কুইন্টল। |
| দাঠা— | ১.৮৪ | ” |
| ভোল— | ০.৩০ | ” |
| অমিতা— | ১.১৪ | ” |
| লেচেৰামাহ— | ৪.০৮ | ” |
| জিকা— | ২.৫৭ | ” |
| টীয়হ— | ১.৮৫ | ” |
| তিতাকেৰেলা— | ০.৩৭ | ” |
| তৰমুজ— | ০.৩৬ | ” |
| ৰঙালাউ— | ০.৬০ | ” |
| ফ্ৰেঞ্চবীন— | ১.৭৭ | ” |
| ধনীয়া— | ৯২.৯০ | ” |
| পিয়াজৰ গুটি | ১০৫.২৩ | ” |
| নহৰুৰ কোহ— | ৩৩৭.৯২ | ” |

শীত কালীন শাক পাচলীৰ বীজ— ১,১৩,৬৯৭ পেকেট।

(খ) অসম চৰকাৰে এই বীজ বিলাক অসম বীজ নিগমৰ পৰা কিনিছিল।

শ্ৰীগোলোক ৰাজবংশী— মাননীয় অধ্যক্ষ মহোদয়, সকলোবিলাক বীজ অৱশ্যে প্ৰমানিত নাপায় সেইটো মই মানি লও। কিন্তু যিখিনি প্ৰমানিত বীজ যেনে ধেঁহু, ক'ৰ পৰা কিনা হয়?

শ্ৰীনীলমণি দাস (কৃষিমন্ত্ৰী)—ধেঁহু বা কিছুমান প্ৰমাণিত বীজ আপোনালোকে জানে অসমত উৎপাদন নহয়। সাধাৰণতে ঘেহু উৎপাদন হয় উত্তৰ প্ৰদেশত। গতিকে উত্তৰ প্ৰদেশৰ যি বীজ নিগম তেওঁলোকৰ পৰা ক্ৰয় কৰা হয়। তেওঁলোকৰ অসমত থকা বিভিন্ন এজেণ্টৰ পৰা আমাৰ নিগমে আৰু ষ্টেটফেদে। উত্তৰ প্ৰদেশৰ ওপৰিও হাৰিয়ানাৰ বীজ নিগমৰ পৰাও কিছু বীজ লোৱা হৈছে।

শ্ৰীগোলোক ৰাজবংশী—হাৰিয়ানাৰ বীজ বিলাক বেমাৰী বুলি প্ৰমানিত হোৱাত তেওঁলোকৰ বীজ লবলৈ ৰিফিউজ কৰা হৈছিল। গতিকে পুনৰ তেওঁলোকৰ পৰা ক্ৰয় কৰা হৈছে নেকি ?

শ্ৰীনীলমণি দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মোৰ যদি ভুল হোৱা নাই বোধকৰো হাৰিয়ানাৰ বীজ বেমাৰী নহয়, পঞ্জাবৰ বীজতহে দুই এটা তেনে কেচ হৈছিল। গতিকে পঞ্জাবৰ বীজ ক্ৰয় কৰা বন্ধ কৰা হৈছে, তেওঁলোকৰ বীজ ক্ৰয় কৰা নাই।

শ্ৰীগোলোক ৰাজবংশী—প্ৰমাণিত বীজৰ বাহিৰে যেনে ৰঙালাউ ইত্যাদি মুকলি বজাৰৰ দামতকৈ বেছি দামত কিনা হৈছিল নেকি ?

শ্ৰীনীলমণি দাস ( মন্ত্ৰী )—প্ৰমাণিত বীজ তেখেতে কি বুজাইছে নাজানো কিন্তু প্ৰমাণিত বীজ বুলিলে আই এচ আই মাৰ্ক থাকিব লাগিব। গতিকে আই এচ আই মাৰ্ক থকা বস্তু বিক্ৰী কৰিবলৈ বিভিন্ন প্ৰতিষ্ঠান বিলাকৰ লগত প্ৰাইচলিষ্ট আছে আৰু সেই প্ৰাইচ লিষ্টমতে কিনা হৈছিল। মই মঙ্গলবৰীয়া বুধবৰীয়া বজাৰত গৈ দাম কম আছিল নে বেছি আছিল তুলা চালনীৰে জুখি চোৱা নাই।

শ্ৰীআলটাফ হুচেইন মজুমদাৰ—মন্ত্ৰী মহোদয়ে আলু কিনিছিল বুলি কৈছে। ৭.৫০ পইছাতে আলু কিনিছিল নে কিমান দামত আলু কিনিছিল ?

শ্ৰীনীলমণি দাস—আলু সম্পৰ্কে যিমানখিনি তথ্য লাগে তাতকৈ বহুত বেছি তথ্য সহকাৰে ইয়াত উত্তৰ দিয়া হৈছে, একে দামতে কিনা হৈছিল, বেছি বাক বিতণ্ডা কৰি লাভ নাই।

শ্ৰীআলটাফ হুচেইন মজুমদাৰ—কিমান দামত কিনা হৈছিল ?

শ্ৰীনীলমণি দাস ( মন্ত্ৰী )—একে দামতে কিনা হৈছিল।

### বিষয় - কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* ১৩৩। (ক) ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত পৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কালি প্ৰতি বছৰে গড়ে ২৫ বৰ্গ কিঃ মিঃ ৰ কৈ হেৰোৱাৰ লগীয়া হোৱাৰ

বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে খহনীয়া প্ৰতিৰোধৰ আঁচনি লোৱা কিয় হোৱা নাই আৰু কেতিয়ালৈ ইয়াৰ যথাযথ ব্যৱস্থা লোৱা হ'ব ?

(গ) কাৰ্বিআংলং জিলাৰ অন্তৰ্গত অংশটো ৰাষ্ট্ৰীয় উদ্যানলৈ হস্তান্তৰ কি কাৰণত কাৰ্য্যকৰী হোৱা নাই ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) হয়। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কিছু অংশ মাটি ব্ৰহ্মপুত্ৰ নদীৰ গৰ্ভত লীন হয়।

(খ) অসম চৰকাৰৰ মথাউৰি আৰু নলা বিভাগে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে মৰিয়হোলাৰ ওচৰত ব্যৱস্থা লৈছে। উক্ত ব্যৱস্থাৰ দ্বাৰাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ খহনীয়া ৰোধ কৰাত সহায় হৈছে।

(গ) কাৰ্বিআংলং জিলাৰ অংশটো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ হস্তান্তৰৰ বাবে তাত বসবাস কৰি থকা লোক সকলক উচ্ছেদৰ ক্ষতিপূৰণৰ বাবে কাৰ্বি-আংলং জিলা পৰিষদলৈ ৪,৭১,০০০ টকা দিয়া হৈছিল। কিন্তু উচ্ছেদ কাৰ্য্য সম্পন্ন হোৱা নাই আৰু বিষয়টো আলোচনাৰ যোগে মীমাংসাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী—মন্ত্ৰী মহোদয়ে কৈছে যে মৰিয়াহোলাত বান প্ৰতি-ৰোধৰ ব্যৱস্থা লোৱা হৈছে। কিন্তু আমি জনাত মৰিয়হালোত তেনে কোনো ব্যৱস্থা লোৱা নাই যাৰ ফলত ৰাষ্ট্ৰীয় উদ্যানখন দিনক দিনে লীন হৈ যাব ধৰিছে। গতিকে অতি সোনকালে বন বিভাগৰ তৰফৰ পৰা কিবা আঁচনি লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী )—মই বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াৰ লগতো এই বিষয়ে আলোচনা কৰিছো তেখেতে কৈছে যে মৰিয়াহোলা প্ৰতিৰোধৰ কাম সোনকালেই আৰম্ভ হব। বান নিয়ন্ত্ৰণ বিভাগে যেতিয়া কাম আৰম্ভ কৰিবই গতিকে বন বিভাগে সুকীয়া আঁচনি লোৱাৰ প্ৰশ্ন নুঠে।

শ্ৰীবলোভদ্ৰ তামুলী—কাৰ্বিআংলং জিলা পৰিষদলৈ বহুতদিন আগতেই টকা দিয়া হ'ল বুলি মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু সেই অঞ্চলত বাহ, কাঠ এতিয়াও অবাধে কাটি আছে। গতিকে বন বিভাগে সেই অঞ্চলত বাহ বন

কটাৰ সোনকালে বন্ধ কৰিব নে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন মন্ত্ৰী )—কাৰ্বিআংলং জিলা পৰিষদক ৪ লাখ ৭১ হাজাৰ টকা কেতিয়াবাই দিয়া হৈছিল কিন্তু এতিয়ালৈকে তেওঁলোকে মাটি হস্তান্তৰ কৰা নাই । জিলা পৰিষদ যিহেতু স্বকীয়া অনুষ্ঠান আমি তেওঁলোকৰ লগত সম্পৰ্ক ৰেয়া কৰিব নিবিচাৰো । আলাপ আলোচনাৰ মাজেদি মাটি হস্তান্তৰ কৰাৰ চেষ্টা কৰি থকা হৈছে ।

শ্ৰীকুল ব'হাদুৰ ছেত্ৰী—কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন দ ঠাইত হোৱাৰ কাৰণে বানপানীৰ সময়ত জীৱ-জন্তু বিলাক পানীত পৰি মৰে । গতিকে বানপানীৰ সময়ত জীৱ-জন্তু বিলাকে আশ্ৰয় লব পৰাকৈ ৰাষ্ট্ৰীয় উদ্যানৰ মাজত ওখ ভেটি কৰাৰ কিবা আঁচনি লৈছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন মন্ত্ৰী )—কাৰ্বিআলংৰ যিখিনি মাটিৰ কথা আলোচনা কৰা হৈছে সেইখিনি ঠাইতে সাধাৰণতে বানপানীৰ সময়ত বন্যপ্ৰাণী বিলাকে আশ্ৰয় লয় । সেই মাটিখিনিত যিখিনি বেদখলকাৰী আছে তেওঁলোকৰ আন্য ঠাইত সংস্থাপনৰ কাৰণেই ৩ বছৰ আগতে এই ৪ লাখ ৭১ হাজাৰ টকা দিয়া হৈছিল । এইখিনি মাটি হস্তান্তৰ কৰিলেই বাৰিষা জীৱ-জন্তুয়ে ইয়াত আশ্ৰয় লব পাৰিব । গতিকে আমি আলোচনাৰ মাজেদি সোনকালে মাটিখিনি হস্তান্তৰ কৰাৰ ব্যৱস্থা লম ।

বিষয় ঃ সৰাভোগৰ চীদ ফাৰ্ম

শ্ৰীহেমেন দাসে সুধিছে ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* ১৩৪ (ক) সৰভোগ চীদ ফাৰ্মৰ কিমান মাটিত খেৰ আছিল ?

(খ) ১৯৮৬ চনত খেৰ বিক্ৰী কৰি কিমান টকা পোৱা হৈছে ?

(গ) চীদ ফাৰ্মত খেৰ উৎপাদন কৰাৰ কাৰণ কি ?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে—

(ক) সৰভোগ বীজ পামত খেৰৰ খেতি কৰা হোৱা নাছিল । অৱশ্যে খেতি নকৰা অংশত কোনো ঠাইত ছেগাছোৰোকাকৈ উলুবন গজিছিল ।

(খ) ১৯৮৬ চনত ৩০০ টকা পোৱা হৈছিল ।

(গ) বীজ পামত খেৰ উৎপাদন কৰাৰ আঁচনি নাই

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, ভাল পাইছো আঁচনি নাই, খেতি কৰা নাই কিন্তু চৰকাৰে খেৰ বিক্ৰী কৰি ৩০০ টকা পাইছে। বীজ নিগমৰ ফাৰ্ম সেইখন তাত বীজ উৎপাদনৰ যতন কৰিব লাগে। তাত খেৰ সংৰক্ষিত বন্ধ কৰিবলৈ মন্ত্ৰী মহোদয় দৃষ্টি দিব নে?

শ্ৰীনীলমণি দাস (কৃষি মন্ত্ৰী)—খেৰৰ খেতি আমি কৰা নাই কিন্তু অন্য খেতি নকৰা কাৰণে খেৰ বিলাক নিজেই গজে। গতিকে তাত যাতে বীজ উৎপাদন হয় মন্ত্ৰী হিচাবে তাত গুৰুত্ব আৰোপ কৰিম।

শ্ৰীহেমেন দাস—এই ফাৰ্মখন খোলা ২০ বছৰৰো বেছি হ'ল, একেবাৰে ৰাষ্ট্ৰীয় পথৰ কাষতে। মই বাৰে বাৰে কৈ আছো তাত খেতি কৰিব লাগে আৰু খেতি নকৰে কাৰণেই খেৰ হয়, খেৰত কষ্ট নহয় নিজে গজে। গতিকে এই বিলাক বন্ধ কৰিব লাগে।

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ইতিমধ্যে তেনেকুৱা ব্যৱস্থা লোৱা হৈছে।

## বিষয়ঃ ৰেলৱে ক্ৰচিঙত অভাৰব্ৰীজ নিৰ্মাণ

শ্ৰীজগত হাজৰিকাই সুধিছেঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

*১৩৫ (ক) লক্ষীমপুৰ নগৰৰ পৰা লীলাবাৰী বিমান ঘাটি আৰু অসামৰিক চিকিৎসালয়লৈ যোৱা পথটোৰ ৰেলৰে ক্ৰচিংত এখনি অভাৰ ব্ৰীজ দিয়াৰ বাবে ইতিপূৰ্বে সদনত জনোৱা হৈছিল যদিও কাৰ্য্যকৰী ব্যৱস্থা নহ'ল?

(খ) বৰ্ত্তমান বিত্তীয় বছৰত ৰাজহুৱা স্বাৰ্থৰ দাবীত ইয়াক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হাতত লবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) ১৯৮৬ চনৰ বাজেট অধিবেশনত এই প্ৰশ্নটো উত্থাপন হৈছিল যদিও উক্ত স্থানত কাৰিকৰী দিশৰ পৰা অসুবিধা হেতুকে অভাৰব্ৰীজ দিয়াৰ ব্যৱস্থা লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

Starred Question No. 136 was not called for.

## Re : Bridge over Barkhabil.

Shri Amritlal Basumatary asked :

Will the Minister, P.W.D. be pleased to state:

(a) When the construction of bridge over Barkhabil on the Tulahibil Rimij..imi P.W.D. Road was started ?

(b) Whether Government propose to complete the bridge within this year ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) ১৯৮৩-৮৪ চনত।

(খ) চলিত বছৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা নাই।

শ্ৰীঅমৃতলাল বসুমতাৰী—মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো আগতেও এই কথাটো সোধা হৈছিল যে এই দলংখন কেতিয়া সম্পূৰ্ণ কৰিব পৰা হব? ইয়াৰ এটা আশ্বাস দিলে ভাল হয়।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আচলতে সেই সময়ৰ পশ্চিম কোকৰাঝাৰৰ বিধায়কজনে এই ৰাস্তাটো এম, এন, পিত লৈছিল। লগতে ৰাস্তাটোৰ কাৰণে একলাখ টকা ধৰিছিল। এই টকাৰেই দলংখন কৰিবলৈ লোৱা হৈছিল। অৱশ্যে বছৰি এটাকৈ স্পাৰ কৰাৰ কাৰণেহে তেওঁ পৰামৰ্শ দিছিল। অৱশ্যে ইয়াত কিবা ৰাজনৈতিক কুট কৌশলো থাকিব পাৰে কাৰণ তেতিয়াহে বাইজে দেখিব যে কাম হৈ আছে। এতিয়া ৩৭.৭০ মিটাৰ হে এই দলংৰ কাম হৈছে। আৰু কাম বাকী আছে। কিন্তু ১৯৮৬-৮৭ চনত এতিয়াৰ বিধায়কজনে এম, এন, পিত টকা নধৰিলে এই ৰাস্তাটোৰ দলংখনৰ কাৰণে। এইটো এম, এন, পিৰ ভিতৰত আছিল।

শ্ৰীচৰণ নাৰ্জাৰী—মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ যিখন দলং সেইখন জেনেৰেল প্লেনৰ স্কীমত পৰেনে টী, এচ, পিত পৰে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মোৰ ধাৰণা মতে জেনেৰেল প্লেনত পৰে। অৱশ্যে টি, এচ, পিৰো কিবা খেলিমেলি থাকিব পাৰে। এতিয়া মোৰ কথা হ'ল ইতিমধ্যেই এম, এন, পিত ৪ লাখ ৯০ হাজাৰ টকা বিধায়কজনে নিজৰ দিহা মতে খৰছ কৰালেই।

শ্ৰীচৰণ নাৰ্জাৰী—অধ্যক্ষ মহোদয়, মোৰ বোধেৰে পশ্চিম কোকৰাঝাৰ সন্নিবিষ্ট টি, এচ, পিত পৰে, এইটো ভেৰিফাই কৰিব নেকি?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো মই [illegible]

টী. এচ, পিত পৰে।

Shri Charan Narzary—So far as we know that area concerned does not fall within the TSP area.

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) - অধ্যক্ষ মহোদয়. সেই সময়ৰ পশ্চিম কোকৰাঝাৰ সমষ্টিৰ বিধায়কজনে কামটো কৰিলে। সেই সময়ৰ বিধায়কজন কংগ্ৰেছৰ আছিল বোধহয়।

Shri Charan Narzary—So Sir, is it not a clear case of diversion of money under TSP to the general areas?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী )—অধ্যক্ষ মহোদয়, পশ্চিম কোকৰাঝাৰ সমষ্টিটো ৰিজাৰ্ভ সমষ্টি।

Shri Charan Narzary—That is right. It is a reserved Constituency. But it does not mean that all the areas within a reserved Constituency are TSP areas.

শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো জেনেৰেল এৰিয়াত পৰে। গতিকে দোষটো আগৰ বিধায়কৰ গাত পৰিব। কাৰণ ইতিমধ্যে বিধায়কজনে এই কামটো কৰিয়েই পেলালে। আধাখিনি কাম হৈয়ে গ'ল আৰু আধাহে বাকী আছে। কিন্তু এতিয়াৰ বিধায়কজনে ইয়াত টকা নধৰিলে, এতিয়া মই কি কৰিম ?

শ্ৰীচৰণ নাৰ্জাৰী—অধ্যক্ষ মহোদয়, বাকী থকা কামখিনি কৰিবৰ কাৰণে টকাখিনি টী. এচ. পিৰ পৰা দিয়া হবনে জেনেৰেল ফাণ্ডৰ পৰা দিয়া হ'ব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী )—অধ্যক্ষ মহোদয়. টী, এচ, পিৰ পৰা এইখিনি দিয়া হব।

## UNDISPOSED STARRED QUESTIONS

( To which oral answers were not called for want of time. However, written answers deemed to have been laid on the Table as follows. )

বিষয়—বুঢ়ি দিহিং নৈৰ দলং

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ ) য়ে সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

*১৩৮। (ক) চাচঁনী মৌজাৰ অন্তৰ্গত 'তিকিৰাবালি ঘাটত' বুঢ়ী দিহিং নৈৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া দলঙৰ কাম কেনে পৰ্য্যায়ত আছে জনাবনে ?

(খ) দলং নিৰ্মাণৰ কাৰণে ইতিমধ্যে জৰীপ কাৰ্য্য সমাধা কৰা সঁচানে ?

(গ) যদি সঁচা তেন্তে জৰীপৰ যোগেদি পোৱা কোনটো ঘাটক দলং নিৰ্মাণৰ বাবে উপযোগী বুলি বিবেচনা কৰিছে জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক পৰ্য্যায়ত আছে ।

(খ) প্ৰাথমিকভাৱে চোৱাচিতা কৰাৰ বাহিৰে জৰীপ কাৰ্য্য সমাধা কৰা সঁচা নহয় ।

(গ) প্ৰশ্ন নুঠে ।

## Re : Rainfall in Darrang District

Shri Abdul Jabbar asked :

Will the Minister Agriculture be pleased to state—

*139 (a) The average rainfall in the month of July and August 1986 in the district vis-a-vis Dalgaon Legislative Assembly Constituency?

Shri Nilamani Das ( Agriculture ) replied :

| | | | |
|---|---|---|---|
| (a) July | 1986 | —210.5mm | 163.1mm. |
| August | 1986 | —243.1mm. | 246.4mm. |

বি ঃ ভেলোগুৰি বীজ পাম

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

মাননীয় বন বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে—

*১৪০ (ক) দৈয়াং বনাঞ্চলৰ মেৰাপানীৰ ভেলোগুৰি Seed Farm খন কোন চনত নগাবাজ্যক দিয়া হৈছিল আৰু কি ভিত্তিত দিয়া হৈছিল ?

(খ) চৰকাৰে এই Seed Farm খন নিজৰ অধিনলৈ আনিবলৈ চিন্তা কৰিছে নেকি ?

(গ) এই Seed Farmত কিমান পৰিমানৰ মাটি আছে ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) অসম আৰু নগালেণ্ড ৰাজ্যৰ মাজত বিবাদমান অঞ্চলৰ বাবে হোৱা ১৯৭২ চনৰ মধ্যকালীন চুক্তিৰ আগে আগে নগালেণ্ড চৰকাৰে অসমৰ দৈয়াং সংৰক্ষিত বনাঞ্চলত বেদখল কৰি এই বীজ পাম স্থাপন কৰে। ইয়াৰ কাৰণে অসম চৰকাৰে কোনো অনুমতি দিয়া নাই।

(খ) দৈয়াং সংৰক্ষিত বনাঞ্চল মধ্যকালীন চুক্তিৰ অন্তৰ্গত। সেয়ে মধ্যকালীন চুক্তিৰ আগতে স্থাপন কৰা বীজ পাম আৰু আন বেদখলকাৰী সকলক বৰ্ত্তমানে উচ্ছেদ কৰিব পৰা নহব।

(গ) অনুমানিক ৪০০ (চাৰিশ) হেক্টৰ মাটি আছে।

বিষয়ঃ পকা ৰাস্তাৰ পৰিমাণ

শ্ৰীফণী ৰাম টায়েডে সুধিছে:

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

১৮৩। (ক) অসমত পকী ৰাস্তাৰ পৰিমাণ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শতকৰা কিমান ভাগ কম ?

(খ) যদি ৰাষ্ট্ৰীয় হাৰতকৈ কম তেনেহলে কিমান বছৰৰ ভিতৰত পথবোৰ ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ উন্নীত কৰাৰ ব্যৱস্থা লৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) বিভাগৰ হাতত থকা তথ্য অনুসাৰে ১৯৮১ চনলৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ত পকী ৰাস্তাৰ পৰিমাণ শতকৰা ৪৬ ভাগ আছিল। ইয়াৰ পিছৰ হিচাব যদিও বিভাগৰ হাতত নাই বৰ্ত্তমান ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পকীকৰণ শতকৰা অনুমানিক ৫০ ভাগ হব। এই হিচাব মতে অসমৰ পকী ৰাস্তাৰ পৰিমাণ ৰাষ্ট্ৰীয় পৰ্য্যায়তকৈ শতকৰা ২৫ ভাগ কম।

(খ) ৰাস্তা পকীকৰণৰ ব্যৱস্থা পঞ্চবাৰ্ষিক পৰিকল্পনাত মঞ্জুৰী কৰা ধনৰ ওপৰত নিৰ্ভৰ কৰে। নতুন শিলগুটি দিয়া পথ সজা আৰু পকী কৰণৰ আঁচনি বৰ্ত্তমান পদ্ধতিত চলি থাকিলে কোনোদিনেই অসমে পকী ৰাস্তাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ উঠিব নোৱাৰিব।

Re : **Payment of Insurance Money**

Shri Monilal Gowala asked :

Will the Minister, Labour be pleased to State :—

*184. (a) Whether Government is aware of the non-payment of Insurance money by some gardens even after its maturity ?

(b) If so, by when all the payments of Insurances money be made ?

Shri Barki Prasad Telenga (Minister of Labour) replied :

(a) It is not known to the Government.

(b) Does not arise in view of reply to (a) above.

বিষয় ঃ নির্ম্মাণ শিল্পের শ্রমিক।

শ্রীরামেন্দ্র দেই সুধিছে :

মাননীয় শ্রম বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:—

১৮৫। দক্ষ ও অদক্ষ নির্মাণ শ্রমিকের চরকার নির্ধারিত দৈনিক মজুরী কত আরু এ সম্পর্কে রাজ্য সরকার কোন নীতি গ্রহণ করেছেন কি ?

শ্রীবার্কী প্রসাদ তেলেঙ্গা ( শ্রম মন্ত্রী য়ে উত্তৰ দিছে—

নির্মান শ্রমিকৰ মজুৰী ৯ জানুৱাৰী, ১৯৮৭ত এখন অধিসূচনাৰ জৰিয়তে চৰকাৰে পুনঃ নির্দ্ধাৰিত কৰিছে। এই অধিসূচনাত দক্ষ কৰ্মীৰ বাবে দৈনিক ১৯ টকা আৰু অদক্ষ কৰ্মীৰ বাবে দৈনিক ১৭ টকা নির্দ্ধাৰিত কৰিছে।

মজুৰী পুনঃ নির্দ্ধাৰণৰ ক্ষেত্রত চৰকাৰে নিম্নতম মজুৰী উপদেষ্টা ৰোৰ্ডৰ পৰামৰ্শৰ উপৰিও সংশ্লিষ্ট পক্ষৰ ওজৰ আপত্তি থাকিলে আৰু সময় মতে পোৱা হলে বিচাৰ বিবেচনা কৰি চাম।

বিষয় ঃ দলং নির্ম্মাণ

শ্রীইউছুফ আলী আহমেদে সুধিছে ঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ—

১৮৬। (ক) ধুবুৰী সংমণ্ডলৰ অন্তৰ্গত ফুৰ্সেতপুৰ পিয়াজবাৰী আৰু পানবাৰী কাউনবাৰীৰ M.N.P. ৰাস্তাত থকা দলং দুটা যোৱা ১৯৮৪ চনৰ বাৰিষাত উটুৱাই নিয়া কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে ইয় ৰ পুনৰ নির্মানৰ বাবে কি ব্যৱস্থা লৈছে আৰু

কেতিয়ালৈ উক্ত দলং নির্মাণ হৈ উঠিব ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্রী )য়ে উত্তৰ দিছে—

(ক) জানে।

(খ) সংশ্লিষ্ট শিতানত প্রয়োজনীয় ধন পালে উপযুক্ত ব্যৱস্থা লোৱা হব।

**Re : Scheduled Castes and Scheduled Tribes Committee.**

Shri Ardhendu Kumar Dey asked :

Will the Minister of SC & ST be pleased to State:—

187. Whether the public representatives have been consulted in Constituting the Scheduled Tribes & Scheduled Castes Committees in the State in Sub-division wise ?

Shri Bharat Chandra Narah (Minister of SC & ST) replied:

Yes.

বিষয় : টংলা সংমণ্ডলে কিনা টিনপাত।

শ্রীমহেন্দ্র মোহন ৰায় চৌধুৰীয়ে শুধিছে—

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

১৮৮. (ক) আজিৰ পৰা দহ বছৰৰো অধিক কাল আগেয়ে গড়কাপ্তানী বিভাগৰ ( টংলা সংমণ্ডল )ত ৩,০০,৯৫৫·০০ টকা মূল্যৰ টিনপাত কিনা হৈছিল নেকি ?

(খ) যদি কিনা হৈছিল উক্ত টিনপাত সমূহ এতিয়া কেনে ধৰণে ব্যৱহৃত হৈ আছে ?

(গ) যদি অব্যৱহৃত হৈ আছে, তেনেহলে ব্যৱহাৰ কৰাৰ কিবা ব্যৱস্থা লোৱা হৈছিল বা হবনে ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) —১৯৭৩-৭৪ বিত্তীয় বছৰত ৫,৫৩,২০০ টকা ( পাচ লাখ তেৱন্ন হাজাৰ দুশ টকা ) মূল্যৰ টিনপাত কিনা হৈছিল।

(খ)—মুঠ ১৩৮৩ ( এহেজাৰ তিনিশ তিৰাশী ) কুইন্টল তিনপাতৰ ভিতৰত ১৪৯·৯৯ (এশ উনপঞ্চাচ দশমিক নিৰানৱৈ ) কুইন্টল বিভাগীয় কাম কাজত ব্যৱহাৰ কৰা হয় আৰু ১২২১·৭২৫ ( এহেজাৰ দুশ একৈশ দশমিক সাত দুই পাচ )

কুইন্টল অন্য গড়কাপ্তানী সংমণ্ডললৈ বদলি কৰা হয়। বাকী ১১.২৮৫ (এগাৰ দশমিক দুই আঠ পাচ) কুইন্টল টিনপাত বৰ্ত্তমান টংলা উপসংমণ্ডলৰ ভড়ালত জমা আছে।

(গ)—ভড়ালত জমা থকা ১১.২৮৫ (এঘাৰ দশমিক দুই আঠ পাচ) কুইন্টল টিনপাত পৰিকল্পনাৰ অন্তৰ্ভুক্ত বিভাগীয় ঘৰবন্ধা কামত ব্যৱহাৰ কৰা হব।

**বিষয়: গড়কাপ্তানী পথৰ দৈৰ্ঘ্য।**

শ্ৰীমতি দাসে সুধিছে:

১৮৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

(ক) মৰিগাওঁ মহকুমাৰ গড়কাপ্তানী বিভাগৰ অধীনত কিমান দৈৰ্ঘ্যৰ কলাপৃষ্ঠ পথ আছে?

(খ) উক্ত মহকুমাৰ কলাপৃষ্ঠ নকৰা গড়কাপ্তানী পথ সমূহ কলাপৃষ্ঠ কৰাৰ ব্যৱস্থা হাতত লৈছে নেকি?

(গ) ভকতগাওঁ মায়াং কাজলী পথটোৰ কলাপৃষ্ঠ চলিত বছৰতে কৰা হবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক)—১৯৮৬ চনৰ মাৰ্চ মাহলৈ ৰাষ্ট্ৰীয় পথ ৩৭ নং ৰ বাহিৰে মৰিগাওঁ মহকুমাৰ মুঠ ৫০.৭৮৯ কি: মি: দৈৰ্ঘ্যৰ কলাপৃষ্ঠ পথ আছে।

(খ)—১৯৮৬-৮৭ চনত ৩.৫৯৫ কি: মি: পথ কলাপৃষ্ঠ কৰাৰ বাবে লোৱা হৈছে।

(গ)—প্ৰশ্নত উল্লেখ কৰা নামৰ পথ, গড়কাপ্তানী বিভাগত নাই। অৱশ্যে সেই অঞ্চলটোত নখোলা, ভকতগাওঁ, মনহা, ৰজামায়ং, কলং ঘাট নামেৰে গড়কাপ্তানী পথ আছে। চলিত বিত্তীয় বছৰত উক্ত পথৰ অষ্টম কিলোমিটাৰত ৩৫০ মিটাৰ অংশৰ কলাপৃষ্ঠৰ কাম লোৱা হৈছে।

**বিষয়: বনাঞ্চলৰ সংখ্যা।**

শ্ৰীঅকন চন্দ্ৰ ৰাভাই সুধিছে:—

১৯০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

(ক) অসমত কিমানখন বনাঞ্চল আছে?

(খ) বনাঞ্চল সমূহ সংৰক্ষিত কৰি ৰখাৰ বাবে লোৱা ব্যৱস্থা সমূহ কি?

(গ) বনাঞ্চল বেদখলকাৰীক শীঘ্রে উচ্ছেদ কৰাৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

(ঘ) বনাঞ্চল ৰক্ষণা-বেক্ষণৰ বাবে বেটেলিয়ন এটা খোলাৰ সিদ্ধান্তটো এতিয়া কি পৰ্য্যায়ত আছে ?

শ্রীভৰত নৰহ ( বনমন্ত্রী )য়ে উত্তৰ দিছে।

(ক)—অসমত ৩১৫ খন সংৰক্ষিত বনাঞ্চল আছে।

(খ) সংৰক্ষিত বনাঞ্চল সমূহৰ ৰক্ষনা-বেক্ষন বন নিয়ন্ত্রণ বিধি ১৮৯১ চনত বিধিবদ্ধ কৰি ৰখা হৈছে।

(গ) হৈছে।

(ঘ) বনবিভাগে এটা সশস্ত্র বন সুৰক্ষা বাহিনী গঠন কৰিছে। এই সুৰক্ষা বাহিনীত ১২৩ জন কনিষ্ঠ বলে প্রশিক্ষণ শেষ কৰি যোৱা ২-১২-৮৬ তাৰিখে যোগ দিছে। অধিক কনিষ্ঠবলৰ দল প্রশিক্ষণৰ কাৰণে পঠাবৰ ব্যৱস্থা কৰা হৈছে।

**Re: Gram Sevak Quarters**

Shri Abdul Rob Laskar asked:

Will the Minister, Agriculture be pleased to State:—

**191.** (a) Number of Gram Sevak Quarters in the State of Assam ?

(b) Number of such quarters occupied by the Gram Sevak ?

(c) Number of such Quarters not occupied by Gram Sevak and the reason thereof ?

Shri Nilamani Das ( Minister of Agriculture ) replied :

(a) **1184** Nos.

(b) **506** Nos.

(c) **516** Nos. of these quarters have not been accupied as some quarters required major repairing and in some cases drinking water and sanitary facilities do not exist. How-

ever, steps are being taken for providing the facilities.

**Re : Amount for Block Plantation**

Sri Abdul Rob Laskar asked :

Will the Minister, Social Forestry be pleased to State :

(a) 192. The amount allotted for block plantation under Silchar sub-division for the year 1985-86 and 1986-87 ?

(b) Name of the places selected for block plantation under Dev. Blocks of Silchar sub-division ?

(c) Whether the schemes were taken in each and every Dev. Blocks ?

d) If not, why ?

(e) The policy of selecting the site for block plantation ?

Shri Bharat Narah ( Minister, Forests ) replied :

(a) The amount allotted for Block plantation during 1985-86 and 1986-87 under Social Forestry Group of schemes in Silchar sub-division are as follows—

| Year | Sub division | Amount allotted |
|---|---|---|
| 1985-87 | Silchar sub-division | Rs. 1,72,480/- |
| 1986-87 | Silchar sub-division | Rs. 1,90,000/- |

(b) Name of such blocks are as below :

| 1985-86 | 1986-87 |
|---|---|
| Rajabazar | Narsingpur |
| Salchapra | Salchapra |
| Narsingpur | Rajabazar |
| | Katigarah |

(c) & (d) Block plantations were taken up wherever suitable land for this purpose was available. Hence it was

not possible to take up block plantation in each and every Dev. Block.

(e) Block plantations were taken up for Social Forstry purpose to provide Fuel, Fodder, Small timber etc. to the poor people of the community and also for protection of environment.

বিষয় ঃ ভূমি সংৰক্ষণৰ বাবে মঞ্জুৰী

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

১৯৩ (ক) যোৱা বিত্তীয় বছৰত ডিব্ৰুগড় মহকুমাত এই বিভাগৰ যোগেদি কি কি আঁচনি লোৱা হৈছিল ?

(খ) চলিত বিত্তীয় বছৰত ডিব্ৰুগড় মহকুমাৰ মৰাণ সমষ্টি অন্তৰ্গত নিম্ন উল্লেখিত আঁচনি কেইটা কাৰ্য্যকৰী কৰিব পৰা যাবনে ?

১) বৰদৈবাম গাঁৱৰ ৰাইদিঙীয়া আলিৰ পৰা চেচামুখলৈ

২) চেচাকোষ গাওঁলৈ ( লক্ৰুৱা গা: প: )

৩) লেকাইৰ পৰা ( চেচানদীৰ উত্তৰ পাৰে ) চেচা ন-গাওঁ হৈ গৰুধৰীয়ালৈ।

৪) নাহৰণী ডিমৌ নদীৰ পশ্চিম পাৰে।

শ্ৰীভৰত চন্দ্ৰ নৰহ ( ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) যোৱা বিত্তীয় বছৰত ডিব্ৰুগড় মহকুমাত এই বিভাগে পূৱ অসম ভূমি সংৰক্ষণ সংমণ্ডল কাৰ্য্যালয়ৰ যোগেদি নিম্নোল্লেখিত কামবোৰ কাৰ্য্যকৰী কৰিব দিয়া হৈছিল।

সাধাৰণ আঁচনি

১। সংৰক্ষিত বনানিকৰণ ১৭৩ হেক্টৰ প্ৰতিপালন

২। পথাৰ উন্নয়ন ( চেচা নেপালী গাৱঁত ) ১টা

৩। নতুন জীপ গাড়ী ক্ৰয়।

জনজাতীয় উপ আঁচনি

১। সংৰক্ষিত বনানিকৰণ ৯২ হেক্টৰ প্ৰতি পালন

২। পথাৰ উন্নয়ন

ক) ডেউৰী গাওঁ } ২ টা
খ) টেপৰ চালি }

অনুসূচীত জাতি আঁচনি

১। পথাৰ উন্নয়ন ( বামেতিয়াত ) ১ টা

(খ) চলিত বিত্তীয় বছৰত প্ৰশ্নত উল্লেখ কৰা মতে কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

১৯৪ (ক) ডিব্ৰুগড় আৰু লক্ষীমপুৰ জিলাক সংলগ্ন কৰিব বিচৰা আৰু বগী বিল চাউল খোৱাত হব লগা ব্ৰহ্মপুত্ৰ নদীৰ প্ৰস্তাৱিত ৪ৰ্থ খন দলঙৰ জৰীপ কাৰ্য্যৰ কিমান দূৰ অগ্ৰগতি লাভ কৰিছে সেই সম্পৰ্কে জনাবনে ?

(খ) উক্ত দলঙৰ নিৰ্মাণ কাৰ্য্য চলিত বিত্তীয় বছৰতে আৰম্ভ কৰিব পৰা হবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

(ক) ডিব্ৰুগড় আৰু লক্ষীমপুৰ জিলাক সংলগ্ন কৰিব বিচৰা আৰু বগী বিল চাউল খোৱাত হব লগা ব্ৰহ্মপুত্ৰ নদীৰ প্ৰস্তাবিত ৪ৰ্থ খন দলঙৰ জৰীপ কাৰ্য্য M/S Rites নামৰ প্ৰতিষ্ঠানটোৱে কৰি আছে। বৰ্ত্তমানলৈকে প্ৰথম পৰ্য্যায়ত জৰীপৰ কাম শেষ হৈছে, আৰু দ্বিতীয় পৰ্য্যায়ৰ জৰীপৰ কাম চলি আছে। মুঠ জৰীপৰ ৮০ শতাংশ কাম বৰ্ত্তমানলৈ কৰা হৈছে। এই কাম ১৯৮৭ চনৰ জুন মাহৰ ভিতৰত শেষ হব বুলি জানিব পৰা গৈছে।

(খ) সম্ভাৱনা নাই।

**Re : Masimpur Doloo Road**

Shri Altaf Hussain Mazumdar asked :

Will the Minister, P.W.D. be pleased to State ?

195. (a) Whether the Govt. is aware that Masimpur Doloo road is an important old road link covering a large area, and the road is in very bad condition ?

(b) If so, will the Govt. immediately provide fund

for immediate repair of the road ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

(ক) হয়, এই বিষয়ে চৰকাৰে জানে। এই পথছোৱা বৰ্ত্তমান একেবাৰে শোচনীয় নহয়।

(খ) এই পথৰ কিছু অংশ ন্নুন্যতম চাহিদা আঁচনিত বহল কৰণ আৰু শিলগুটি দিয়াৰ কাম হাতত লোৱা হৈছে। বাকী অংশৰ মেৰামতিৰ কাম আৱশ্যকীয় ধন পালে লব পৰা যাব।

**Re : Tribal Hostel at Damcherra**

Shri Altaf Hussain Mazumdar asked :

Will the Minister, Plain Tribes and Welfare of Scheduled Castes be pleased to state —

196 (a) Is the Government aware that there is consistent public demand for a tribal Hostel at Damcherra ( Cachar ) ?

(b) If so, whether the Government proposes establishment of Tribal Hostel there ?

Shri Bharat Narah ( Minister, Welfare of Plains Tribes and Scheduled Castes ) replied :

(a) No, Government is not aware of such demand.

(b) Does not arise.

**Sub :—Repairing of Bridges**

Shri Aminul Islam asked :

Will the Minister of P. W. D. be pleased to state—

197 (a) Is the Govt. aware of the fact that all the three Bridges i. e. bridge numbers 2/1,4/1 and 4/2 in Hallidayganj Hazirhat Road under Mankachar constituency have posed danger to human-being, cattle, cart and vehicle for want of proper repair ?

(b)—Whether the Govt. is also aware of the fact that the bridge number 4/2 treambles dangerously whenever it gets a bit heavy load ?

(c) Whether the Govt. have information that the Road is always used by the Boarder Security personnel, the police and other Govt: officials including their heavy and light vehicles, besides being used by the civilian population ?

(d) If yes, whether the Govt. is going to repair the bridges properly at an early date and ensure safety to all concerned ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) নহয়, তেনেধৰণৰ আশংকা নাই।

(খ) এইটো সঁচা নহয়।

(গ) হয়, চৰকাৰে এই বিষয়ে জানে ?

(ঘ) গতানুগতিক ( Normal ) মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে।

**Re: Paloi Derby–Borjalinga Road**

Shri Digendra Purkayastha asked:

Will the Minister, P. W. D be pleased to state—

198 (a) Whether the Paloi-Derby Barjalinga Road under Hailakandi Division has been opened for vehicular traffic ?

(b) If not, the reason of closure of the road ?

(c) The steps so far taken by the Govt: for re-opening of the road for all sorts of traffic ?

Sri Atul Bora ( Minister, P. W. D. ) asked:

(ক) নাই হোৱা।

(খ) কাঠৰ দলং কেইখন দুৰ্বল হোৱা বাবে যান-বাহন চলাচলৰ কাৰণে নিৰাপদ নহয়।

(গ) দলং কেইখনৰ আৱশ্যকীয় মেৰামতিৰ কাম হাতত লোৱা হৈছে।

### Re : Handing over of Bosgaon Dispensary

Shri Amritlal Basumatary asked :

Will the Minister, Forests be pleased to state.—

**199.** (a) Whether the Government have received representations from public demanding handing over of the Bosgaon Dispensary from Kachugaon Forest Division in Kokrajhar District to the Department of Health & Family Welfare ?

(b) If so, whether Govt. propose to comply with the demand ?

(c) If so, when ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

(ক) কোনো আবেদন পোৱা হোৱা নাই। অৱশ্যে এইটো জনা গৈছে যে ৰাইজে বচগাওঁ চিকিৎসালয়খন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দ্বাৰা পৰিচালনা হোৱাটো বিচাৰে।

(খ) হয়। বচগাওঁ চিকিৎসালয়খন স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগলৈ হস্তান্তৰ কৰণৰ ক্ষেত্ৰত অকল অনুমোদন কৰাই নহয় এই বিষয়ে উক্ত বিভাগত সঘনাই হেঁচা দি থকাও হৈছে।

(গ) বিষয়টো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছে।

### বিষয় ঃ বুঢ়ী দিহিং নদীৰ দলং

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ ) সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

২০০। ডিব্ৰুগড় জিলাৰ জয়পুৰ আৰু উষাপুৰৰ মাজত বুঢ়ী দিহিং নদীৰ ওপৰত অইল ইণ্ডিয়াই নিৰ্মান কৰা দলং খন যান বাহন চলাচল কৰিবৰ উপযোগীকৈ নিৰ্মান কৰিবৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা লৈছে নেকি নাইবা অইল ইণ্ডিয়া কৰ্তৃপক্ষৰ লগত এই ক্ষেত্ৰত কিবা আলোচনা হৈছে নেকি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

মেচাৰ্চ অয়ল ইণ্ডিয়া লিঃ বুঢ়ী দিহিং নদীৰ ওপৰত সাজিবলৈ লোৱা দলং খন যানবাহন চলাচলৰ উপযোগীকৈ নিৰ্মান কৰিবৰ বাবে চৰকাৰে অয়ল ইণ্ডিয়াৰ লগত আলোচনা কৰি তেওঁলোকে দলঙৰ superstructure আৰু approach কামৰ বাবে বিচৰা ৭৫ লাখ টকাৰ ভিতৰত ৫০ ভাগ অৰ্থাৎ ৩৭'৫০ লাখ টকা দিবলৈ মান্তি হৈছে। বাকী ৩৭'৫০ লাখ টকা নৰ্থ ইষ্টাৰ্ণ কাউন্সিলে বহন কৰিব। ইতিমধ্যে অয়ল ইণ্ডিয়াক দলঙৰ কামৰ বাবে চুক্তি এখন চহী কৰাৰ বাবে লগতে কাম সম্পূৰ্ণ কৰিবলৈ জনোৱা হৈছে।

**বিষয় : জয়পুৰৰ মীন মহল আবণ্টন**

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) সুধিছে :

মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

২০১। (ক) জয়পুৰ বন বিভাগৰ অন্তৰ্গত মীন মহলটো এই বছৰ কাক আবণ্টন দিয়া হ'ল ?

(খ) আবণ্টন দিয়াৰ ক্ষেত্ৰত প্ৰথম আৰু দ্বিতীয় বিদাৰক আবণ্টন নিদি তৃতীয় বিদাৰক আবণ্টন দিয়া কথাটো সঁচানে ?

(গ) যদি সঁচা, ইয়াৰ কাৰণ কি ?

(ঘ) ইতিমধ্যে যিজন লোকক মীন মহলটো আবণ্টন দিয়া হ'ল তেওঁ দাখিল কৰিব লগা বাকীজাই প্ৰমাণ পত্ৰ দাখিল কৰিলেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) জয়পুৰ আঞ্চলিক বন কাৰ্য্যালয়ৰ অধীনত নামচাং সংৰক্ষিত বনাঞ্চলৰ মীন মহলটো শ্ৰীদয়া বসুমতাৰীক ১,৫৬,০০০ টকাত চলিত বছৰৰ ১৯৮৬-৮৮ চনৰ কাৰণে বন্দবস্তী দিয়া হৈছে।

(খ) হয়, সঁচা।

(গ) প্ৰথম নিবিদা দিওতা শ্ৰীৰাম দাসে ১,৮৫,০০০ টকা মূল্যৰ নিবিদা দিছিল যদিও তেওঁ এই নিবিদা প্ৰত্যাহাৰ কৰে। নিবিদাত দ্বিতীয় স্থান পোৱা ( ডাক মূল্য ১,৬৫,০০০ টকা ) সভাপতি দিহিং ৩য় খণ্ড মীন সমবায় সমিটি, শ্ৰীফুকন দাসে নিতান্তই প্ৰয়োজনীয় ঘোষণা পত্ৰত স্বাক্ষৰ নকৰাৰ কাৰণে তেওঁৰ নিবিদা অগ্ৰাহ্য হ'ল।

(ঘ) আৱণ্টন পোৱা শ্ৰীদয়া বসুমতাৰীৰ কোনো বাকীজাই গোচৰ থকা বুলি জনা নেযায়। সেয়েহে বাকীজাইৰ প্ৰাপ্য আদায় দিয়াৰ গোচৰ তৰা হোৱা নাই।

বিষয়—চাচনী মৌজাৰ দলং নিৰ্ম্মাণ

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ ) সুধিছে:

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

২০২ (ক) নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত চাচঁনী মৌজাৰ অতি দৰকাৰী তুখন দলং ১৯৭৭ চনতে বানপানীত ভাগি যাতায়ত বন্ধ হৈ থকাটো জানেনে?

(খ) যদি জানে, তেন্তে লিখিত ভাবে স্থানীয় বিধায়কে বহুবাৰ জনোৱাৰ পাচতো আজিলৈকে কিয় কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই জনাবনে?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) হয়।

(খ) বানবিধ্বস্ত মেৰামতি আৰু সাধাৰণ মেৰামতি শিতানত আৱশ্যক অনুযায়ী যথেষ্ট পুঁজিৰ অভাৱত দলঙৰ পুনৰ নিৰ্মাণৰ ব্যৱস্থা হাতত লব পৰা নাই।

বিষয়ঃ সৰু আৰু মধ্যম নগৰ উন্নয়ন আঁচনি

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

মাননীয় নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

২০৩ (ক) ১৯৮৬-৮৭ চনত চৰকাৰে কিমানখন চহৰক সমন্বিত সৰু আৰু মধ্যম নগৰ উন্নয়ন আঁচনিত ( IDSMT Programme ) ত অন্তৰ্ভুক্ত কৰিছে?

(খ) ১৯৮৭-৮৮ চনত গোলাঘাট নগৰক উক্ত আঁচনিত অন্তৰ্ভুক্ত কৰিছে নেকি?

শ্ৰীঅতুল বৰা ( নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী ) য়ে সুধিছে:

(ক) ৫ (পাঁচ) খন যেনে (১) ডিফু (২) কৰিমগঞ্জ (৩) বঙাইগাওঁ (৪) নগাওঁ আৰু (৫) শিৱসাগৰ নগৰ।

(খ) চেষ্টা চলাই থকা হৈছে।

বিষয়—গড়ৰ থৰ্গ আৰু হাতীদাঁতৰ সংৰক্ষণ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:—

২০৪ (ক) অসমত বৰ্ত্তমান কিমান কোটি টকাৰ গড়ৰ খৰ্গ আৰু হাতী দাঁত জমা হৈ আছে ?

(খ) বৰ্ত্তমান কেনেকুৱা ভাৱে এই খৰ্গ আৰু হাতী দাঁতবোৰ সংৰক্ষণ কৰি ৰখা হৈছে ?

(গ) এই খৰ্গবোৰ বিক্ৰী কৰি উন্নয়নমূলক কামত সেই টকা বিনিয়োগ কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিছে নেকি ?

(ঘ) যদি কৰিছে, কেতিয়াৰ পৰা ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা হব ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) বৰ্ত্তমান অসমত গড়ৰ খৰ্গ সৰ্বমুঠ ২৯০.৫ কেজি আৰু হাতীৰ দাঁত ২,৫৭৯ কেজি জমা হৈ আছে। এইবোৰৰ বৰ্ত্তমান মূল্য সঠিক ভাবে নিৰ্ধাৰণ কৰা হোৱা নাই। এই দুবিধ বস্তুৰ দাম মুঠ ৩,৪২,০৮,০৯০ টকা হব বুলি অনুমান কৰা হৈছে। গড়ৰ খৰ্গ প্ৰতি কেজি ১ লাখ টকাকৈ আৰু হাতীৰ দাঁত প্ৰতি কেজি ২ হাজাৰ টকাকৈ কৰা হৈছে।

(খ) পূৱ কামৰূপ বন সংমণ্ডল বিষয়াৰ কাৰ্য্যালয়ত এইবোৰ কেন্দ্ৰীয় ভাবে জমা ৰখাৰ ব্যৱস্থা আছে। ঠাইৰ অভাৱত এইবোৰ বিভিন্ন বন সংমণ্ডল বিষয়াৰ অধীনস্থ এলেকাত বিভাগীয় কৰ্মচাৰীৰ পহৰাত ৰখা হৈছে। ইয়াৰ উপৰিও চৰকাৰী কোষাগাৰতো উক্ত বস্তু সমূহ ৰখা হৈছে।

(গ) বন্যপ্ৰাণী সংৰক্ষণ আইন ( Wild Life Protection Act, 1972 ) সংশোধিত আইনৰ ধাৰামতে আৰু "CITES"ৰ চুক্তিৰ স্বাক্ষৰকাৰীৰ হিচাবে এই খৰ্গবোৰ বিক্ৰী কৰা নিষিদ্ধ।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ লিখাবালি ৰাস্তাৰ মেৰামতি

শ্ৰীফণীৰাম টায়েডে সুধিছে ঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০৫(ক) লক্ষীমপুৰ জিলাৰ চাউলধোৱা ডিভিজনৰ অন্তৰ্গত লিখাবালিৰ ১কিঃ মিঃ ৰাস্তা অৰুণাচলৰ লোকে মেৰামতি কৰাত বাধা দিয়াৰ ফলত ৰাস্তা অচল হৈ থকাটো জানেনে ?

(খ) যদি জানে, কিমান দিনৰ পিচত অসমৰ গড়ক প্তানীৰ দ্বাৰা উক্ত ৰাস্তা পুনৰ মেৰামতি কৰা হব?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) লক্ষীমপুৰ জিলাৰ চাউলধোৱা ডিভিজন ১২ কিঃ মিঃ দৈৰ্ঘ্যৰ অকা-জান-লিখাবালি ৰাস্তাৰ ১২ কিঃ মিঃ ( ১ কিঃ মিঃ দীৰ্ঘ ) পথ চোৱা হস্তান্তৰ সম্পৰ্কে হোৱা মতানৈক্যৰ বাবে অসমৰ গড়কাপ্তানী বিভাগে মেৰামতি নকৰা কথাটো চৰকাৰে জানে।

(খ) যিহেতু উক্ত পথছোৱাৰ হস্তান্তৰ কাৰ্য্য অসম আৰু অৰুণাচল ৰাজ্যৰ মাজত বিবাদমান অৱস্থাত আছে, সেয়ে ইয়াৰ পুনৰ মেৰামতিৰ তাৰিখ জনোৱা বৰ্ত্তমানে সম্ভৱ নহয়।

### Re: Implementation of Labour Act

Shri Manilal Guwala asked:

Will the Minister Labour be pleased to state—

**206** (a) Whether it is a fact that Assam Tea Plantation Labour Act has not been implemented in most of the Tea Gardens in Cachar and Karimganj districts specially in Pathini Tea Estate under Karimganj district?

(b) If so, the measures the Govt. propose to take against the management/company/T. T. C. I, etc. specially against Pathini T. E.?

(c) Whether it is known to the Govt. that No ALC has been posted at Karimganj which causes inconvenience in dispute conciliation etc.?

(d) If so, do the Govt. contemplate to appoint A.L.C. equipped with vehicle?

Shri Barki Prasad Telenga ( Minister of Labour ) replied:

(a) It is not a fact.

(b) In view of reply to (a) above, the question does

not arise.

(c) There is no proposal for creation of any post of Assistant Labour Commissioner at Karimganj as the urgency is not felt at present.

(d) In view of reply to (c) above the question does not arise.

বিষয় : গড়কাপ্তানী বিভাগৰ পথ

শ্ৰীঅৰুণ চন্দ্ৰ ৰাভাই সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

২০৭। (ক) দুধনৈ সমষ্টিত গড়কাপ্তানী বিভাগৰ অধীনত কিমান টা পথ আছে ?

(খ) ২০।২৫ বছৰৰ আগতে গড়কাপ্তানী বিভাগে লোৱা উক্ত সমষ্টিৰ অন্তৰ্গত গড়কাপ্তানী বিভাগৰ উক্ত পথ সমূহৰ পকীকৰণ ( কলাপৃষ্ঠ) কৰাৰ বাবে অতি সোনকালে ব্যৱস্থা লবনে ?

(গ) যদি লয়, কেতিয়ালৈ ইয়াৰ কাৰ্য্যকাৰীতা আশা কৰিব পাৰি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) ৫৪ (চোৱান্ন) টা ।

(খ) পুঁজি পোৱা আৰু লগতে ৰাস্তাৰ পৰ্য্যায় যেনে—ৰাজ্যিক পথ, (State Highway ), জিলা ভিত্তিৰ পথ ( Major District আৰু other District Road ) আৰু যানবাহন চলাচলৰ তথ্যপাতি, আৱশ্যকতা আদিৰ ওপৰত নিৰ্ভৰ কৰি পৰ্য্যায়ক্ৰমে পকীকৰণ ব্যৱস্থা লৈ থকা হৈছে আৰু পৰ্য্যায়ক্ৰমে লোৱা হব ।

(গ) 'খ' ৰ ওপৰত নিৰ্ভৰ কৰে ।

Hon Speaker—Questions hour is over.

## Statement made by Home Minister

মাননীয় অধ্যক্ষ—এতিয়া যোৱা কালি উত্থাপন কৰা নাৰী নিৰ্যাতনৰ ওপৰত মাননীয় গৃহমন্ত্ৰীয়ে এটা বিবৃতি দিব ।

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী )—মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ডাঙ-

ৰীয়াই উত্থাপন কৰা ৮ মাৰ্চৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত নাৰী নিৰ্যাতনৰ প্ৰতিবাদ শীৰ্ষক বাতৰি সম্পৰ্কত প্ৰকাশ কৰা বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কত সন্মানিত সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে—সমাজত নাৰীক দিবলগীয়া সন্মানৰ পৰা আমাৰ ৰাজ্যই কেতিয়াও নাৰীক বঞ্চিত কৰা নাই। ভাৰতবৰ্ষৰ অন্য ৰাজ্য যেতিয়া যৌতুক প্ৰথাৰ নিচিনা এটা কু-প্ৰথাৰ অন্ধকাৰত ডুব গৈ আছে, সেই সময়ত আমাৰ সমাজ এই প্ৰথাৰ পৰা সম্পূৰ্ণ মুক্ত। নাৰীক অৱমাননা কৰা বা নাৰীত্বৰ প্ৰতি দেখুওৱা সন্মানৰ এই ৰাজ্যত কেতিয়াবা ত্ৰুটি ঘটাৰ দৃষ্টান্ত অতি বিৰল। অৱশ্যে গত ছবছৰীয়া আন্দোলনৰ কাল ছোৱাত অসমৰ নাৰীৰ নাৰীত্বক অৱমাননা কৰি আৰু নাৰীৰ ওপৰত অত্যাচাৰ কৰি বিগত চৰকাৰে পৃথিৱীৰ বুৰঞ্জীত যুগমীয়া ত্ৰুটি ৰাখি থৈ গৈছে। মই ভাৱো এই চৰকাৰে নাৰীক তেখেত সকলৰ প্ৰাপ্য মৰ্য্যাদা দিয়াত কোনো দিন পিছ নুহুকিব আৰু মোৰ লগত নিশ্চয় একমত হব। এই খিনিতে মই এটা কথা সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে নাৰীক অৱমাননা কৰি বা অপমানিত কৰি যি অশালীন বিজ্ঞাপন আদি কাগজ আলোচনীত প্ৰকাশ হ'ব ধৰিছে সেই বিলাক ভাৰত চৰকাৰে বন্ধ কৰাৰ ব্যৱস্থা লোৱা আমাৰ চকুত পৰা নাই।

বাতৰি কাকতত উল্লেখিত অন্য এটা বিষয় অশ্লীল সাহিত্য আৰু ভি-ডি-অ' কেচেট আদিৰ অবৈধ প্ৰচলনৰ বিৰুদ্ধে এই চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচতেই অসমৰ বিভিন্ন ঠাইত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন ঠাইত আকস্মিক ভাৱে তালাচী চলাই এনেধৰণৰ বহুতো কিতাপ, আলোচনী জব্দ কৰা হৈছে আৰু ধ্বংস কৰা হৈছে, নহয় জৰিমনা ভৰোৱা হৈছে। অশালীন কিতাপ কাগজ বিক্ৰী কৰাৰ বাবে কেৱল গুৱাহাটীতেই ১৩ টা গোচৰ তৰা হৈছে আৰু অশ্লীল চিনেমা দেখুওৱা সংক্ৰান্তত এটা গোচৰ তৰা হৈছে। এতিয়ালৈকে ১৯ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। এই অসামাজিক আৰু অশালীন কিতাপ ও আলোচনী, ভি-ডি-অ' কেচেট আদিৰ যাতে প্ৰচলন হ'ব নোৱাৰে তাৰ প্ৰতি চোকা নজৰ ভৱিষ্যতেও দিয়া হ'ব।

বাতৰিত উল্লেখ কৰা অন্য এটা বিষয় হ'ল— অলপতে কালিপুৰত ঘটা এটি মৰ্মান্তিক মৃত্যু ঘটনা। এই ঘটনাটোৰ থুলমূল বিৱৰণ এনে ধৰণৰ— যোৱা ৩০-১-৮৭ তাৰিখে সন্ধ্যা ৬ বাজি ১৫ মিনিটত জালুকবাৰী আৰক্ষী থানাত

কোনোবা এজন অজ্ঞাত লোকে টেলিফোন কৰি জনাই যে—কালীপুৰত এগৰাকী গৰ্ভৱতী মহিলাই আত্মহত্যা কৰিছে। এই খবৰ পোৱাৰ লগে লগেই সহকাৰী পৰিদৰ্শক শ্ৰীএইচ কে ডেকাই কেইজনমান আৰক্ষী লোক লগত লৈ ঘটনাস্থলীলৈ যায়। ঘটনা স্থলীত প্ৰাৰম্ভিক অনুসন্ধানত গম পোৱা গ'ল যে শ্ৰীদিলীপ কুমাৰ শৰ্মাৰ পত্নী শ্ৰীসম্প্ৰীতি দেৱী ওৰফে প্ৰীতি দেৱীয়ে গাত কেৰাচিন তেল ঢালি অগ্নি সংযোগ কৰি আত্মহত্যা কৰে। তদন্তৰ সময়ত সহকাৰী উপ-পৰিদৰ্শক শ্ৰীএল বৰাই মৃতকৰ বিৱৰণ লিখে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠায়। এই সম্পৰ্কে জালুকবাৰী থানাত ৩/৮৭ নং গোচৰ ৰজু কৰে। তদন্তৰ সময়ত এই কথাও জনা গ'ল যে যোৱা ১০-৫-৮৫ তাৰিখে ৰঙিয়াৰ দীপ্তেশ্বৰীৰ শ্ৰীমতী সম্প্ৰীতি দেৱীৰ জালুকবাৰী থানাৰ অন্তৰ্গত কালীপুৰৰ শ্ৰীৰামেন্দ্ৰ শৰ্মাৰ পুত্ৰ শ্ৰীদিলীপ শৰ্মাৰ লগত বিবাহ হয়। বিয়াৰ কেইদিনমানৰ পিচৰ পৰাই সম্প্ৰীতি দেৱীক তেওঁৰ শহুৰেক ৰাজেন শৰ্মা আৰু শাহুৱেক শ্ৰীমতী পদ্মিনী দেৱীয়ে নিষ্ঠুৰ ব্যৱহাৰ কৰিবলৈ ধৰে। এনে ব্যৱহাৰৰ প্ৰকোপ এসময়ত ইমান বাঢ়ি গৈছিল যে সম্প্ৰীতি দেৱীয়ে মানসিক ভাৱে বিকাৰগ্ৰস্ত হোৱাৰ দৰে হৈছিল। সম্প্ৰীতি দেৱীয়ে তেওঁৰ শাহুৱেক-শাহুৰেকৰ পৰা পোৱা কঠোৰ ব্যৱহাৰৰ বিৱৰণ দি মাক-দেউতাকলৈ কেবাখনো চিঠি লিখিছিল।

উপায়বিহীন হৈ সম্প্ৰীতি দেৱীয়ে যোৱা ৩০-১-৮৭ তাৰিখে আবেলি ৫ বজাত পাকঘৰত গাত কেৰাচিন তেল ঢালি জুই লগাই আত্মহত্যা কৰে। তেওঁৰ মৃত্যুৰ আগমূহূৰ্তত লিখি থৈ যোৱা এখন চিঠিও অনুসন্ধানৰ কালত তেওঁৰ শোৱনি কোঠাত পোৱা গৈছে। চিঠি খনৰ পৰা এই কথা বুজা যায় যে তেওঁৰ শহুৰেক-শাহুৱেকৰ পৰা পোৱা অত্যাচাৰত অসহ্য হৈ পৰিছিল। মৃত্যুৰ সময়ত তেওঁ ৯ মহীয়া গৰ্ভৱতী আছিল। অনুসন্ধানৰ কালত এই কথাওঁ জনা গৈছে যে—অগ্নিদগ্ধ হৈ যেতিয়া সম্প্ৰীতি দেৱী চংফটাই আছিল তেতিয়া ঘৰত থকা তেওঁৰ শাহুৱেকে জুই নুমুৱাৰ পৰিবৰ্ত্তে তেওঁক ঘৰৰ পৰা টানি বাহিৰত পেলাই দিছিল। এই সম্পৰ্কত জালুকবাৰীৰ আৰক্ষী থানাই ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৮ (ক) ৩০৬ ধাৰা মতে ৩৪/৮৭ নং গোচৰ ৰুজু কৰিছে। সম্প্ৰীতি দেৱীৰ স্বামীৰ বিৰুদ্ধে এই সম্পৰ্কত অভিযুক্ত বুলি কোনো প্ৰমাণ এতিয়াও পোৱা নাই। অন্যহাতেদি শ্ৰীৰাজেন্দ্ৰ শৰ্মা আৰু শ্ৰীমতী পদ্মিনী দেৱীক গ্ৰেপ্তাৰ হোৱা কৰি হাজোতলৈ প্ৰেৰণ কৰা হয়। গোচৰটোৰ পৰৱৰ্তী অনুসন্ধান চলি আছে। উল্লেখনীয় যে গ্ৰেপ্তাৰ

হোৱা শ্ৰীৰাজেন্দ্ৰ শৰ্মা আৰু শ্ৰীমতী পদ্মিনী দেৱীক আদালতে জামিন দিয়ে।

এই গোচৰত অভিযুক্ত ব্যক্তি যদি দোষী প্ৰমাণিত হয় তেন্তে আইনে বিহিবলগীয়া শাস্তিৰ পৰা তেওঁলোকে কেতিয়াও মুক্তি নেপায়।

বাতৰিত উল্লেখ কৰা আন এটা দিশ—দুখীয়া অসমীয়া ছোৱালীক সমাজ বিৰোধী লোকে তেওঁলোকৰ দৰিদ্ৰতাৰ সুযোগ লৈ জৈৱিক সুখৰ আহিলা হিচাপে শোষণ কৰাৰ বিষয়ে নিৰ্দিষ্ট অভিযোগ পালে আইন অনুসৰি তেওঁ-লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব।

Item No—**2**

## Discussion on Calling Attention Notice

মাননীয় অধ্যক্ষ—এতিয়া ২ নম্বৰ কাৰ্যসূচী। মাননীয় সদস্য শ্ৰীআব্দুল জেলিল ৰাগিবী।

শ্ৰীআব্দুল জেলিল ৰাগিবী—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কব।

Shri Ardhendu Kr. Dey—Mr. Speaker Sir, there is a news of corruption which is going on throughout the whole State not only in one Department but in all Departments and the STATFED is also not excluded from that corruption. Sir, the Government of Assam established this business establishment 'STATFED' for the benefit of the common people. There are some monopoly businessmen here in the State. They are extracting the common people, poor people of Assam like anything and just to get themselves relieved from such extraction from the monopoly businessmen, the State Government decided to establish this STATFED. Sir, here is a news published in 'Asom Bani' dated January 30, 1987 under the caption—"ষ্টেটফেডৰ শ্মশান যাত্ৰা। ১ বছৰত ১৩ কোটি টকাৰ অধিক লোকচান।"

Sir, if something goes on very nicely, we have nothing

to object. But if something does not go nicely, properly, it is the duty of the newspapers to publish it and point it out to public what function of the Government is going on. So, a very good work, I must say, is carried out by Asom Bani and from time to time they are giving the news. Here is a news I am reading—নিত্য ব্যৱহাৰ্য্য অত্যাৱশ্যকীয় সামগ্ৰী সমূহৰ মূল্য মান নিয়ন্ত্ৰণত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা ৰাজ্য চৰকাৰৰ ব্যৱসায়িক প্ৰতিষ্ঠান ষ্টেটফেদে বৰ্তমান অভাৱনীয় লোকচানৰ সন্মুখীন হৈছে। এই লোকচানৰ পৰিমাণ ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনৰ দুটা বিত্তীয় বছৰৰ কালছোৱাত থকা প্ৰায় ৭ কোটি ৩২ লাখ টকাৰ বিত্তীয় সুবিধা সত্বেও পৰৱৰ্ত্তী বছৰৰ মাজভাগত—জুন মাহৰ শেষলৈকে প্ৰায় ৬ কোটি ১১ লাখ টকাকে ধৰি মুঠ ১৩ কোটি ৪১ লাখ ৮২ হেজাৰ টকা লোকচানৰ সন্মুখীন হৈছে বুলি জানিব পৰা গৈছে।

Sir, another very important news—প্ৰাপ্ত তথ্য মতে ষ্টেটফেডে ১৯৮৫-৮৬ চনত অৰ্থাৎ নতুন চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচৰে পৰা ১ টা বিত্তীয় বছৰৰ ভিতৰতে প্ৰায় ৮৬ লাখ ৫১ হেজাৰ টকা লাভ কৰাৰ বিপৰীতে মাত্ৰ প্ৰথম ৬ টা মাহৰ ভিতৰতে ৬ কোটি ১০ লাখ ৫৭ হেজাৰ টকাৰ লোকচান ঘটাৰ কেইবাটাও কাৰণ আছে। What are the reasons. The reasons are known to all. This is only because some inefficient, corrupted persons are placed at the top of the management and so the news paper is telling like that. Why the STATFED was profritting in 1984-85 and 1985-86. Because there was efficient management and so the news paper is telling like that—ইয়াৰ ভিতৰত প্ৰধানকৈ ব্যৱসায়িক পৰ্য্যবেক্ষণত দক্ষতাৰ অভাৱ, তদৰ্থ ব্যৱসায়িক নিৰ্দেশত ত্ৰুটি আৰু শাখা সমূহ পৰিচালনাত নিয়মিত দায়িত্ববিহীনতাৰ অভাৱ ঘটিছে বুলি ধাৰণা কৰা হৈছে। ব্যৱসায়িক দূৰদৰ্শিতা, সুদক্ষ পৰিচালনা আৰু কৰ্ম প্ৰেৰণাৰ মাজেৰে ষ্টেটফেড প্ৰতিষ্ঠানে যি সময়ত ক্ৰমাগত ব্যৱসায়িক প্ৰসাৰতাৰে ব্যক্তিগত ব্যৱসায়ী মহলৰ কাৰণেও এক আতংক স্বৰূপ হৈ পৰিছিল, সেই প্ৰতিষ্ঠানৰ মাজত এতিয়া ব্যৱসায়িক

স্থবিৰতাই দেখা দিছে বুলি অভিযোগ উঠিছে।

Sir, here is a conspiracy. Sir, monopoly businessmen who are extracting the poor people for their own benefit, they are, in collaboration with the present Government, making some conspiracy so that let the STATFED go to hell they must 6 benefitted, they must extract money from the common people. So, another very alarming and very interesting news. Sir, অসম গণপৰিষদ চৰকাৰৰ এবছৰীয়া কাৰ্য্যকালত এই প্ৰতিষ্ঠানে বিশেষ অগ্ৰগতি লাভ কৰাৰ উদাহৰণৰ অভাব থকাৰ কালতে ষ্টেটফেডৰ প্ৰচাৰ পত্ৰৰ মাজেৰে এতিয়া ভুৱা তথ্যও প্ৰচাৰ কৰা দেখা গৈছে। 'অসম-৮৬' প্ৰদৰ্শনী মণ্ডপত বিতৰণ কৰা প্ৰচাৰ পত্ৰত ষ্টেটফেডৰ বিভিন্ন অগ্ৰগতিৰ খতিয়ান ব্যক্ত কৰাৰ লগতে এই প্ৰতিষ্ঠানৰ দুটাকৈ মিঠাতেল কলৰ কাম পূৰ্ণ গতিত চলিছে বুলি উল্লেখ কৰিছে। প্ৰকৃতপক্ষে আমি জনাত আমিনগাঁৱত স্থাপন কৰিব লগা মিঠাতেলৰ কলটোৰ নিৰ্মাণ কাৰ্য্য এতিয়াও প্ৰাৰম্ভিক স্তৰতে আছে আৰু নগাওঁ জিলাৰ ডবকাত নিৰ্মাণ কৰিব বিচৰা আনটো কলৰ নিৰ্মাণ কাৰ্য্য সদ্যহতে বন্ধ কৰিব বিচৰাৰ পৰিস্থিতি উদ্ভৱ হৈছে।

But in Assam 86 it was clearly mentioned that there are two units of oil mills one at Amingaon and one at Dabaka. These are the only things which I have pointed out to you. So, let there be declaration from the Minister Cooperation who is responsible for this loss. What is the reason ? Thank you Sir.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মই স্পষ্টীকৰণ দাঙি ধৰিছো। ৩০।১।৮৭ তাৰিখে অসমবাণীত প্ৰকাশিত "ষ্টেট ফেদৰ শ্মশান যাত্ৰা : এবছৰত ১৩ কোটিতকৈও অধিক টকা লোকচান" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। ষ্টেটফেদে দিয়া উক্ত বাতৰিৰ স্পষ্টীকৰণ ৬-৩-৮৭ তাৰিখৰ অসমবাণীত প্ৰকাশ পাইছে।

বাতৰিটোত কোৱাৰ দৰে বছৰটোৰ মাজভাগ জুন মাহৰ শেষলৈকে মুঠ

১৩ কোটি ৪১ লাখ ৮২ হেজাৰ টকা লোকচান হৈছে বুলি উল্লেখ কৰা কথাটো সঁচা নহয়। প্ৰকৃততে ১৯৮৫-৮৬ চনৰ সমবায় বছৰটোত লোকচান হয় ৬১০.৫০ লাখ টকা। ১৯৮৪-৮৫ বছৰটোত ষ্টেটফেডৰ মুঠ ৮৬ কোটি ১২ লাখ টকাৰ ব্যৱসায় হয়। ইয়াৰ বিপৰীতে ১৯৮৫-৮৬ চনত মুঠ ব্যৱসায় হয় ৭৩ কোটি ১৪ লাখ টকা। বাতৰিটোত পৰিবেশন কৰা মতে ১৩ কোটি টকালৈ হ্ৰাস পোৱা নাই। ১৯৮৪-৮৫ চনত ব্যৱসায়ৰ বৃদ্ধিৰ প্ৰধান কাৰণ আছিল সেই বছৰত বাহিৰৰ পৰা ব্যৱসায়ীক ভিত্তিত চাউল কিনি আনি বিক্ৰী কৰা হৈছিল। ১৯৮৫-৮৬ চনত এনে ব্যৱসায় নাছিল আৰু তাৰ বাবে ১৯৮৪-৮৫ চনত ধান চাউলৰ মুঠ বিক্ৰীৰ পৰিমাণ ৪৩ কোটি ৪৫ লাখ টকাৰ বিপৰীতে ১৯৮৫-৮৬ চনত ধান চাউলৰ বিক্ৰীৰ পৰিমাণ ১৯ কোটি ৪৮ লাখ টকালৈ হ্ৰাস পায়। আনহাতে ১৯৮৪-৮৫ চনত অন্যান্য সামগ্ৰীৰ মুঠ বিক্ৰীৰ পৰিমাণ আছিল ২৭ কোটি ৯৬ লাখ টকা আৰু ১৯৮৫-৮৬ চনত ইয়াৰ পৰিমাণ ৩৯ কোটি ৪৮ লাখ টকালৈ বৃদ্ধি পায়।

১৯৮৫-৮৬ চনৰ লোকচানৰ এটা প্ৰধান কাৰণ হ'ল—যে চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা পাব লগা টকা ষ্টেটফেডে নোপোৱাৰ বাবে বেঙ্কত ভালেখিনি টকা সুদ হিচাপে ভৰিব লগা হোৱাতো। চৰকাৰে ষ্টেটফেডক দিব লগীয়া টকা সোনকালে আদায় দিয়াৰ ব্যৱস্থা কৰি আছে আৰু উক্ত টকা সম্পূৰ্ণকৈ পালে ষ্টেটফেডৰ বেংকক সুদৰ কাৰণে দিব লগা ভালেখিনি খৰচ কমি যাব।

১৯৮৬-৮৭ চনৰ সমবায় বছৰটোত ডিচেম্বৰ ৮৬ লৈকে ষ্টেটফেডৰ ব্যৱসায় আগৰ বছৰতকৈ তুলনামূলক ভাৱে বৃদ্ধি পাইছে আৰু আশা কৰা হৈছে যে এই বছৰটোত ষ্টেটফেডে প্ৰায় এক কোটি টকাৰ ব্যৱসায় কৰিবলৈ সমৰ্থ হ'ব।

ষ্টেটফেডৰ কাম কাজৰ উন্নতি কৰাৰ যে থল আছে সেই বিষয়ে চৰকাৰ সম্পূৰ্ণ সজাগ। অনুষ্ঠানটো কেনেকৈ অধিক কাৰ্য্যক্ষম কৰি তুলিব পাৰি সেই বিষয়ে অধ্যয়ন কৰি প্ৰতিবেদন দিবৰ বাবে এখন তালিকা গঠন কৰি দিয়া হৈছে। উক্ত তালিকাখনত ৰিজাৰ্ভ বেংক, NCDC, NAFED আদিৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰা হৈছে। ইতিমধ্যে কমিটিখনৰ দুবাৰো বৈঠক হৈছে আৰু সোনকালে প্ৰতিবেদন দিব বুলি আশা কৰা হৈছে। উক্ত প্ৰতিবেদন পালে চৰকাৰে উপযুক্ত ব্যৱস্থা ল'ব।

Item No. 3

Discussion Under Rule 301

মাননীয় অধ্যক্ষ—এতিয়া অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "বান নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে নিজাববীয়াকৈ বাজেটৰ ব্যৱস্থা কৰিব লাগে" এই সম্পৰ্কীয় বিষয় এটি ৩ নং কাৰ্য্যসূচী অনুসৰি মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰাই উত্থাপন কৰিব।

শ্ৰীদেবেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "বান নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে নিজাববীয়াকৈ ব্যৱস্থা লব লাগে" এই বিষয়ে মই বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ এই বাজেট খনত দেখা পাইছো যে বান নিয়ন্ত্ৰণ বিভাগত অধিক প্ৰশ্ন আহিছে। মন্ত্ৰী ডাঙৰীয়াই কৈছে বান নিয়ন্ত্ৰণৰ দায়িত্ব ৰাজ্য চৰকাৰে লব লাগে যদিও যিখিনি কৰিবলগীয়া কাম তাত কেন্দ্ৰীয় চৰকাৰৰও দায়িত্ব আছে। এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণ বিভাগৰ জৰিয়তে টকা পইচা পোৱা হয়। মই এই কথাটো কব বিচাৰিছো যে অসমৰ ভাল পৰিস্থিতি লক্ষ্য ৰাখি কিছুমান চাব প্লেন কৰিব লাগে। আমি ৰাজ্যপাল মহোদয়ৰ ভাষণত বান নিয়ন্ত্ৰণৰ বিষয়ে বহুত কথা পাইছো। কিন্তু অসমৰ কাৰণে যি কৰিব লাগে সেইটো কৰিব পৰা নাই। আমি দেখা পাইছো বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৭০ কোটি টকা বাজেটত ধৰা হৈছে। যিবিলাক সাধাৰণ এৰিয়া সেইবিলাকৰ কাৰণে ৬ শ ৪২ লাখ টকা ধাৰ্য্য কৰা হৈছে। এনে কম পৰিমাণৰ টকাৰে অসমৰ বান নিয়ন্ত্ৰণ কৰিব পৰা নাযাব। এই কথাটো ৰাজ্য চৰকাৰে চিন্তা কৰিব লাগে আৰু তাৰ কাৰণে বাজেট কৰিব লাগে। অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ উপ নৈ বোৰৰ কাৰণে বাজেট প্ৰস্তুত কৰিব লাগে। বৰাক উপত্যকাৰ কাৰণে ৰাজ্য চৰকাৰে যি লব লাগে তাক লোৱা নাই। তাৰ কাৰণে বছৰি ৩ শ ৫১.৫ লাখ টকাহে ধাৰ্য্য কৰা হৈছে। তাৰ ভিতৰত কিছুমানহে কৰিব পৰা যাব। সেইদৰে ব্ৰহ্মপুত্ৰৰ উপ-নৈ বোৰও আছে।

এই ক্ষেত্ৰত আমাৰ বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই সদনত প্ৰশ্নৰ উত্তৰ দিছিল। তাত আমি দেখিবলৈ পাইছো যে বিশেষকৈ পৰিকল্পনা বিলাকৰ টোটেল এলোটমেণ্ট যি ধাৰ্য্য কৰা হৈছে, সেইটো পৰ্য্যাপ্ত পৰিমাণৰ হোৱা

নাই। সেয়েহে অসুবিধাৰ সৃষ্টি হৈছে।

মই বান নিয়ন্ত্রণৰ দায়িত্বৰ বিষয়ে ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো আৰু আশা ৰাখিছো বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যিবিলাক কথা উত্থাপন কৰিছে তাক বিশেষ গুৰুত্ব সহকাৰে ৰাজ্য চৰকাৰে বিবেচনা কৰিব। লগতে এইটোও আশা ৰাখিছো যে সৰ্ব্বদলীয় ভাবে এই ক্ষেত্ৰত একে লগ হৈ যাব লাগিব। এই ক্ষেত্ৰত আমাৰ চৰকাৰে জোৰ দিব লাগিব। বাজেটত যি ৭০ কোটি টকা ধৰা হৈছে, সি অতি নগণ্য। কেন্দ্ৰীয় চৰকাৰে যি টকা দিছে সেইটো গ্ৰেণ্ট ইন এইদ হিচাবে দিয়া নাই, লোন হিচাবেহে দিছে। আমি আশা ৰাখিছো কেন্দ্ৰীয় চৰকাৰে সাহায্য হিচাবেহে দিবলৈ বিবেচনা কৰিব লাগে, ঋণ হিচাবে নহয়। কাৰণ বান নিয়ন্ত্ৰনৰ কথাটো আমি সকলোৱে জানো।

কাৰণ বান নিয়ন্ত্ৰণৰ কথাটো আমি সকলোৱে জানো আৰু আজি ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰে আনবিলাক ৰাজ্যৰ ক্ষেত্ৰত বানপানী নিয়ন্ত্ৰণত যিদৰে চকু দিছে অসমৰ ক্ষেত্ৰত তেনেদৰে দিয়া নাই। কাৰণ এইটো কথা কব লাগিব যে কেইটামান প্ৰকল্পৰ ক্ষেত্ৰতহে তেখেত সকলে অনুমোদন জনাইছে আৰু কোৱা হৈছে যে সেই কেইটা শেষ হলেহে বাকী খিনি আগবঢ়াব বুলি ৰাজ্যপালৰ ভাষণত এই কথাখিনি প্ৰকাশ পাইছে।

গতিকে চেয়াৰমেন মহোদয়, এই ক্ষেত্ৰত মই এই খিনি অনুৰোধ জনাই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এটা স্পষ্ট নীতি এই সদনত ঘোষণা কৰিবলৈ আহ্বান জনাইছোঁ। সদনৰ সকলো সদস্যই নিশ্চয় সমৰ্থন জনাব।

এই খিনিকে কৈ মই এই ৰাজহুৱা বিষয়টো উত্থাপন কৰিলোঁ।

( Mr. Speaker left the House and hon'ble member Shri Charan Narzari occupied the Chair )

Shri Golam Osmani—We fully endorse the views expressed by the Hon'ble member.

শ্ৰীছামছিং হান্সে ( বান নিয়ন্ত্ৰণ মন্ত্ৰী )—অসমৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, কাম-কাজ তথা ব্যয়ৰ ভিত্তিত যথাক্ৰমে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা নামাকৰণেৰে দুটা ভাগত বিভক্ত কৰা হৈছে। তাৰে বৰাক উপত্যকাৰ সমুদায় কাম-কাজ তথা ব্যয় ৰাজ্য চৰকাৰে পোনপটীয়া ভাবে বহন কৰি

আহিছে। আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমুদায় কাম-কাজ কেন্দ্ৰীয় চৰকাৰৰ ঋণৰ টকাৰে ১৯৭৩-৭৪ চনৰ পৰাই চলি আহিছে। কিয়নো ব্ৰহ্মপুত্ৰৰ দৰে নৈ এখনৰ নিয়ন্ত্ৰণৰ বাবে প্ৰচুৰ পৰিমাণৰ ধনৰ আৱশ্যক। এনে শকত অংকৰ ধন ৰাজ্য চৰকাৰে অকলে বহন কৰাতো সম্ভৱপৰ নহয় গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ হিচাবে হলেও ধন লবলৈ ৰাজ্য চৰকাৰ বাধ্য হৈছে।

ভাৰত চৰকাৰৰ পৰা পোৱা ঋণৰ পৰিমাণ প্ৰয়োজন অনুপাতে বহু কম। এনে সীমিত পুঁজিৰে অসমত স্থায়ী বান নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব পৰা নেযায়। বছৰে বছৰে দেখা দিয়া প্ৰলয়কাৰী বান আৰু ব্যাপক ভাবে হোৱা গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বৰাক উপত্যকাৰ দৰেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবেও অসম চৰকাৰৰ নিজা তথা আছুতীয়া পুঁজি ৰখাৰ ব্যৱস্থা অতিকৈ বাঞ্ছনীয়।

ব্ৰহ্মপুত্ৰ নৈৰ বানপানী আৰু গৰাখহনীয়াৰ বাবে নহলেও অন্ততঃ ইয়াৰ উপনদী সমূহৰ নিয়ন্ত্ৰণৰ কাম সমূহ নিজা ৰবীয়াকৈ কৰিব পৰাকৈ আছুতীয়া পুঁজিৰ ব্যৱস্থা ৰখাৰ বিষয়ে বৰ্ত্তমানে অসম চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু শীঘ্ৰে উচিত সিদ্ধান্ত লব বুলি আশা কৰা হৈছে। কিয়নো অসমত আন আন সমস্যাতকৈ বানপানীৰ সমস্যাই উৰ্দ্ধত।

Mr. Chairman—Now the General discussion on the Budget.

শ্ৰীহেমেন দাস—সভাপতি মহোদয়, যেতিয়া এটা বিষয়ে আলোচনা চলি থাকে তেতিয়া বিভাগীয় মন্ত্ৰীজন উপস্থিত থাকিব লাগে। এতিয়া বাজেটৰ আলোচনা কালত আমাৰ মুখ্যমন্ত্ৰী উপস্থিত নাই। তেখেতে অধ্যক্ষ মহোদয়ৰ পৰা অনুমতি লৈ অনুপস্থিত আছে নেকি ?

Mr. Chairman—The hon'ble Home Minister is here in the house. He will take note of the points.

## General Discussion on the Budget

Shri Santi Ranjan Das Gupta—Mr. Chairman Sir, before I resume my speech, I offer my thanks to the Chief Minister for his admission of the mistake that appeared in page 77 of the Memorandum of Budget Estimate. The Memorandum of Budget estimates which I pointed

out on the 9th of April, 1987. So, Sir, I offer my thanks to the Chief Minister for his admission to the mistake. Now, Sir, I shall appeal to the Hon'ble members of this august house both to the Treasury benches and our side—the opposition side that they will not kindly disturb me as in the course of speech, I shall have to change my spectacle. Sir, in my opinion, this is a political budget, and this will not fulfill the hopes and aspirations of the people of Assam as a whole. This has deprived the labour, unemployment question, weaker section, freedom fighters, pensioners, rural development and the scheduled castes and scheduled tribes people altogether. This has also deprived many other people only to politicalise the budgetary provision. Now Sir, why I made this remark will be pointed out. I shall now enter into the salient points of the budget. In Grant No. 2, i. e. Council of Ministers, for 86-87, the Chief Minister presented a budget for Rs. 27.10,000/- for the Council of Ministers. This was subsequently raised to Rs. 57·60 lakhs. For the coming year, the amount demanded in the budget is Rs. 1·31 crores, which is double the amount. Then Sir, I draw your attention to another serious point. The whole of Assam is experiencing a very serious difficulty. In water Supply and sanitation, the budget provision for 1986-87 including the Supplementary Demand, there was provision of Rs. 66·56 crores. But for the coming year, it is only Rs. 65 crores. So, Sir, the entire problem of water supply and sanitation of Assam possibly has been solved, hence there is reduction of allocation. Sir, I come to another important point.

For Govt. residence in 1986-87, the budget provision was for Rs. 3·40 crores. It has been raised to Rs. 14 crores in the coming year. Then the Chief Minister in his Budget Speech in page 9 has stated about the labour and employment problem and has shown the total number of unemployed youths including the women and scheduled castes and scheduled tribes to be 8·95 lakhs. But what is the allocation for the unemployment question and labour question of the State ? In 1986-87, the allocation was Rs. 9·48 crores, but in the coming year, the allocation has been decreased. Then Sir, about the pension to the freedom figthers, Sainik and pensioners, the allocation for the current year was Rs. 4·40 crores. The allocation for the coming year is only Rs. 3·18 crores. Then I draw your attention to one important point, i. e. natural calamities. In the month of December, 1986, the total amount voted was Rs. 26·64 crores, which includes Supplementary Demand.

But, Sir, the Revenue Minister stated in reply to the question for natural calamities that Govt. demanded from the Centre Rs. 300 crores or something like that. Then Sir, we find that the actual amount realised upto December was only 26 crores. Then, Sir, what is the allocation for the coming year. It is Rs. 30 lakhs. Sir, some of my Hon'ble friends from the A. G. P. are very much interested about the Rural Development and Rural Development placed No. (1) position for discussion in the demands for grants. So, Sir, what is the position in 1986-87 ? An amount of Rs. 39 crores 25 lakhs was earmaked for

1986-87. Then, Sir, what about the coming year ? It is Rs. 38·52 lakhs. Therefore, Sir, I say that this is a Political budget. Sir. I think the instances that I have cited are enough and these figures I am quoting from the previous years demands for grants placed as well as the supplementary demands already placed in the House and the demands for grants placed in the House for the coming year.

Now, Sir, I am coming to the other important points. There are jugglery of figures in the demands for grants and in the budget speech and we find that none can reconcile with each other. Why I have said so ? If we make a comparison of the Revenue Receipts and capital receipts of 1975-76, then we find that in 1975-76 the budget allocation at that time under Revenue-receipts was only about 176 crores and the Capital Receipts were only 162 crores as against the present budget. What about for the coming year position. Sir, in the coming year we find that it is Rs. 1256,42,36 crores under capital receipts and Rs. 1021,9928 crores under revenue receipts. Sir, at that time i.e. 1975-76 the total receipts were only Rs. 240 crores. But now, Sir, it is Rs.2970 61,64 crores. That is why I have stated that there are jugglery of figures. Then, Sir, what was the plan allocation ? Mr. Chairman, Sir, you are an old member and you know it well that always there are sectoral-plan allocation as Annexure B. But, Sir, now I find that this system has been discontinued. In the coming years Budget system I donot find this sectoral plan allocation as way of Annexure 'B'. Sir, in the current year's

budget also I do not find any such provision. Sir, even in the Budget Manual, there is a provision for annual plan allocation. Then, Sir, from page 7 of the Budget at a glance presented to this House by the Directorate of Statistics, we find at a glance that in the current year's allocation (sectoral allocation) would be 670.00 crores. Under different heads sectors the annual total allocation has been made Rs. 332 crores—under, revenue heads and in capital amount Rs. 338 crores. So, Sir, I do not understand where from this amount will come when the total money under plan allocation is 500 crores for the current years. Then, Sir, if we refer to the budget of the Lok Sabha at a glance, then we find that eveything is nicely depicted there and even a layman like me can understand the budgetary allocations clearly. But, Sir, here it is not possible to understand. Here the picture is different. Sir, the Central Budget is so nicely depicted that every member of Parliament can easily understand the budgetary provisions. Here lies the difference between the Centre and our State. So, Sir, this is the performance of the Central Finance Ministry. But our Finance Ministry has failed to depict the picture clearly. Sir, in course of current year's budget discussion, I did mention discrepency of Rs. 41.00 crores. But the Chief Minister replied then that the Budget is a highly technical one and this discrepency is a continuing one. Chief Minister presented the budget. It is a necessity under the provisions of Article 202 and 203 of the Constitution of India. I am now not going to mention the provisions of the articles. Sir, if my time permits, I

will mention those two articles again. Now, I am coming to other point. In the last year, I drew the attention of the Hon'ble Chief Minister that there was a difference of the budget Estimate with that of demands for grants. But actually, Sir, the House voted for the excess demands that was made by the Finance Minister last year. Thereafter, we find that Rs. 50 crores were demanded under Supplementary Demands. Of course, this was different. But Sir, I cannot understand how the demand for Rs. 41: crores came which is a violation of the provision of the Constitution. Sir, I have gone through the entire budget Manual but I did not find any such provision. I did not find.

I asked some of my friends to go through the entire budget provisions to find that. When asked about it, the Hon. Chief Minister replied that since it was a highly technical matter.

এইটো পৰম্পৰা হিচাবে চলি আহিছে কাৰণেই এনেকৈয়ে বাজেট প্ৰস্তুত কৰা হৈছে ।

I did not find it. In this year also what is the position ? In the Annual Financial Statement what is the figure ? In the Annual Financial Statement the figure is 2,312 crores as expenditure on Revenue and Capital accounts. What is given in the Demands for Grants ? This is Rs. 2,357 crores thereby there is a difference of 45 crores: So, Sir, how can there be any difference ? Therefore I want to draw your attention to this matter for remedial measure.

Now I refer to Article 202 and Article 203 of the

Constitution of India. Sir, Art. 202 of the Constitution under the chapter "Procedure in Financial Matters" in clause (1) reads "The Governor shall in respect of every financial year cause to be laid before the House or Houses of the Legislature of the State a statement of the estimated receipts and expenditure of the State for that year, in this Part referred to as the "Annual financial statement. So Sir, the word is "Annual financial statement". Then clause (2) of Art. 202 says—The estimates of expenditure embodied in the annual financial statement shall show separately.

a) The sums required to meet expenditure described by this Constitution as expenditure charged upon the Consolidated Fund of the State, and

b) The sums required to meet other expenditure proposed to be made from the Consolidated Fund of the State; and shall distinguish expenditure on revenue account from other expenditure.

Sir, I am avoiding repetition of speaking of what are the norms of 'charged expenditure'. These are given in Article 202 clause (3). Article 203 clause (1) says, "So much of the estimates as relates to expenditure charged upon the Consolidated Fund of a State shall not be submitted to the vote of the Legislative Assembly, but nothing in this clause shall be construed as preventing the discussion in the Legislature of any of the those estimates. Then Sir, sums required for other expenditures, Article 203 clause (2) is very clear and it says, "So much of the

বিত্তমন্ত্ৰী মহোদয়ে সদনত উত্থাপন কৰা বাজেটখনৰ কাৰণে মই আদৰণি জনাইছো। এই বাজেটখনে এক নতুন আশাৰ জিলিঙণি দেখুৱাইছে, এইখন এখন সাহসী বাজেট বুলি মই কওঁ। এখন অতি গুৰুত্বপূৰ্ণ বাজেট। বয়োজ্যেষ্ঠ এজন সদস্যই এই বাজেটখন পলিটিকেল বাজেট বুলি আখ্যা দিছে কিন্তু সেইটো নহয়—এইখন বাজেটত আমি নতুন আশাৰ জিলিঙণি দেখিবলৈ পাইছো— বাজেটৰ এক দৰ্শন আছে, এক ফিলচফী আছে। এই বাজেটখন এই দৰ্শন আগত ৰাখিহে কৰা হৈছে। এই বাজেটে সম্পদ আহৰণৰ ক্ষেত্ৰত সফলতা প্ৰকাশ কৰিব। কেন্দ্ৰীয় চৰকাৰেও আলপতে ৫৬৮৮ কোটি টকাৰ ঘাটি বাজেট সংসদত উত্থাপন কৰিছে। বিখ্যাত অৰ্থনীতিবিদ শ্ৰীএ. মিত্ৰই কেন্দ্ৰীয় বাজেটত ঘাটিৰ পৰিমাণ দেখি আতংক প্ৰকাশ কৰিছে। আমি দেখিছো আমাৰ সীমিত সম্পদেৰে মাননীয় মুখ্যমন্ত্ৰীয়ে বাজেটত থকা ঘাটিৰ ব্যৱধান কমাবলৈ চেষ্টা কৰিছে এই বাজেটৰ যোগেদি অসমৰ দুখীয়া, নিচলা লোকক সকাহ দিবলৈ বিচৰা হৈছে। ৰাজ্যখনৰ সৰ্বসাধাৰণ মানুহৰ লাভৰ কাৰণে, কৃষিৰ ক্ষেত্ৰত, উদ্যোগৰ আৰু বিভিন্ন দিশত চেষ্টা কৰা হৈছে। বাজেটখনৰ ৮ৰ পৰা ২৩ পৃষ্ঠালৈ উল্লেখ কৰা বিষয় কেইটাত অসমৰ নিবনুৱা সমস্যা সমাধানৰ কাৰণে দৃষ্টিভঙ্গী লোৱা হৈছে। এজন মাননীয় সদস্যই কৈছে শ্ৰম আৰু নিয়োগ বিভাগত টকা কমকৈ ধৰা হৈছে আৰু ইয়াৰ দ্বাৰা অসমৰ নিবনুৱা সমস্যা দূৰ নহব বুলি সমালোচনা কৰিছে। কিন্তু মই কও কোনো এটা বিভাগত টকা কমকৈ ধৰিলে বা বেছিকৈ ধৰিলেই নিবনুৱা সমস্যাৰ ওৰ নপৰে। বা নিয়োগ নাবাঢ়ে বা নকমে। কৃষি, উদ্যোগ ইত্যাদি বিভাগত চৰকাৰে যথেষ্ট টকা ধৰিছে আৰু ইয়াৰ দ্বাৰা ৰাজ্যখনৰ নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘৱ হব বুলি ভাবিছো। মাননীয় মুখ্যমন্ত্ৰীয়ে বাজেটত উল্লেখ নকৰা দুটামান কথাৰ ওপৰতহে মই আলচ কৰিব বিচাৰিছো।

প্ৰথম কথা হৈছে—কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সম্পদ আহৰণৰ বিষয়টোৰ ওপৰত আমি গুৰুত্ব দিব লাগে। দ্বিতীয় কথা বেংকৰ পৰা ঋণ আহৰণৰ আমানতৰ ক্ষেত্ৰত আমি অতি গুৰুত্ব সহকাৰে বিষয়টো চাব লাগে। এই বিষয়টোৰ ওপৰত কেইবাজনো মাননীয় সদস্যই এই সদনত বহলাই আলোচনা কৰিছে। সংবিধানৰ ২৮২, ২৯৩, ২৭৫ অনুচ্ছেদত কেন্দ্ৰীয় চৰকাৰে সাহায্য দিয়াৰ কথা উল্লেখ আছে। ২৭৫ অনুচ্ছেদত প্ৰাকৃতিক দুৰ্যোগত ৰাজ্য সমূহলৈ সহায় দিয়াৰ কথা আছে। কিন্তু এই সাহায্যৰ টকা অসমে ঠিক

মতে নেপায়। যোৱা বছৰ অসমত হোৱা ভয়ংকৰ বানপানীৰ কাৰণে অসমে যিমান টকা বিচাৰিছিল তাৰ এটা অংশহে পালে। অথচ পশ্চিমবঙ্গ বা আন ৰাজ্যই এনে কাৰণত বহু টকা কেন্দ্ৰীয় সাহায্য পাইছে। কেন্দ্ৰীয় চৰকাৰে অসমকে ধৰি কিছুমান ৰাজ্যৰ প্ৰতি বৈষম্যমূলক দৃষ্টি দিয়া দেখা গৈছে। ৬ষ্ঠ বিত্তীয় আয়োগেও এই বিষয়ত আপত্তি কৰিছে।

এই কথাটো ৬ষ্ঠ বিত্তীয় আয়োগেও কৈছে কিন্তু আজি পৰ্যান্ত এই অৱস্থা'ৰ পৰিবৰ্তন হোৱা নাই। ভাৰতৰ প্ৰধানমন্ত্ৰী যলৈকে গৈছে—তাতেই সৰহকৈ টকা দিছে আৰু যলৈ যোৱা নাই তাত প্ৰয়োজনীয় সাহায্য দিয়া হোৱা নাই। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সম্পৰ্কৰ কথাটো সেয়ে ভালদৰে চোৱাৰ প্ৰয়োজন হৈছে। বাজেটত এই কথা মাননীয় মুখ্যমন্ত্ৰীয়ে ইঙ্গিত দিছে। কিন্তু ইয়াক সবল ভাবে উত্থাপন কৰিব লাগে। চৰকাৰীয়া আয়োগকো ৰাজ্য চৰকাৰে এই বৈষম্যৰ কথা কৈছে। নিজা সম্পদ আহৰণৰ ক্ষেত্ৰত দিল্লীৰ বা ৰাজস্থানৰ কি সমল আছে? নিজা অৰ্থনীতিত অৰিহণা যোগাবলৈ তেওঁলোকৰ একো নাই কিন্তু আন ৰাজ্যৰ সম্পদৰ অংশ, টকাৰ অংশ তেওঁলোকে বেছিকৈ পায়। এনে বৈষম্যমূলক আচৰণ কিয় হব লাগে। অসম চৰকাৰে সম্পদ আহৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক জোৰকৈ ধৰিব লাগে। বেংকৰ ঋণ আৰু আমানতৰ বিষয়টো আমি আজি বিশেষ ভাবে চিন্তা কৰিবলগীয়া হৈছে। বেংকবোৰ যিহেতু ৰাষ্ট্ৰীয়কৃত সেয়ে তেওঁলোকে যিমান টকা অসমত ব্যয় কৰিব লাগে সিমান নকৰে। আচলতে এখন ৰাজ্যত এটা বেংকে যিমান টকা সঞ্চয় কৰে তাৰে বুজন অংশ সেই ৰাজ্যখনৰ উন্নয়নৰ কাৰণে খৰচ কৰিব লাগে। মই দুটামান উদাহৰণ দিব খুজিছো কোন কোন ৰাজ্যত বেংকে কিমান অংশ টকা খৰচ কৰে। কৰ্ণাটকত শতকৰা ৮১'৫ ভাগ, মাদ্ৰাজ শতকৰা—৮৯'৯ ভাগ, তামিল নাডুত—৮০ ভাগ। কিন্তু অসমৰ ক্ষেত্ৰত এই বেংক সমূহে শতকৰা ৫৩'৩ ভাগ ধনহে বিনিয়োগ কৰিছে। আমাৰ ৰাজ্যখনত প্ৰকৃততে বেংকবোৰে টকা খৰচ কৰিবলৈ নিবিচাৰে। মোৰ সমষ্টিত ইউ, বি, আই ঋণৰ টাৰ্গেট আছিল—৫০ টা। কিন্তু তাৰে ২২ টা কেছ বেংকে বিভিন্ন অজুহাতত ঘূৰাই পঠাইছে। লখিমী গাঁৱলীয়া বেংকে মোৰ সমষ্টিত ১৯৩ টা লোন চেংচন কৰিছে আই, আৰ, ডি, পিৰ যোগেদি। কিন্তু ইয়াৰে এতিয়ালৈকে ৯০ টা কেছেই পেণ্ডিং আছে। এই বেংকত যিহেতু ৰাজ্য

চৰকাৰৰ 'চেয়াৰ' আছে, তেওঁলোকে যদি ঠিকমতে উন্নয়নমূলক কামত সহায় নকৰে তেন্তে ৰাজ্য চৰকাৰে ইয়াৰ 'চেয়াৰ' উঠাই লব লাগে। প্ৰয়োজন হলে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে ৰাইজক সাহায্য আগবঢ়াব লাগে।

তেওঁলোকক উন্নয়নমূলক কামৰ কাৰণে প্ৰয়োজনীয় সাহায্য সময় মতে দিঅহা নাই। আমাৰ ৰাজ্য চৰকাৰৰ পৰিচালনাত থকা বেংক বিলাকৰ কাম কাজ সন্তোষজনক নহয়। এপেক্স বেংক, পূৰ্বাঞ্চল বেংক এই বিলাকত তেওঁলোকে ধন নিয়োগ কৰিব নোখোজে। গতিকে এই বেংক বিলাকৰ কাৰ্য্য ব্যৱস্থা সম্পৰ্কে চোকা দৃষ্টি ৰখা উচিত। অৰ্থনৈতিক উন্নয়নৰ কাৰণে শুদ্ধ আৰু প্ৰকৃত ভাবে যাতে ঋণ দিয়া হয় তাৰ প্ৰতি যত্ন ৰখা উচিত। বৰ্ত্তমান গাঠনিত কৰ ব্যৱস্থা আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৪.৯৫ কোটি টকা ৰাইজৰ কাৰণে আহৰণ কৰিছে। এইটো গুৰুত্বপূৰ্ণ বিষয়। আমাৰ চেল টেক্স অৰ্থাৎ বিক্ৰী কৰ লোৱা হয়। এই ক্ষেত্ৰত কিছু অসুবিধা আছে। এইটো হলে ফাকী দিয়াৰ সুযোগ পায়। এই বিক্ৰী কৰ যি সকলে তোলে তেওঁলোকে সময় মতে কাম নকৰে। চেণ্ট্ৰেল ৰেভিনিউ বোৰ্ডৰ নিচিনা সংগঠন কৰা উচিত হব। যি সকলে কৰ ফাকি দিয়ে তেওঁলোকক পুলিচ বিষয়াৰ যোগেদি উপযুক্ত ভাবে ব্যৱস্থা লব পাৰে। কৰ তোলাৰ ক্ষেত্ৰত উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন হব লাগে আৰু দুই তিনি মাহৰ মূৰে মূৰে কেনে ধৰণৰ কৰ সংগ্ৰহ হৈছে সেই বিষয়ে চকু দিব লাগে। কৰৰ ক্ষেত্ৰত ৰেট ষ্ট্ৰাকচাৰৰ পৰিবৰ্ত্তন কৰিব লাগে। সেইটো সংশোধন হলে ভাল হব। তেতিয়া আমি কিছু পৰিবৰ্ত্তন নিশ্চয় দেখা পাম। যোৱা ২৫ বছৰে ইয়াৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। গাড়ীৰ মালিক আছে, বিভিন্ন লোক আছে। তেওঁলোকে বহুত সময়ত কৰ ফাকি দি আছে। এইবিলাক পৰিবৰ্ত্তন কৰিবৰ কাৰণে উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰিব লাগে। এই কৰ বিলাক যাতে ঠিক ভাবে নিৰ্ণয় কৰি লয় তাৰ এটা ব্যৱস্থা কৰিব লাগে। আমাৰ এই বাজেট-খনত দেখুৱা যিবিলাক বিষয় ইয়াত উত্থাপন কৰা হৈছে, ৰাজহ সংগ্ৰহত আমি কৃতকাৰ্য্য হলেও আমি এটা কথাত চকু ৰাখিব লাগিব যে আমাৰ ব্যয়ৰ ব্যৱস্থাত আমি কেনেকুৱা ধৰণৰ ব্যৱস্থা লম। যোৱা বছৰ বিকেন্দ্ৰীকৃত পৰিকল্পনা হৈছে। যোৱা বছৰতে বিত্ত বিভাগত পি এণ্ড ডি বিভাগৰ যোগেদি যথেষ্ট গুৰুত্ব দিয়া হৈছে। এতিয়াও কাৰ্য্যক্ষম হৈ উঠা নাই। এই ব্যৱস্থা ঠিক হোৱা নাই। গুজৰাটত মনিটেৰিঙৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজন হলে

কম্পিউটাৰৰ যোগেদি তেওঁলোকে কৰিছে। আমাৰ যিমান টকা ধৰে, ঠিক-মতে যদি ব্যৱহাৰ কৰা নহয়, তেতিয়া হলে কোনো লাভ নহব। এই নতুন বাজেটত যিবিলাক ৰাজহ ঘোষণা কৰিছে, বিশেষকৈ চাইকেল আৰু ঔষধ পাতিৰ ক্ষেত্ৰত দুখীয়া মানুহৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। দুৰ্বল শ্ৰেণীৰ লোকক সকাহ দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কাৰণ চাইকেলখন সৰ্বসাধাৰণ ৰাইজৰ কাৰণে প্ৰয়োজনীয় বাহন। এই ব্যৱস্থাৰ দ্বাৰা ৰাইজ উপকৃত হব। এই কথাটো আমাৰ মাননীয় সদস্য শ্ৰীদেব বৰাই আগতেই কৈ গৈছে।

এই নতুন বাজেটখনক আমি শলাগিব লাগিব। মই এই বাজেটৰ ক্ষেত্ৰত এই কেইটা পৰামৰ্শ আগবঢ়াইছো। আশা ৰাখিছো নতুন বাজেটখনে নতুন বছৰৰ অৰ্থনৈতিক ভূমিকা লব আৰু ৰাজ্যখনৰ পৰিকল্পনাত আমি অগ্ৰগতিৰে আগবাঢ়িব পাৰিম। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Chairman—Now, Shri Keshab Chandra Gogoi.

শ্ৰীকেশৱ চন্দ্ৰ গগৈ—চেয়াৰমেন মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই বাজেট স্পীচৰ ওপৰত দুআষাৰ কবলৈ থিয় দিছো। মই বাজেট স্পীচৰ যি কেইটা দিশৰ ওপৰত কম, সেই কেইটা হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই স্বীকাৰ কৰিছে যে আমাৰ টেক্স এতিয়া সংগ্ৰহ কৰাৰ সীমা অতি সীমিত। তেখেতে মাত্ৰ কেইটামান কৰ লগালে। সেইটো অতি নগণ্য। কিন্তু তথাপিতো মই তেখেতক এটা কথা কব খুজিছো যে যিটো তেখেতে ইণ্ডাষ্ট্ৰিৰ ওপৰত ৰেহাই মূল্য দিছিল, ১৯৮২ চনৰ First April ত তাক ৰিডিউচ কৰি তিনি পাৰচেণ্ট কৰিছে। যিহেতু তাক ন্যায় বুলি ভবা হৈছে, সেই কাৰণে আকৌ সেই এৰজামচনৰ পৰা টেক্স লব খুজিছে। তাৰোপৰি গুৱাহাটী টি অকচন চেণ্টাৰত তেখেতে ১ পাৰচেণ্ট ধাৰ্য্য কৰিব খুজিছে। এইটো নগণ্য দিব লাগিব। এইটো দিওঁতে নিশ্চই আন নহলেও যি অকচন মাৰকেট আছে তাত এফেক্ট কৰে নেকি? বায়াৰ্চ সকল গুছি যায় নেকি? এইটো বিবেচনা কৰিলে ভাল হয়। চিনেমা টিকেটৰ ওপৰত তেখেতে যিটো এমুজ-মেণ্ট টেক্সৰ কথা কৈছে, এইটো গৰীব দুখীয়াক চুৱে নেকি? আমাৰ মাননীয় সদস্য বিশেষকৈ শ্ৰীকন্দপান ডাঙৰীয়াই কৈ গৈছে যে এইটোৱে দুৰ্বল শ্ৰেণীৰ ওপৰত বোজাৰ সৃষ্টি কৰিব। আমাৰ যিবিলাক গাঁৱলীয়া থিয়েটাৰ আছে,

সেই থিয়েটাৰ বিলাকৰ বিশেষকৈ অসুবিধা কৰিব। গতিকে এমুউজমেণ্ট টেক্স যিহেতু গৰীব দুখীয়া ৰাইজক চোৱে সেই কাৰণে সেইটো নকৰি তেখেতে অন্য দিশৰ পৰাও অৰ্থ আহৰণ কৰিবলৈ চেষ্টা কৰা উচিত আছিল।

চেয়াৰমেন মহোদয়, এটা কথা সত্য যে ক্ৰেডিট ৰেচিও ডিপোজিত অসমৰ কাৰণে নগণ্য। সেইটোত আমাৰ যথেষ্ট অসুবিধা হৈছে।

চেয়াৰমেন মহোদয়, বেংকৰ পৰা আমাৰ মানুহে যি ধৰণৰ ঋণ পাব লাগিছিল সেই ধৰণে নেপায়। এই ঋণ নোপোৱাৰ কাৰণে আমাৰ মানুহৰ দুৰ্ঘোৰ অসুবিধা হয়। বিশেষকৈ আমাৰ ইণ্ডাষ্ট্ৰি লোনৰ ক্ষেত্ৰত বেংকলৈ দৰ-খাস্ত পঠোৱা হয়। কিন্তু তেখেতে গৈ বেংকৰ পৰা সেই লোন নেপায়, তাৰ পৰা ঘূৰি আহিবলগীয়া হয়। সেই ঋণ বিলাক যাতে ৰিকোভাৰী হয় তাৰ চিন্তা কৰিব লাগিব।

চেয়াৰমেন মহোদয়, ৰিকোভাৰীৰ ক্ষেত্ৰত মই কব খুজিছো যে ইণ্ডাষ্ট্ৰি ডিপাৰ্টমেণ্টত মণিটেৰিং চেল কৰিব লাগে। যি সকলে ঋণবিলাক লয় ৰিকো-ভাৰীৰ কাৰণে সময় মতে ঘূৰাই দিয়াৰ কাৰণে যাতে চেষ্টা কৰে। ইতিমধ্যে বেংক বিলাকৰ আপত্তি হ'ল যে ঋণ বিলাক দিয়ে, কিন্তু ঘূৰাই নেপায়। গতিকে তেওঁলোকে কয়—আমি কৰ পৰা ঋণ দিম বা কেনেকৈ ঋণ দিম। সেই অভিজ্ঞতা মোৰো আছে। মোৰ সমষ্টিত তেনেকৈ মানুহে ঋণ বিচাৰি গৈছে কিন্তু পোৱা নাই আৰু নোপোৱাৰ কাৰণে তেওঁলোকৰ অশেষ দুখ-কষ্ট হৈছে।

মই ইয়াত বন বিভাগৰ এটা কথা কব খুজিছোঁ যে এই বিভাগে কাঠ বিলাক কাটি ডিপুত ৰাখে আৰু বিক্ৰী কৰে। টেনদাৰ আজিকালি নাইকীয়া কৰিছে সেইটো ভাল হৈছে কিন্তু বন বিভাগৰ ক্ষেত্ৰত আজি সদনত এটা আপত্তি উঠিছে যে যিবিলাক জেগাত খালি মাটি আছে সেই বিলাকত গছ ৰুবলৈ চৰকাৰৰ টকা-পইচা অযথা খৰচ হব, এনে কাম যাতে তেওঁলোকে নকৰে আৰু মানুহক যাতে অযথা হাৰাশাস্তি কৰা নহয় এই বিষয়ে চৰকাৰে যেন চকু ৰাখে।

এই কেইটা কথাৰে মোৰ বক্তব্য ৰাখি সামৰণি মাৰিছোঁ।

শ্ৰীআফজালুর রহমান—চেয়ারম্যান মহোদয়, আজ এই সদনে আনীত বাজেটে কয়েকটি শিতানের দিকে যদি দেখি তাহলে দেখি যে গ্রামের প্রান্তীয়

কৃষক এতে হতাশ হয়েছে। চেয়ারম্যান মহোদয়, ট্রেজারী বেঞ্চ থেকে মাননীয় সদস্য বরা সাহেব বলেছিলেন যে শতকরা ৪০ ভাগ আমাদের আসামের মানুষ দরিদ্র সীমারেখার নীচে। উনার সঙ্গে আমি এ ব্যাপারে একমত। ঠিক সমীক্ষা নেওয়া হলে হয়তো দেখা যাবে এই সংখ্যা শতকরা ৬০ ভাগের বেশী হবে। কিন্তু দুঃখের বিষয় বাজেটে যে এনুয়েল এলোকেশন আছে সেখানে এই গ্রামের দরিদ্র সীমারেখার নিচে যারা থাকে তাদের সুবিধা দেওয়ার জন্য যতটুকু দেওয়ার প্রয়োজন ছিল সেখানে গুরুত্ব আরোপ করা হয়নি। চেয়ারম্যান মহোদয়, আপনি দেখেছেন রুরাল ডেভেলপমেণ্ট এলোকেশনে গত বৎসর ছিল ৩৯ কোটী টাকা। সেটা এবারে কমে গিয়ে হয়েছে ৩৮ কোটী টাকার কিছু বেশী। কিন্তু আপনি জানেন যে এ বৎসর প্রাইস ইনডেক্স বেড়ে যাওয়ার সঙ্গে সঙ্গে অতি সঙ্গতভাবে মজদুরদের দৈনিক হাজিরার হারও বাড়িয়ে দেওয়া হয়েছে। আমি জানি কিছুদিন আগে এই সরকার পি ডব্লিউ ডি'র মাষ্টাররোল লেবারদের দৈনিক হাজিরা ১২ টাকা থেকে বাড়িয়ে ১৭ টাকা করেছেন। এটা ন্যায় সঙ্গত হয়েছে। মূল্য বৃদ্ধির পরিপ্রেক্ষিতে তা করা হয়েছে। সুতারাং এস্থলে রুরাল ডেভঃ এ যে ৩৮ কোটী টাকা দেওয়া হয়েছে তার ফেচ ভেলু নীচে নেমে যেতে বাধ্য। কারণ যে লেবারকে আগে ১২ টাকা দেওয়া হতো তাকে ১৭ টাকা দেওয়া হলে এই ৩৮ কোটী টাকা প্রকৃতপক্ষে ৩০ কোটী টাকায় এসে দাড়াবে। চেয়ারম্যান মহোদয়, কেন্দ্রীয় সরকারকে দোষারোপ করা হয় এবং কারনও আছে। ঠিক তেমনিভাবে আসাম সরকারেও জনসাধারন দোষারোপ করবে যে এই সরকার গ্রামের মানুষদেরে প্রকৃত তথ্য না দিয়ে টাকা দেওয়ার ব্যাপারে কার্পণ্য করেছে। যুক্তির খাতিরে অন্যের বেলায় যা প্রযোজ্য নিজের বেলায়ও তা প্রযোজ্য হবে। আজ কেন্দ্রীয় সরকারকে বলতে হবে যে দরিদ্র সীমারেখার নীচে শতকরা ৪০ ভাগ লোক নয়। এটা ভুল। প্রকৃত পক্ষে শতকরা ৬০ শতাংশ থেকে ৮০ শতাংশ লোক দরিদ্র সীমারেখার নীচে আসামে আছে। কারণ সরকারকে জানাতে হবে যে গ্রামের মজদূরকে আমাদের বেশী মজুরী দিতে আমরা বাধ্য হয়েছি। তাই গ্রামের মজদুরদের জন্য টাকা বেশী পরিমানে বরাদ্দ করতে হবে। তা না করায় এই বাজেট এলোকেশন হতাশায় একটি কারণ হয়েছে। বাজেটে ঘাটতি দেখানো হয়েছে। তারো বেশী ঘাটতি দেখানো হোক—এতে কিছু আসে যায় না। রাজ্যের সবাই সমান সুযোগ সুবিধা পাবে, গরীবরা

কেন পাবে না ? গ্রামের লোক কেন পাবে না ? অন্যান্য সবার সঙ্গে রুরাল ডেভঃ সমতা রক্ষার প্রয়োজন আছে। মাননীয় সদস্য বরা বলেছেন যে ৮৯ শতাংশ মানুষ গ্রামে বসবাস করে। কিন্তু এই গ্রামে বসবাস করা কত লোক এই বাজেটের কত শতাংশ পাবে ? এই সমীক্ষার বিশেষ প্রয়োজন আজ হয়েছে। চেয়ারমেন মহোদয়, গত বতসর একটা আইডিয়া করা হয়েছিল যে পাচ লক্ষ মজদুরদের বর্দ্ধিত মজুরী দিতে বর্দ্ধিত খরচ দাড়াবে ৭ লক্ষ টাকা থেকে ৮ লক্ষ টাকা। একদিকে মজুরীর হার বেড়েছে, প্রাইস ইনডেক্স বাড়ার ফলে অন্যদিকে গ্রামের লোক ধুঁ ধুঁ করে শহরে আসছে কাজের খোজে। শহরের বিশ্রী পরিবেশ সৃষ্টি করছে। সুতরাং এই সরকার রুরাল ডেভঃ, র যে ফাণ্ড এলোকেশন করেছেন নীতিগতভাবে আমি মানতে পারি না। কারন এই বিভাগের জন্য আরও অধিক টাকার ব্যবস্থা থাকলে এই বাজেট সর্বাঙ্গ সুন্দর হওয়ার সম্ভাবনা থাকেতো।

অধ্যক্ষ মহোদয়, আর একটা কথা বলবো বন্যা নিয়ন্ত্রণ বিভাগ সম্বন্ধে। ১৯৪৭ ইং থেকে ১৯৮৩ ইং পর্যন্ত একটা সমীক্ষা নিলে দেখা যায় যে এই ৮০০ কিঃ মিঃ লম্বা ব্রহ্মপুত্রের ২ পাশে ১ কিঃ মিঃ করে মাটি ধ্বসে গিয়েছে। ফলে হাজার হাজার মানুষ সর্বহারা হয়েছে। আমি মাননীয় সদস্য বরা সাহেবের সঙ্গে একমত যে এই ব্রহ্মপুত্র নিয়ন্ত্রনের ব্যাপারে দলমত নির্বিশেষে একটা আন্দোলন সৃষ্টি করা প্রয়োজন। এই ব্যাপারে আমিও স্বীকার করি যে কেন্দ্রীয় সরকার আমাদেরে উপেক্ষা করছে। মহোদয়, এই গৌহাটীতে আমার এক টুকরা মাটী সরকারে গ্রহণ করলে উপযুক্ত কম্পেনসেশন দিয়ে সরকারকে অধিগ্রহণ করতে হয়। কিন্তু আমাদের অসহায় গরীব, আশ্রয়হীন কৃষকদের হাজার হাজার বিঘা জমি কেন্দ্রীয় সরকারের ব্রহ্মপুত্র কমিশন বিনা ক্ষতিপূরণে অধিগ্রহন করছে। জমি খাস হয়ে যাচ্ছে। যাদের যথেষ্ট জমি ছিল-৫০ বিঘা মাটি ছিল সেইসব লোক আজ জীবিকা নির্বাহ করার জন্য হাহাকার করছে। ৫০ বিঘা মাটি নদীর গর্ভে যাওয়ায় এদেরে কোন্ কোন্ লোককে ৫০০ টাকা দেওয়া হয়েছে। মাজুলী থেকে মানকাচার পর্যন্ত ব্রহ্মপুত্রের দুই ধারের হাজার হাজার লোক আজ রেল ষ্টেশনে, মটর ষ্টেশনে মজদুরী করছে। যদি এই ব্রহ্মপুত্র নদী কণ্ট্রোল করা না হয় তাহলে আসামের দুর্দসা চলতে থাকবে। যা যে কোনও সরকারই হোক না কেন কিছু করতে পারবে না। মহোদয়, আর একটা সমস্যা সৃষ্টি হয়েছে যে ব্রহ্মপুত্রর পার ধ্বসে যাবার ফলে

ওরা বনাঞ্চলে চলে যেতে বাধ্য হয়েছে। যার ফলে আজ এদেরে বিদেশী বলা হচ্ছে। সরকার এর সঠিক সত্য আশাকরি উদ্ঘাটন করবেন। তাই আমি বলতে চাই এই ব্রহ্মপুত্র কণ্ট্রোল করার জন্য দলমত নির্বিশেষে কেন্দ্রীয় সরকারের নিকট যেন চাপ সৃষ্টি করা হয়। মহোদয়, আমি বলতে চাই যে কেন্দ্রীয় সরকার যদি এই সমস্যা সমাধানে অক্ষম হন তাহলে বিশ্ব বেংকের সাহায্য নিয়ে বা আসাম সরকারকে সরাসরি বিশ্ববেংক থেকে লোন আনতে যেন অনুমতি দেন। আমার মনে হয় দলমত নির্বিশেষে একটা কমিটি গঠন করে এই ব্যাপারে যেন কেন্দ্রীয় সরকারের কাছে চাপ সৃষ্টি করা হয়। কারণ সরকার সরাসরি এই টাকা ধার আনলে তা পরিশোধ করার প্রশ্ন আছে। মহোদয়, আমার মনে হয় আমরা যে তেলের রোয়াল্টি পাই তা থেকে আমরা এই টাকা পরিশোধ করতে পারব। কারন এর ফলে আসামে প্রায় ১২ লক্ষ বিঘা মাটি বেড়িয়ে আসবে যা রাজ্যের ভূমিহীনদের শতকরা চার ভাগের তিনি ভাগ লোকদের প্রত্যেককে ৮ বিঘা করে দিতে পারব। এবং এই সেটেলমেন্টের দ্বারা একটা সুন্দর আসাম আমরা গড়তে পারবো। মহোদয়, দুর্ভাগ্যের বিষয় যে প্রত্যেকবার আমরা এই বিভাগে যে সামান্য টাকা দেওয়া হয় তা দিয়ে ফ্লাদ কণ্ট্রোল করা দূরের কথা অফিচারদেরে কণ্ট্রোল করা কষ্ট হবে। অধ্যক্ষ মহোদয় আপনি জানেন যে গোয়ালপারা জেলায় বন্যা নিয়ন্ত্রণ বিভাগের কণ্ট্রাকটররা অনেক দিন যাবত্ বিলের টাকা পাচ্ছে না। ফলে তারা ষ্ট্রাইক করেছিল যে নতুন কাজ তারা করবে না। টেণ্ডার দেয়নি। আমাদের তারা ঘেরাও করে বলেছে আপনারা এম এল এ হয়ে কি করছেন? পরে ডি সি'র হস্তক্ষেপে এবং আমরা বুঝিয়ে দেবার ফলে ওরা এই শর্তে টেণ্ডার দিয়াছে যে এবারের সমস্ত কাজের বিল ওরা সঙ্গে সঙ্গে পেয়ে যাবে। ফলে গত ৪ তারিখ ওরা টেণ্ডার দিতে সম্মত হয়েছে। মহোদয়, বাজেটের এই ৪৫ কোটী টাকার মধ্যে যদি ২ কোটী টাকা কেবল গোয়ালপারা ডিভিশনে কণ্ট্রাক্টরদের এরিয়ার পেমেণ্টর জন্য দিতে হয় তাহলে এই ৪৫ কোটী টাকায় মন্ত্রী মহোদয়, এই বিভাগের অফিসারদের বেতন, টিএ ইত্যাদি দিতে পারবেন কি? অথচ ব্রহ্মপুত্রের করাল বন্যার জন্য বছর বছর আসাম সরকারকে সাহায্য, শস্য, পানী, গৃহ-নির্মান বা রাস্তা বানাতে লক্ষ লক্ষ টাকা খরচ করতে হচ্ছে। তাই আমি মনে করি আসামের মানুষ ব্রহ্মপুত্র কণ্ট্রোলের ব্যাপার একটা নেশানেল ইস্যু হিসাবে ধরে যেন কেন্দ্রকে

চাপ দেন এবং এই ব্ৰহ্মপুত্ৰের করাল গ্ৰাসে পতিত মানুষকে রক্ষা করে আসাম রাজ্যকে একটা সুন্দর আসাম গড়ার ব্যবস্থা করেন।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালী—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৯ তাৰিখৰ দিনা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে আৰু এই বাজেট-খনক অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ আশা আকাংখা প্ৰতিফলিত কৰিব পৰাকৈ ডাঙি ধৰাৰ কাৰণে এখন সাহসী বাজেট আখ্যা দিব পাৰি। বাজেট-খনৰ আৰম্ভনীতে এটা কথা উল্লেখ কৰিছে যে অসম চুক্তিৰ সন্দৰ্ভত অসম চৰকাৰৰ ফালৰ পৰা যিখিনি কৰণীয় আছে সেই সকলোখিনি সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে। অসম চুক্তিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বত যিখিনি আছে সেইখিনি সম্পূৰ্ণ কৰিবৰ বাবেও সময়ে সময়ে সকিয়াই থকা হৈছে। এইটো এটা দেখ দেখ কথা যে কেন্দ্ৰীয় চৰকাৰে এটা আঞ্চ-লিক চৰকাৰক সহায় নকৰিব পাৰে। কিন্তু এই ক্ষেত্ৰত, মই আশা কৰিছো অসম চৰকাৰ অলপ কঠোৰ হব যাতে অসম চুক্তি সফল ৰূপায়ন কৰি আগবাঢ়ি যাব পাৰে। লগতে কওঁ যে কেন্দ্ৰীয় চৰকাৰক এতিয়া যিমান পৰিমাণৰ হেঁচা দিয়া হৈছে তাতোকৈ বেচি হেঁচা দিব লাগিব।

মই কৃষিৰ ক্ষেত্ৰত এটা কথা ডাঙি ধৰিব বিচাৰিছো। আমাৰ নতুন গণপৰিষদ চৰকাৰে কৃষিৰ সন্দৰ্ভত যাতে এটুকুৰা মাটিতে কেইবাটাও খেতি কৰিব পৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখি আঁচনি তৈয়াৰ কৰিছে। এইটো কথা ঠিক যে জনসংখ্যা যি হাৰত বৃদ্ধি হৈ যাব ধৰিছে সেই হাৰত কৃষিৰ উৎপাদন বঢ়া নাই ৰবঞ্চ কমিহে গৈছে। জনসংখ্যা বৃদ্ধিৰ হাৰৰ লগে লগে যে কৃষিৰ উৎপাদনৰ হাৰো বাঢ়িছে সেইটো অসত্য নহয় যদিও জনসংখ্যাৰ অনুপাতে কৃষিৰ উৎপাদনৰ হাৰ তেনেই নগণ্য। এই সম্পৰ্কত বাজেটত এটা কথা দেখিবলৈ পাইছো যে পি এণ্ড ডি আঁচনিৰ জৰিয়তে এটুকুৰা মাটিতে কেইবাটাও খেতি কৰিবলৈ খেতিয়ক সকলক আগবঢ়াই দিবৰ কাৰণে আঁচনি লোৱা হৈছে। আমি আশা কৰিছো এই আঁচনিৰ জৰিয়তে খেতিয়ক সকলক আগবঢ়াই দিব পৰা হব। লগতে আৰু এটা কথা উল্লেখ কৰা হৈছে যে কৃষি সম্প্ৰসাৰণ প্ৰকল্পৰ কামৰ বাবে বিশ্ব বেংকৰ লগত কথা বতৰা পাতি থকা হৈছে। এইটো হলে ইয়াৰ জৰিয়তে অসমৰ কৃষি উৎপাদনৰ ক্ষেত্ৰত আমি আৰু আগবঢ়াই নিব পাৰিম। আজি অসমৰ শতকৰা ৭০ ভাগেই কৃষি জীৱি। সেই কাৰণে কৃষিৰ ওপৰত এনে ধৰণেৰে মনোনিবেশ কৰাৰ কাৰণে

আমি ভাল পাইছো। বিশেষকৈ যি সকল দুখীয়া কৃষক সেই সকলক সকাহ দিবলৈ বা এই আঁচনিৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজক উপকৃত কৰিব পৰাকৈ এই আঁচনি গ্ৰহণ কৰিছে। থিক তেনে ধৰণেৰেই চৰকাৰে যোৱা বছৰটোৰ কথাও মনত ৰাখিছে। যোৱা বছৰৰ খৰাং বতৰ আৰু বানপানীৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই বছৰ যাতে কৃষিৰ কোনো অনিষ্ট নহয় তাৰ এটা বিহিত ব্যৱস্থা এই বাজেটত ৰখা হৈছে। সেই কাৰণে মই মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। ৰবি শস্যৰ আঁচনিৰ জৰিয়তে যিখিনি অসুবিধা হব সেইখিনি আঁতৰ কৰিবলৈকো চেষ্টা কৰা হৈছে। উদ্যোগ নীতিৰ সম্পৰ্কত বিৰোধী পক্ষৰ এজন মাননীয় সদস্যই কৈছে যে, নিবনুৱা সকলৰ বাবে এই বাজেটত কোনো ধৰণৰ আঁচনি লোৱা নাই। কিন্তু উদ্যোগ নীতিৰ জৰিয়তে আমাৰ নিবনুৱা যুৱক সকলক চাকৰিমুখী নকৰি উদ্যোগমুখী কৰাৰ কাৰণে আঁচনি গ্ৰহণ কৰা হৈছে। নতুন চৰকাৰৰ উদ্যোগ নীতি ইতিমধ্যেই গ্ৰহণ কৰা হৈছে। চৰকাৰৰ এই নতুন উদ্যোগ নীতিয়ে আমাৰ ৰাজ্যখনৰ নিবনুৱা যুৱক সক-লক চাকৰিমুখী নকৰি উদ্যোগমুখী কৰি নিজৰ ভৰিত থিয় দিব পৰাকৈ আগুৱাই যাবৰ কাৰণে অনুপ্ৰেৰণা যোগাইছে। চৰকাৰৰ ফালৰ পৰা উদ্যোগ বিভাগে দ্ৰুত আঁচনি গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ বাজেট ভাষণত এই কথাটো ভালকৈ প্ৰতীয়মান হৈছে। ইয়াৰ দ্বাৰা প্ৰায় চাৰি হাজাৰ লোকৰ নিয়োগৰ প্ৰত্যক্ষভাৱে আৰু প্ৰায় ছয় হেজাৰ লোকৰ পৰোক্ষভাৱে নিয়োগৰ ব্যৱস্থা হব। চৰকাৰে গ্ৰহণ কৰা এই উদ্যোগ নীতিৰ দ্বাৰা যদি আমাৰ যুৱক সকলক উদ্যোগমুখী কৰিব পৰা যায় তেতিয়াহলে, 'অসম উদ্যোগৰ ক্ষেত্ৰত পিচপৰা' বুলি যি আমাৰ কথা আছে সেই কথাষাৰ আমি আতৰ কৰিবলৈ সমৰ্থ হম।

মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুতৰ সম্পৰ্কতো এই বাজেটত বৰকৈ জোৰ দিয়া হৈছে। এছ, ই, বিএ এখন গাৱঁলৈ লাইন তৰিলেই সেই গাওঁখনক ইলেক্‌ট্ৰিফাইড বুলি ধৰি লোৱা হয়। কিন্তু প্ৰকৃতাৰ্থত সেইটো নহয়। এখন গাওঁ ইলেক্‌ট্ৰিফাইড হোৱাৰ পিছত 'ইণ্টেচিফিকেশ্বন' হব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সৰহ সংখ্যক টকাকেই বাজেটত ধৰিছে। ১২৯·৮৭ কোটি টকা। এই ধৰণে অসমৰ একেবাৰেই ভিতৰুৱা অঞ্চললৈকো বিজুলী যোগান ধৰিব পাৰিব। তাৰোপৰি, বিজুলী উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰটো আমাৰ চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

তাৰ পিছত মাননীয় চেয়াৰমেন মহোদয়, বন বিভাগৰ ক্ষেত্ৰত আমি

কওঁ যে, আগৰ চৰকাৰে যধে-মধে গছ-গছনি আদি নিৰ্মূল কৰাৰ ফলত অসমত অভূতপূৰ্ব খৰাং আৰু বানপানীৰ সৃষ্টি হ'ল। অধিক গছ গছনি ধ্বংস কৰাৰ ফলত ইকলজিকেল বেলেন্স' হেৰাই গৈছে। আগৰ চৰকাৰে অধিক হাড়ত গছ-গছনি কটাৰ কাৰণে যি 'ইকলজিকেল বেলেন্স' হেৰাই গ'ল সেই 'বেলেন্স' ৰক্ষা কৰিবৰ কাৰণেই গণপৰিষদ চৰকাৰে গছ-গছনি কটাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে। অকল সিমানেই নহয় সমগ্ৰ ৰাজ্যখনতে ব্যাপক হাড়ত গছ-গছনি ৰোৱাৰ ব্যৱস্থা কৰিছে। অসমৰ জলবায়ুত হোৱা গছ-গছনি বিলাক ৰুই সেই বিলাক পুৰণি হোৱাৰ পিছত যাতে তাৰ দ্বাৰা সম্পদ আহৰণ কৰিব পৰা যায় তাৰ কাৰণে 'ইউকেলিপটাচ' আদি জাতীয় গছ নলগাই স্থানীয় গছ-গছনি ৰোৱাৰ দিহা কৰিব বিচৰা হৈছে। তাৰ উপৰিও মাননীয় চেয়াৰমেন মহোদয়, মানস অভয়াৰণ্যক এখন ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰাৰ কাৰণেও চৰকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিছে। লগতে মই কাজিৰঙা অভয়াৰণ্যৰ কথাও উনুকিয়াব খুজিছো। গুৱাহাটীৰ পৰা উজনি অসমলৈ যাওঁতে যেতিয়া কাজিৰঙা অভয়াৰণ্যৰ ফালে যোৱা যায় তেতিয়া ওচৰে পাজৰে কিছুমান জুপুৰী ঘৰ সাজি মানুহে বসবাস কৰা দেখা যায়। এই মানুহ বিলাকৰ নাগৰিকত্বৰো সন্দেহ আছে। বনৰীয়া জীৱ-জন্তু বিলাকে যাতে মুকলি মূৰী-য়াকৈ সেই অঞ্চলত বিচৰণ কৰিব পাৰে তাৰ কাৰণে সেই মানুহ বিলাকক উচ্ছেদ কৰাৰ দিহা কৰিব লাগে। সেই বিলাক অঞ্চলত যত বনৰীয়া জীৱ-জন্তু আদিয়ে বিচৰণ কৰে তাত মানুহ বসবাস কৰাৰ কাৰণে গড়বিলাক ৰাস্তালৈ উঠি আহে। তাৰ ফলশ্ৰুতি হিচাবে অলপ দিনৰ আগতে ৰাস্তাত গাড়ীৰ খুন্দাত এটা গড় নিধন হোৱা কথাটো ইতিমধ্যেই প্ৰকাশ পাইছেই। গতিকেই নাগৰিকত্বৰো সন্দেহ থকা এই লোক সকলক যিমান পাৰি সোন-কালেই উচ্ছেদ কৰিব লাগে। লগতে মই আৰু এটা কথা উনুকিয়াব খুজিছো আৰু সেইটো হৈছে যে, ব্ৰহ্মপুত্ৰৰ খহনীয়াই প্ৰায় দুই কিলোমিটাৰ মান অঞ্চল খহাই নি কিছুমান অসুবিধাৰ সৃষ্টি কৰিছে। এই বিষয়ে সদনত ইতিমধ্যে আলোচনাও হৈছে। তাৰ মাছ মাৰিবৰ কাৰণে মাছমৰীয়া সকলক আবণ্টন দিয়া হয়। ফলত সেই মাছমৰীয়া সকলৰ সুবিধা লৈ চোৰাং চিকাৰিয়ে নিজৰ সুবিধা আদায় কৰে। গতিকেই এই দিশৰ পৰা চিন্তা কৰি সেই অঞ্চল সমূহক মাছ ব্যৱসায়ৰ পৰা ৰেহাই দিব লাগে। নহলে চোৰাং চিকাৰিয়ে গড় আদি নিধন কৰিব।

মাননীয় চেয়াৰমেন মহোদয়, শিক্ষাৰ ক্ষেত্ৰটো আমাৰ চৰকাৰে যি নীতি গ্ৰহণ কৰিছে তাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী আৰু লগতে শিক্ষা-মন্ত্ৰীক ধন্যবাদ জনাবই লাগিব। 'টেকনিকেল আৰু নন্ টেকনিকেল' এই দুয়ো শিতানতে ৰাজ্যখনত এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ কাৰণে এক বুজন পৰিমাণৰ টকা ধাৰ্য্য কৰিছে। এইটো নিতান্তই ভাল কথাই হৈছে বুলি ভাবো। ইয়াৰ ফলত আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে যি বিলাক আপত্তি আনি তুলি থাকে সেই বিলাকৰো মুদা মৰিব।

স্বাস্থ্য বিভাগৰ এটা কথা কওঁ, স্বাস্থ্য মন্ত্ৰীক ধন্যবাদ জনাব লাগিব, যে আঁচনিৰ জৰিয়তে বছৰটোত যিমান বিলাক ৩০ খন বিচনাযুক্ত হস্পিতাল আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মান কৰা হৈছে তাৰ পিছৰ কাম খিনি হ'ল এই হস্পিতাল আৰু স্বাস্থ্য কেন্দ্ৰ বিলাকত কৰ্মচাৰী যেনে ডাক্তৰ, ফাৰ্মাচিষ্ট ইত্যাদি নিযুক্তি দিব লাগিব আৰু এই সম্পৰ্কে বাজেট বক্তৃতাত উল্লেখ কৰা দেখিবলৈ পাইছো যে ইতিমধ্যে যিমান বিলাক ৩০ খন বিচনাযুক্ত হস্পিতাল আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন হৈছে তাৰ মানে বুজা গৈছে অহা বছৰৰ ভিতৰত অৰ্থাৎ ১৯৮৭।৮৮ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব আৰু সেই অঞ্চল বিলাকত ৰাইজে সুবিধাজনক স্বাস্থ্যৰ সেৱা পাব আৰু ওচৰতে যেতিয়া হস্পিতাল থাকিব ৰাইজে নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হব।

ঠিক তেনেধৰণে অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ কথা কৈছে। এই ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য হৈছে বুলি কব লাগিব। ১৯৮৬-৮৭ চনত অনুসূচীত জাতিৰ কাৰণে কোৱানটিফাইড এমাউণ্ট আছিল ১৩.৯৫ কোটি টকা কিন্তু অহা বছৰৰ কাৰণে অৰ্থাৎ ১৯৮৭-৮৮ চনৰ কাৰণে বঢ়াই ২১.৫ কোটি টকা অনুসূচীত জাতিৰ উন্নয়নৰ কাৰণে কোৱানটিফাই এমাউণ্ট ধৰা হৈছে তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। অথচ এই অৱহেলিত আৰু দুখীয়া মানুহ খিনিৰ কাৰণে যোৱা চৰকাৰ কেইটাৰ দিনত কোনো কাম কৰা নহ'ল। এই দুৰ্বল শ্ৰেণীৰ মানুহখিনিৰ কাৰণে একো কৰা নহ'ল। এইবাৰ বাজেটত যি ৩১.৫ কোটি টকা ধাৰ্য্য কৰা হৈছে আশাকৰো তাৰে আমি এই পদদলিত মানুহখিনিক আগবঢ়াই নিব পাৰিম। এই টকা খিনি খৰচ কৰাৰ ক্ষেত্ৰত ফান্দটো মহকুমা পৰ্য্যায়ত ভাগ কৰি দিয়া হব। গতিকে মই আশা কৰিছো আমাৰ ওয়েলফেয়াৰ দিপাৰ্টমেণ্টৰ মণিটৰিং

চেলৰ জৰীয়তে এই টকা খিনি সৎব্যৱহাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখিব। যোৱা কেইটা বছৰত এই দুখীয়া মানুহ খিনিক এটা মতা হাঁহ, মতা ছাগলী, বিধবা মানুহখিনিক দি জনজাতিৰ উন্নতি কৰিবলৈ বিচৰা হৈছিল কিন্তু এতিয়া সেই ধৰণে নহয়। এতিয়া ক্লাচটাৰ বেচিচত কেইবাখনো গাওঁ একেলগে লৈ সমূহীয়া উন্নয়নৰ কাৰণে আঁচনি কৰা হৈছে, আশাকৰো এই ব্যৱস্থাৰে দুখীয়া জনজাতিৰ মানুহবিলাকৰ উন্নতি হ'ব। যোৱা ৩৮ বছৰে বিগত চৰকাৰ সকলে যদি এখনকৈ গাওঁ ললেহেতেন তেতিয়াহলে অন্ততঃ ৩৮ খন গাওঁ ওলালেহেতেন, কিন্তু এতিয়া আমাৰ এখনো উন্নত গাওঁ আছে বুলি কব নোৱাৰি। মই আশা কৰিছো সদনৰ জৰিয়তে যিখিনি টকা ধাৰ্য্য কৰিছে সেই টকা খিনি ভাল ধৰণে খৰছ কৰিলে আমি দুখীয়া মানুহখিনিক, অৱহেলিত মানুহ খিনিক আৰ্থিক দিশত আগুৱাই নিব পাৰিম। ইতিমধ্যে বিৰোধী পক্ষৰ এজন সদস্যাই এটা কথা কৈছিল যে দুখীয়া জনসাধাৰণৰ কাৰণে কোনো ধৰণৰ আঁচনি এই বাজেট বক্তৃতাত নাই কিন্তু এই যিটো আঁচনি ইয়াত উল্লেখ কৰিছে তাৰ দ্বাৰাই দুখীয়া ৰাইজৰ উপকাৰ হব আৰু আমাৰ চৰকাৰে যি উদ্যোগ নীতি লৈছে তাৰ দ্বাৰা দুখীয়া শ্ৰেণীৰ ৰাইজ উপকৃত হব, গতিকে নাই বোলা কথাটো সত্য নহয়। আৰু এটা কথা এজন সদস্যাই কৈছে যে ফুটা কলহৰ নিচিনা হৈছে। অধ্যক্ষ মহোদয়, ফুটা কোনে কৰিলে যোৱা চৰকাৰ কেইটাই এতিয়া আমাৰ দিনত তাত প্লাচটাৰ দিব লগীয়া হৈছে। এই ফুটা কলহ আমাৰ চৰকাৰৰ দিনত বেচি দিন ফুটা হৈ নাথাকে। ইতিমধ্যে প্লাচটাৰ কৰিছে আৰু প্লাচটাৰ হব। তাৰোপৰি সেই ফুটা কলহত ভাল পানী ভৰোৱা নাছিল তাত সুৰাহে ভৰালে আৰু সেই কাৰণে আমি অসুবিধা পাব লগীয়া হৈছে আৰু বেছি কষ্ট কৰিব লগীয়া হৈছে আৰু সেই কষ্টখিনি কৰা হৈছে। আৰু এটা কথা আমাৰ প্লেনৰ কাম এপ্ৰিলৰ পৰা আৰম্ভ হব। এই কাম বিলাক মহকুমা পৰ্য্যায়ত আৰম্ভ হব। এটা কথা যাতে আমাৰ চৰকাৰে ৩১ মাৰ্চলৈ কামখিনি কৰিবলৈ পেলাই নথয়। ২।১ টা কথা শুনিবলৈ পাইছো এল, অ, চি অহা নাই গতিকে মই ভাবো এই মণিটৰীং চেলৰ দ্বাৰা এই কথা বিলাক দূৰ কৰিব পৰা হব। আমি কিছু কিছু অনুদান তলৰ লেভেলতে পঠাব পাৰে। আন এটা কথা হ'ল কৰ্মচাৰী সকলক মৰগীয়া বানচ দিয়াৰ কথা বাজেটত গ্ৰহণ কৰিছে তাৰ কাৰণে ভাল পাইছো। আমাৰ সৰ্বসাধাৰণ ৰাইজৰ কাৰণে কৰ সংশোধনৰ ব্যৱস্থা কৰিছে

তাৰ যোগেদি এটা কথা কব লাগিব যে চাইকেল আৰু ঔষধ-পাতি সামগ্ৰীৰ ওপৰত কৰ ৰেহাই দিয়াৰ ক্ষেত্ৰত আমাৰ যি সকল দুখীয়া মানুহ আছে তেওঁলোক কেৱল চাইকেল খনৰ ওপৰত নিৰ্ভৰ কৰি থাকে আৰু যি সকল দুখীয়া মানুহে মৃত্যুৰ সময়ত ঔষধ বিচাৰি টনা আজোৰা কৰি থাকে সেই সকলে যথেষ্ট খিনি উপকৃত হব। ওচৰতে ঔষধ-পাতি কম দামতে পালে তেওঁলোকে সকাহ পাব। এই ৰেহাই দিয়াৰ কাৰণে আমি ভাল পাইছো। ইতিমধ্যে মাননীয় সদস্য বৰা ডাঙৰীয়াই কৈ গৈছে যে খাৰৰা তেল আমাৰ বুকুৰ তেজৰ নিচিনা আৰু এই তেলৰ ওপৰত যি উৎপাদন হয় তাৰ এটা অংশ ভাগ কেন্দ্ৰীয় চৰকাৰে লৈ যায়। এই কথা নতুন চৰকাৰে ইতিমধ্যে লক্ষ্য কৰিছে।

ঠিক তেনেকৈ চিনেমা হলত ২৫ শতাংশ কৰ বৃদ্ধি কৰিছো। আমাৰ বিৰোধী দলৰ সদস্য সকলে যি দৰে কৈছে যে কৰ বৃদ্ধিৰ ফলত সাধাৰণ জন-গণৰ ওপৰত হেঁচা পৰিব। মই কওঁ যে আমোদ কৰ বৃদ্ধিৰ ফলত কোনো সাধাৰণ জন-গণৰ ওপৰত হেঁচা নপৰে। তেওঁলোকে কোনো ধৰণৰ কষ্ট নাপায়। চিনেমা এখন চাই আমোদ পাবলৈহে এইটো ভাত খাবলৈ নোপোৱা কথা নহয়। যিহেতুকে দুখীয়া জনসাধাৰণৰ ওপৰত হেঁচা নপৰাকৈ কৰ বৃদ্ধি কৰা হৈছে, তাৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। গুৱাহাটীৰ চাহৰ নিলাম বজাৰত ১ শতাংশ টেক্স লগোৱা হৈছে। ইয়াৰ আগতে বজাৰ খন উঠিবলৈ অৰ্থাৎ সহায় কৰিবৰ কাৰণে ৰেহাই দিয়া হৈছিল কিন্তু এতিয়া ৰেহাই দিয়াৰ প্ৰয়োজন নাই। বিক্ৰিকৰৰ জৰিয়তে অসমৰ ৰাজ্য কোষলৈ যি ২·৫ কোটি টকা আহিব তাৰ দ্বাৰা দুখীয়া জনসাধাৰণক কিছু সহায় কৰিব পৰা যাব। ঠিক তেনেকৈ চাহপাতৰ ওপৰত বিক্ৰিকৰ লগাইছে। লোহাৰ চন্দুক, ঘড়ী আদিত ১২ পৰা ১৩ শতাংশ কৰ বৃদ্ধি পাইছে। যি খিনি অত্যাৱশ্যকীয় সামগ্ৰী নহয় তাৰ ওপৰত কৰৰ প্ৰস্তাৱ কৰাৰ বাবে সৰ্ব্বসাধাৰণ ৰাইজে কোনো অসুবিধা নাপায়। এই বাজেটৰ ওপৰত কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ বহু খিনি কথা নিৰ্ভৰ কৰিছে। বৰাদেৱে কৈ গৈছে যে যি পৰিমাণৰ ধন পৰিকল্পনা আয়োগে আগবঢ়াব লাগিছিল তাতকৈ কম। জনসংখ্যাৰ যিখিনি তথ্য ইতিমধ্যে দিছে সেইটো ভুল বুলি আলোচনা হৈছে। এই ক্ষেত্ৰত পৰিকল্পনা আয়োগ প্ৰত্যেক ৰাজ্যৰ সদস্যৰে যাতে গঠিত হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবৰ কাৰণে এই সদনৰ মজিয়াত মত দাঙি ধৰিলো আৰু যাতে সকলো ৰাজ্যৰ প্ৰতি সমান দৃষ্টি দি ধন আবণ্টনৰ ক্ষেত্ৰত ৰাজনৈতিক

সিদ্ধান্ত গ্ৰহণ নকৰি অৰ্থনৈতিক সিদ্ধান্ত লয় তাৰ কাৰণে আহ্বান জনালো। এই খিনিকে কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ১৯৮৭-৮৮ চনৰ যি খন বাজেট দাঙি ধৰিছে, সেই খন অৰ্থ নৈতিক ভাষাত— This Budget is very soft and mild for all sections of the people. এই বাজেট খনৰ আৰম্ভনীতে যি কেইটা কথা কৈছ সেইখিনি কথাই আমাৰ ৰাজ্যৰ কথাই প্ৰতিফলিত কৰিছে। আমাৰ মাননীয় সদস্য সকলে ইতিমধ্যে বহুখিনি কথা কৈছে। মই মাত্ৰ দুটা কথা উল্লেখ কৰিব খুজিছো। আমাৰ বাজেট খনত দেখিবলৈ পাইছো বিজুলীৰ ওপৰত চৰকাৰে অগ্ৰাধিকাৰ দিছে। তাৰ বাবে ধন্যবাদ দিছে। বিজুলীৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন উদ্যোগ চলে। এই বাজেট খন কৰ বিহীন বাজেট। নতুন কৰ লগোৱা নাই। দুই এটা শিতানত কৰ বৃদ্ধি কৰিছে। দুই এটা কৰ ৰেহাই কৰাৰ কাৰণে সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ মানুহৰ কাৰণে সচাকৈ ভাল হৈছে। আৰু তেওঁলোকে ইয়াক নিশ্চয় গ্ৰহণ কৰিব। কৰৰ যিটো পৰিস্থিতি ইয়াত দাঙি ধৰিছে তাৰ প্ৰতি সমৰ্থন জনাও। অসমৰ অৰ্থ নৈতিক পৰিস্থিতিত কেন্দ্ৰই যিখিনি হেমাহি কৰিছে সেই খিনি উল্লেখ কৰিছে। চাহপাতৰ ওপৰত কৰ লগোৱাৰ বাবে ধন্যবাদ দিছো। পশ্চিমবঙ্গ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু আদি চৰকাৰে চৰ্কাৰী আয়োগৰ ওচৰত কেন্দ্ৰ ৰাজ্যৰ সম্বন্ধৰ ক্ষেত্ৰত পৰামৰ্শ দাঙি ধৰিছে। সেই পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰে বাস্তৱ ৰূপ দিয়া নাই। বাস্তৱ ৰূপ দিয়াৰ কাৰণে আমাৰ ফালৰ পৰা জোৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিবলৈ পাইছো ইন্ধনৰ ওপৰত শতকৰা ৫ ভাগ কৰ বৃদ্ধি কৰিছে যদিও সাধাৰণ মানুহৰ আঘাট নপৰে। সকুস্মৰা ঘড়ী, চন্দুক, আলমাৰী আদিৰ ওপৰত মাত্ৰ শতকৰা ৯ ভাগ কৰ বৃদ্ধি কৰিছে। ইয়াৰ দ্বাৰা সাধাৰণ শ্ৰেনীৰ মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰিব। চাহ উদ্যোগৰ ক্ষেত্ৰত ১৯৮২ চনৰ পৰা ১৯৮৭ চনলৈ কৰ ৰেহাই দিয়া হৈছে। এতিয়া মাত্ৰ শতকৰা ৩ ভাগ বৃদ্ধি কৰিছে। চাহ উদ্যোগৰ কথা বিৰোধী সদস্য সকলে কৈছে যে, এই কৰৰ দ্বাৰা চাহ বনোৱাৰ বানচত প্ৰভাৱ পৰিব। মই কৰ বিচাৰিছো যে চাহ নিলামৰ ক্ষেত্ৰত শতকৰা ১ ভাগ কৰ লগাইছে। ইয়াৰ দ্বাৰা বনোৱা সকল ক্ষতিগ্ৰস্ত নহয়। আমোদ কৰ যিটো বৃদ্ধি কৰিছে তাৰ প্ৰতি সমৰ্থন কৰিছো। মাননীয় সদস্য দুই এগৰাকীয়ে কৈছে যে, থিয়েটাৰ ৰিলাকে আমোদ কৰ দিব লাগিব।

কিন্তু থিয়েটাৰ বিলাকে অসম চৰকাৰৰ বিত্ত বিভাগলৈ লিখিলে আমোদ কৰা ৰেহাই দিয়াৰ ব্যৱস্থা আছে। গতিকে এই ক্ষেত্ৰত তেওঁলোকৰ ওপৰত প্ৰভাৱ নপৰিব। কৰ সংগ্ৰহৰ ব্যৱস্থাত মই কব বিচাৰিছো যে, কৰ যাতে ফাঁকি দিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। ৰাজহ সংগ্ৰহ ক্ষেত্ৰত বিভাগ বিলাকত কৰৰ সূৰুঙা যাতে বন্ধ কৰিব পাৰি তাৰে ব্যৱস্থা কৰিব লাগে। নে বিভাগত কৰ লিকেজ হয়। গতিকে এই বিলাকৰ ব্যৱস্থা কৰিব লাগিব। তাৰ পাচত আমাৰ বেকিং পদ্ধতিটো ভাল নোহোৱাৰ কাৰণে অৰ্থ নৈতিক দিশত আগবাঢ়ি যাব পৰা নাই। বেংক বিলাকে যিখিনি কাম কৰিব লাগিছিল সেই দৰে হোৱা নাই। আমাৰ যিবিলাক গাঁৱলীয়া বেংক আছে সেই বিলাকত চৰকাৰৰ অংশ আছে। আই আৰ ডি পি আদি লোন পোৱাৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। অসম চৰকাৰৰ যিহেতু অংশ আছে এই বিলাকত চকু দিব লাগে যাতে লোন লোৱাৰ ক্ষেত্ৰত বাধা নাপায়। আমাৰ থিকাদাৰ বিলাকৰ বেংক গ্ৰাণ্টৰ বিষয়ে চাব লাগিব কাৰণ তেওঁলোকৰ টকা পইচা নাই। শতকৰা ৭৫/৮০ ভাগৰ কম যাতে বেংক গ্ৰাণ্ট নহয় চাব লাগিব। এই বিষয়ত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে মই দৃষ্টি গোচৰ কৰিলো।

माননীয় অধ্যক্ষ মহোদয়, আশাকৰো এই চৰকাৰে বেংক বিলাকৰ লগত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব আৰু যোগাযোগৰ ব্যৱস্থা গ্ৰহণ কৰিব। মই ইতিমধ্যে বন বিভাগৰ কথা কিছুমান উল্লেখ কৰিছো। বনাঞ্চলৰ ক্ষেত্ৰত চৰকাৰে বিশেষ নীতি গ্ৰহণ কৰিলে আমি আগবাঢ়িব পাৰিম। ইতিমধ্যে শ্ৰীশম্ভু ওজাই মালেয়েচিয়াৰ কথা উল্লেখ কৰিছে। কোৱা হৈছে যে মালেয়েচিয়াৰ পৰা বিদেশী কাঠ অনা হৈছে। কথাটো সঁচা নহয় কাৰণ আমাৰ ইয়াত কাঠ কটা বন্ধ কৰাৰ বাবেহে মালেয়েচিয়াৰ পৰা কাঠ অনা হৈছে। ১৯৮৩-৮৪ চনত যিবিলাক কাঠৰ বাবে পাৰ্মিট দিয়া হ'ল এই বিষয়ে মই উল্লেখ কৰিব বিচৰা নাই। সামাজিক বনানীকৰণৰ ক্ষেত্ৰত বিগত কালছোৱাত ভেকোভাওনা কৰা হৈছিল। অহা বছৰটোত যাতে সামাজিক বনানীকৰণৰ ক্ষেত্ৰত যাতে ভেকো ভাওনা কৰা নহয় তাৰ বাবে চেষ্টা কৰিব বুলি আশা কৰিলো। তাৰোপৰি আমাৰ সামাজিক বনানীকৰণত বিদেশী কাঠ ৰোপন নকৰি তাৰ ঠাইত চেগুন আৰু শাল গছৰ পুলি লগাব লাগে। তাৰোপৰি আমাৰ এনে কিছুমান বনাঞ্চল আছে যিবিলাকত এতিয়াও কোনোধৰণৰ

গছৰ পুলি ৰোপন কৰা হোৱা নাই। গতিকে এই ক্ষেত্ৰত আমাৰ বন বিভাগে বিশেষকৈ গছ-গছনি ৰোৱাৰ ক্ষেত্ৰত দৰৱ জাতীয় ঔষধ আদিৰ গছো ৰোপন কৰিব লাগে। আজি দেখা গৈছে যে কিছুমান বনাঞ্চল আজি জন-অঞ্চলত পৰিণত হৈছে। সেই বনাঞ্চল বিলাকত হাজাৰ হাজাৰ মানুহ বসবাস কৰিছে। উদাহৰণ স্বৰূপে দৈয়াং অঞ্চলৰ কথা সকলোৱে জানে। তাত প্ৰায় তিনি লাখৰো অধিক মানুহে বসতি কৰিছে। গছ এদালো নাই, মাত্ৰ বনাঞ্চল বুলি কৈ থকা হৈছে। সংৰক্ষিত বনাঞ্চল বুলি কৈ থকা হৈছে। গতিকে দৈয়াং বনাঞ্চলত বসতি কৰা ৰাইজে যোৱা ১৯৭৪ চনৰ পৰাই দাবী জনাই আহিছে আৰু ১৯৭৯ চনত চৰকাৰে বনাঞ্চল মুকলি কৰা হব বুলি ঘোষণা কৰিছে। আশাকৰো চৰকাৰে বৰ্ত্তমান বছৰত বনাঞ্চল মুকলি কৰা হব বুলি ঘোষণা কৰিব। গতিকে দৈয়াং বনাঞ্চলত থকা ৰাইজক মাটিৰ অধিকাৰ দিব লাগে।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত কব বিচাৰিছো যে, কমাৰ্চিয়েল শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে জোৰ দিব লাগে। আমাৰ বানিজ্য শিক্ষাৰ ক্ষেত্ৰত আমি অতি পিচপৰি আছো। আজি লেবৰটৰি মেনেজমেণ্ট আৰু হোটেল মেনেজমেণ্টৰ ক্ষেত্ৰত আৰু টেকনিকেল শিক্ষাৰ ক্ষেত্ৰতো আমি অতি পিচপৰি আছো। আমাৰ ইয়াত দুখন ইঞ্জিনিয়াৰিং কলেজ আৰু পলিটেকনিক আছে। কিন্তু পেপাৰ টেকন'লজি, চুগাৰ টেকন'লজি, পেট্ৰলিয়াম টেকন'লজিৰ বাবে চৰকাৰে বিশেষ পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিব লাগে। পেপাৰ মিল বিলাকত আজি বাহিৰৰ পৰা মানুহ আহি কাম কৰিব লগা হৈছে। চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আজি উত্তৰ কাছাৰ আৰু কাৰ্বি আংলঙৰ ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মই আশা কৰিছো পাৰ্বত্য অঞ্চলৰ পৰিকল্পনাৰ বাবে যি টকা ধাৰ্য্য কৰা হৈছে তাৰ বাবে সুখ পাইছো। কিন্তু টকা দিয়া মতে তাৰ বিতৰণ হোৱা নাই। গতিকে ডিষ্ট্ৰীক্ট কাউন্সিলৰ ওপৰতো আমাৰ চৰকাৰে দৃষ্টি ৰাখিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ খাৰুৱা তেলৰ ক্ষেত্ৰতো এটা কথা কব বিচাৰিছো যে, আমি যিটো ৰয়েলিটি পাব লাগে সেইটো পোৱা নাই। গতিকে যাৱতীয় ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিব লাগে। অসমৰ খাৰুৱা তেল পাইপ লাইনেদি গৈ শিলিগুৰি হৈ বেংগলত বিক্ৰি হয় আৰু আমি তাৰ কোনো ৰয়েলিটি নাপাও। গতিকে এইটো পোৱাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, জিলা প্ৰশাসনৰ ক্ষেত্ৰত বাজেটত অগ্ৰাধিকাৰ দিয়া হৈছে। ৰাজ্যপালৰ ভাষণত দেখা পাইছো যে, মাইবঙত এটা মহকুমা। কৰা হব। গোলাঘাট সম্পৰ্কত মই এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে: এইটো এটা অতি পুৰণি মহকুমা। অসমৰ ভিতৰত এটা ডাঙৰ মহকুমা ইয়াত প্ৰায় ৪ হাজাৰ বৰ্গ কিলোমিটাৰ মাটি আছে আৰু লোকসংখ্যা পায় ১০ লাখৰো অধিক হব। তাৰোপৰি বনাঞ্চল এলেকাও আছে আৰু সীমান্ত নগালেণ্ড এলেকা। পুৰণা এই মহকুমাৰ প্ৰশাসনৰ সুবিধাৰ কাৰণে গোলাঘাটৰ বাইজে অসম চৰকাৰৰ ওচৰত দাবী জনাইছে যে, এই বিত্তীয় বছৰতে এই মহকুমাক জিলালৈ উন্নিত কৰিব লাগে। আশাকৰো চৰকাৰে এই ক্ষেত্ৰত উচিত দৃষ্টিভংগী গ্ৰহণ কৰিব।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত প্ৰচাৰ বিভাগৰ ওপৰত এটা কথা কব বিচাৰিছো। চৰকাৰে প্ৰচাৰ বিভাগৰ ওপৰত দৃষ্টি ৰাখিব লাগে। চৰকাৰৰ যিবিলাক কাৰ্য্যসূচী আমাৰ গাঁৱলীয়া ৰাইজে গম নাপায়। গতিকে সেই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। গতিকে প্ৰচাৰ বিভাগক আৰু সবল কৰি তুলিব লাগে। তাৰোপৰি আমাৰ অসমৰ যিবিলাক বীৰ পুৰুষ আছে, তেওঁলোকৰ কিছুমান জীৱনৰ আদৰ্শ বাহুল্য ভাবে লিখি ৰাজ্যৰ বাহিৰলৈ পঠিয়াব লাগে। জ্যোতিপ্ৰসাদ, কনকলতা, শংকৰ বৰুৱা, পিয়লি ফুকন আৰু কুশল কোঁৱৰ আদিৰ জীৱনী লিখি বাহিৰৰ ৰাজ্য বিলাকলৈ নপঠিয়াব বাবেই ভাৰতৰ মানুহে নাজানে আৰু ভাৰতৰ স্বাধীনতাৰ ইতিহাসত এওঁলোকৰ নাম নাই। আমাৰ কৃষ্টি আৰু সংস্কৃতিৰ যিবিলাক অনুষ্ঠান আছে সেইবিলাকতো চৰকাৰৰ ফালৰ পৰা সাহায্য দিব লাগে। আমাৰ তেজপুৰ আৰু ডিব্ৰুগড়ত কেইটামান অনুষ্ঠানক চৰকাৰৰ ফালৰ পৰা সাহায্য দিব বুলি কৈছে। সংস্কৃতি জীয়াই থাকিলেহে আমি জীয়াই থাকিম। আৰু আমি জীয়াই থাকিলেহে সংস্কৃতি থাকিব। এটা কথাত কবলৈ হলে আমাৰ এই বাজেট মিহি আৰু গ্ৰহণযোগ্য হৈছে। গতিকে মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। আশা কৰিছো চৰকাৰৰ ফালৰ পৰা আচৰে আমাৰ যিটো শতকৰা ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদানৰ ব্যৱস্থা চলি আছে, এই ক্ষেত্ৰত ৯০ শতাংশ সাহায্যৰ ব্যৱস্থা আৰু ১০ শতাংশ ঋণৰ ব্যৱস্থা কৰিবৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

Mr. Speaker :—Now Shri Swarup Upadhyaya will speak.

শ্ৰীস্বৰূপ উপাধ্যায়—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে দাঙি ধৰা বাজেট বক্তব্যৰ পৰা এটা কথা স্পষ্ট হয় যে অসম গণপৰিষদ চৰকাৰৰ পৰা অসমৰ ৰাইজে বহু বিচাৰে, অসম গণপৰিষদ চৰকাৰৰ পৰা বিচাৰে যে অসম চুক্তি ৰূপায়ণ কৰক। অসম গণপৰিষদ চৰকাৰৰ পৰা অসমৰ ৰাইজে বিচাৰে নিবনুৱা সমস্যা সমাধান কৰক। মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট ভাষণত এটা কথা পৰিস্ফুট কৰিব বিচাৰিছে যে দায়বদ্ধতা বিষয়। তেখেতে এই বিষয়ে অৱগত হলেও নিৰুপায়। তেখেতে অসমৰ ৰাইজে বিচৰাকে সহায় কৰিব নোৱাৰে। অৰ্থনৈতিক উন্নয়ন সাধনৰ ক্ষেত্ৰত নোৱাৰে, অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত নোৱাৰে। তেখেতে এই বাজেট ভাষণত কৈছে যে অসম চুক্তি ৰূপায়ণৰ কাৰণে কিছুমান কাম হাতত লৈছে। অসম চুক্তিৰ দফাত আছে—

"Undertake review of detention cases if any, as well as cases against persons charged with criminal offences not in agitation except these charges with commission of heinous offences".

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ পৰা জানিব বিচাৰিছো যে নৰহত্যা কেচ বিলাক জঘন্য অপৰাধ নহয় নে? অসম চৰকাৰে এই দফা ঠিক আখৰে আখৰে পালন কৰিব পৰা নাই। ইয়াৰ পৰা অনুমান কৰিব লাগিব যে অসম গণপৰিষদ চৰকাৰৰ সম্পূৰ্ণ ভাল কাম কৰিছে বুলি কোৱাটোত গভীৰতা কিমান। এটা দৃষ্টান্ত মই দাঙি ধৰিব বিচাৰিছো যে যোৱা মাঘবিহুৰ সময়ত অবৈধ ভাৱে পানপুৰ বিল বনাঞ্চলত কোনোবা দুৰ্বৃত্তই গোটেই বিলাক মাছ মাৰি লৈ গুচি গ'ল। বন ৰক্ষক মাত্ৰ ডেৰ কিলোমিটাৰ মান আঁতৰত আছিল। এই চৰকাৰে এইটো সংৰক্ষণ কৰা হলে তাৰ পৰা ৬ লাখ মান টকা পালেহেঁতেন। গতিকে এই বিভাগৰ বিষয়া সকলৰ হেমাহিৰ বাৱেই এনে কাৰ্য্য হবলৈ পাইছে। আৰু এই বিষয়া সকলক কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নহয়, লৰ নোৱাৰে সেইটো বিচাৰ্য্য বিষয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰে বাজেট ভাষণত আৰু এটা কথা উল্লেখ কৰিছে যে সীমা-মূৰীয়া ৰাজ্য কেইখনৰ লগত আমাৰ একো গণ্ডগোল নাই। কিন্তু অৰুণাচল বৰ্ডাৰৰ পৰা সঘনে মানুহ আহি ইয়াত খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰি আছে। পিচত তেওঁলোকে কৰ

আমাৰ সীমাৰ ভিতৰতহে আমি উপাৰ্জন কৰি বসবাস কৰি আছো। পিচত সেই বিলাক গণ্ডগোল হৈ তেওঁলোকে ডিকলাৰ দিব ইয়ালৈকে অৰুণাচলৰ সীমা। যদি এনে ধৰণৰ খেলি-মেলি হৈ থাকে তেন্তে অৰ্থনৈতিক বিকাশ সাধন হব নোৱাৰে। যদি অসম গণপৰিষদ চৰকাৰে ভাল কাম কৰিছে বুলি ভাবিছে তেন্তে ভাল কথা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা অসম গণপৰিষদ চৰকাৰে নিজৰ সমষ্টিতহে বেচি গুৰুত্ব দিছে। য'ত নেকি, য'ৰ পৰা অসম গণপৰিষদৰ প্ৰাৰ্থী নিৰ্বাচিত হৈ অনা নাই সেই সেই অঞ্চল বিলাকত একো কাম কৰিব পৰা নাই, বা তেওঁলোকে যিদৰে সুবিধা দিব লাগে সেই ধৰণৰ দিয়া নাই। তাৰ দৃষ্টান্ত মই দিব বিচাৰিছো যে স্কুলৰ ক্ষেত্ৰতেই। বিৰোধী পক্ষই ১২ খন প্ৰাথমিক স্কুল লব দিছে আৰু চৰকাৰী পক্ষই ৩৬ খন লৈছে। মই আপোনা-লোকক এটা কথা সকিয়াই দিব বিচাৰিছো যে আপোনালোকে গোটেই অসম খন নিজৰ বুলি ভাবিবলৈ শিকক। ভাল পাবলৈ শিকক। ( সময়ৰ সংকেট ) মই আৰু কব পাৰিম নে?

May I know Mr. Speaker Sir, whether my time is over.

Mr. Speaker—Your time is over.

Shri Swarup Upadhyay—My speech continues your honour.

## ADJOURNMENT

The House then rose at 1-30 P. M. and stood adjourned till 9 A. M. on Thursday, the 12th March, 1987.

Dispur,
The 11th March, 1987.

Dr. P. N. Hazarika
Secretary,
Assam Legislative Assembly